ফিৰিঙতি

THE NABIN BARDOLAI HALL & LIBRARY.
-2 DEC 1958
GAUHATI

(শ্ৰীপ্ৰবোধচন্দ্ৰ গোস্বামী এম-এৰ দ্বাৰা
লিখিত ভূমিকাৰে)

লিখক

শ্ৰীমান প্ৰফুল্ল গোস্বামী

প্ৰকাশক

শ্ৰীমুনীন্দ্ৰনাৰায়ণ দত্তবৰুৱা এম-এ

দত্ত বৰুৱা

নলবাৰী : অসম

প্ৰথম সংস্কৰণ—জুন, ১৯৪০

দ্বিতীয় সংস্কৰণ—নবেম্বৰ, ১৯৫৪

দাম : কেচাবন্ধা—১।০

পকাবন্ধা—১॥৵০

নলবাৰী উমা প্ৰেছত

শ্ৰীযোগেশচন্দ্ৰ গোস্বামীৰ দ্বাৰা মুদ্ৰিত

Please handle the book carefully

লিখকৰ নিবেদন

(২য় সংস্কৰণ ছাপা কৰা সম্বন্ধে)

ফিৰিঙতিখন প্ৰথমতে ১৯৪০ খৃঃৰ জুন মাহত প্ৰকাশ কৰা হয়। সেই সময়ত কিতাপখনে যথেষ্ট সমাদৰ লাভ কৰে আৰু প্ৰায় তিনি বছৰৰ ভিতৰতে কিতাপখনৰ বিক্ৰী হৈ শেষ হৈ যায়। তেতিয়াৰপৰাই কিতাপখন মাজে মাজে কোনো কোনোৱে প্ৰকাশকৰ ওচৰত বিচাৰি আছিল কিন্তু নানা অসুবিধাত বিশেষকৈ সুবিধাজনক স্বৰ্ত্তত ভাল প্ৰকাশক আগবাঢ়ি নহাত ২য় সংস্কৰণ উলিয়াবপৰা নাছিলোঁ।

অলপদিন আগতে আমাৰ উপযুক্ত প্ৰকাশক মোৰ ভ্ৰাতৃবৎ শ্ৰীমুনীন্দ্ৰনাৰায়ণ দত্ত বৰুৱাই নিজে "ফিৰিঙতি" খনৰ যথেষ্ট চাহিদা আছে বুলি পুনৰ ২য় সংস্কৰণ প্ৰকাশ কৰাৰ আৱশ্যকতা বুলি কয় আৰু তৎক্ষণাৎ নিজেই এই দায়িত্ব লবলৈ আগ্ৰহ প্ৰকাশ কৰাত মই তেওঁক "ফিৰিঙতি"ৰ ২য় সংস্কৰণ ছাপা কৰিবলৈ স্বত্ব আৰু দায়িত্ব দিলোঁ। তেওঁৰ এই আগ্ৰহৰ বাবে "ফিৰিঙতি"ৰ ২য় সংস্কৰণ আজি প্ৰায় এযুগৰো ওপৰ কালৰ পিচত ওলাল। তাৰবাবে তেওঁক মোৰ ধন্যবাদ আৰু শুভইচ্ছা জ্ঞাপন কৰিলোঁ।

ইয়াৰ পিচত তেওঁৰ সহায়তে বা অন্য কোনো প্ৰকাশকৰ সহায় পালে আৰু দুই এখন হাতে লিখা কিতাপ ছাপা কৰি উলিয়াবলৈ আশা ৰাখিলোঁ। ইতি—

বিনীত—
শ্ৰীমান প্ৰফুল্ল গোস্বামী

নলবাৰী
১০ অক্টোবৰ, ১৯৫৪

THE NABIN BARDOLAI HALL & LIBRARY.
-2 DEC 1958
GAUHATI

১।	অভাৱ	(ঘৰজেউতিত প্ৰকাশিত)	১
২।	অব্যক্তসুৰ	(কটনিয়ানত প্ৰকাশিত)	৪
৩।	কুসুম	... ...	৬
৪।	বুদ্ধস্মৃতি	... ...	১১
৫।	ব্যৰ্থতা আৰু আশা	... ...	১৪
৬।	বন্ধুৰ জন্ম দিনত	... ...	১৬
৭।	পথিক	... ...	১৯
৮।	দুৱাৰ খোলা	... ...	২২
৯।	মোৰ মনে নাজানে	(কটনিয়ানত প্ৰকাশিত)	২৩
১০।	কি অৰ্থ তেনে	... ...	২৪
১১।	এটি ফুল	(কটনিয়ানত প্ৰকাশিত)	২৮
১২।	এদিনৰ ভনীটী	... ...	৩০
১৩।	সাক্ষাৎ	... ...	৩৪

Please handle the book carefully.

১৪। শেৱালী ফুল আৰু প্ৰিয়া ৩৮
১৫। অতিথিলৈ (জয়ন্তীত প্ৰকাশিত) ৪৫
১৬। ব্যৱধান ৪৮
১৭। আজি ৰাতি ৫২
১৮। তৃষ্ণা (বাঁহীত প্ৰকাশিত) ৫৭
১৯। উতলা ঢেউ ৬২
২০। লক্ষ্য পথত (ডেকা অসমত প্ৰকাশিত) ৬৫
২১। উত্তিষ্ঠত জাগ্ৰত প্ৰাপ্যবৰান্নিবোধত
(ডেকা অসমত প্ৰকাশিত) ৬৭
২২। নৱবৰ্ষত (ডেকা অসমত প্ৰকাশিত) ৬৯
২৩। সৌন্দৰ্য্য (ঘৰজেউতিত প্ৰকাশিত) ৭৩
২৪। বাসন্তী জয়ন্তী (অসম বাইজত প্ৰকাশিত) ৭৬

THE NABIN BARDOLAI HALL & LIBRARY
-2 DEC 1958
GAUHATI

৺প্ৰতিভা গোস্বামীৰ

স্মৃতিত—

Please handle the book carefully

লিখকৰ কথা

(প্ৰথম সংস্কৰণৰ সময়ত লিখা)

"ফিৰিঙতি"ৰ ৰচনাবিলাক বহুদিনৰপৰাহে লিখা। জীৱনৰ নানান সময়ৰ নানান অভিজ্ঞতাত জন্মা অনুভূতি নাইবা আৱেগবিলাকৰ দুটা এটা কেতিয়াবা আজৰি সময়ত লিখি আৰু সেইবিলাকৰে কেটামান লগ-লগাই "ফিৰিঙতি" নাম দি কিতাপ আকাৰে প্ৰকাশ কৰা হল। ইয়াৰ কিছুমান কথিকা বহুদিন আগতে লিখা; যেনে "অভাৱ" আৰু "সৌন্দৰ্য্য" নামৰ ৰচনা দুখন ১৯২৬ খৃঃত মোৰ স্কুলীয়া ছাত্ৰাৱস্থাতে লিখা। তেতিয়াৰে পৰা কথাকৱিতা লিখিবলৈ আৰম্ভ কৰোঁ।

এই কিতাপখন "ফিৰিঙতি" নাম দি দুবছৰ পূৰ্বতে ১৯৩৮ খৃঃতে ছাপা কৰিবলৈ প্ৰস্তুত কৰোঁ আৰু সেই সময়তেই ভূমিকাখনো লিখা। কিন্তু যাইকৈ অৰ্থৰ অভাৱত তেতিয়া ইয়াক ছাপা কৰিব নোৱাৰিলোঁ, প্ৰেছত ছাপাবলৈ দি পুনৰ ফিৰত আনোঁ। তেতিয়াৰপৰা কিন্তু ইয়াক হাতে লিখা অৱস্থাতে বন্ধু-বান্ধৱসকলে নি পঢ়ি উৎসাহিত কৰিছিল। বহুতো নবীন আৰু প্ৰবীণ সাহিত্যিকে ইয়াক হাতে লিখা অৱস্থাতে পঢ়িছে। কেইবাজনো বন্ধুৱে ছাপাবলৈ উদ্গনি দিয়াতহে এই জাতীয় সঙ্কটপূৰ্ণ অৱস্থাতো লৰালৰিকৈ মৰসাহ দি ইয়াক ছাপা কৰি উলিয়ালোঁ। কিন্তু টকাৰ অভাৱত ভাল কাগজ আদি দি কিতাপখন ৰমক জমককৈ উলিয়াব নোৱাৰিলোঁ। এইবাৰো ছাপা কৰাত যে অসুবিধা হোৱা নাই এনে নহয়; কিন্তু জয়ন্তী প্ৰেছৰ মেনেজাৰ শ্ৰীযুত খগেন্দ্ৰ নাথ দত্তই যথেষ্ট সুবিধা কৰি দিছে, সেইবাবে তেখেতক আন্তৰিক ধন্যবাদ জনাইছোঁ।

এই "ফিৰিঙতি" আজি ছাপা কৰি পাঠকসমাজৰ আগলৈ উলিয়াব পৰাৰ মূলতে মোৰ শ্ৰদ্ধেয় বন্ধু শ্ৰীযুত হৰেন্দ্ৰ নাথ বৰুৱা বি, এল, ডাঙৰীয়াৰ সহায়। মই কিতাপখন প্ৰেছত দিয়েই কংগ্ৰেছৰ কামত গাৱঁলৈ গুচি গলোঁ, তেখেতক মাত্ৰ সকলো ব্যৱস্থা কৰিবলৈ কৈ গলোঁ। আৰু মোৰ অনুপস্থিতি সত্বেও তেখেতেই কিতাপ ছাপাই-শুলোৱাৰ যাৱতীয় ব্যৱস্থা কৰিছে। সেইবাবে তেখেতৰ ওচৰত লিখক কৃতজ্ঞ।

বৰ্তমান ৰাজনৈতিক অস্থিৰ অৱস্থাত আমাৰ কোনো স্থিৰতা নাই। কোনদিনা ক'ত থাকিব লাগে বা কেতিয়া চৰকাৰৰ আলহী হব লাগে তাৰ একো থিক নাই। সেই কাৰণে খুব লৰালৰিকৈ কম সময়ৰ ভিতৰতে কিতাপখন ছপা কৰিব লগা হোৱাত বহুতো ভুল ভ্ৰান্তি ৰল; বিশেষকৈ বৰ্ণাশুদ্ধি ৰৈ গল। তদুপৰি বানান সংস্কাৰ কৰি নতুন নিয়মমতে কিতাপখন ছাপা কৰি উলিয়াবৰ ইচ্ছা আছিল; কিন্তু সকলোবিলাক আখৰৰ ৰূপ সেইদৰে প্ৰেছৰ ছাপাৰ অসুবিধাত হৈ নুঠিল; আৰু কিছুমান পুৰণি নিয়মতেই থাকিল। ৰেফযুক্ত দ্বিত্ব আখৰ এটাকৈ লিখাৰ সলনিও, কিছুমান বিকৃত হোৱা আখৰৰ ৰূপ যেনে গু, শু, ৰূ, ৰু, ক্ৰ, ত্ৰ, আদিক যথাক্ৰমে গ ু, শ ু, ৰ ূ, ৰ ু, ক ্ৰ, ত ্ৰ, আদি সৰল ভাবে লিখাৰ উদ্দেশ্য আছিল। কিন্তু প্ৰেছৰ ছাপাৰ অসুবিধাত যথাযথ ভাবে পালন কৰিব পৰা নহল।

নলবাৰী
২৫ জুন ১৯৪০

শ্ৰীমান প্ৰফুল্ল

THE NABIN BORDOLAI HALL & LIBRARY
-2 DEC 1958
GAUHATI

ভূমিকা

সাহিত্যৰ বিষয়ে কোৱাকুই কথাটো আজি কালিৰ বিলাস হৈছে। তেনে বিলাসৰ বশৱৰ্তী হৈ সাহিত্য বিষয়ে অলপ কৰলৈ সুযোগ ললোঁ।

মস্কিল হৈছে সাহিত্য নো কি সেই কথা কওঁতেই। বহুতে, কয়, সাহিত্য ভাষাৰ সহায়েৰে কৰা এটি আনন্দদায়ক সৃষ্টি। কিন্তু আনন্দদায়ক সৃষ্টি বোলা বাক্যটি হৈছে এটি তুলনামূলক কথা। দাৰ্শনিকৰ কাৰণে দৰ্শনৰ পুথি, ৰাসায়নিকৰ কাৰণে ৰসায়ন শাস্ত্ৰৰ পুস্তক, ছবি তোলোতাৰ কাৰণে ছবি বিষয়ক কিতাপ আনন্দজনক। আজি কালি জাৰ্নেলিজিমৰ দিনত কম-বেচি আনন্দ প্ৰায় সকলো বিষয়ৰ আলোচনাই দিয়ে। সাহিত্যক ভাষাৰ সহায়েৰে কৰা এটি আনন্দদায়ক সৃষ্টি বুলি ধৰিলে পঞ্জিকাকে আদি কৰি কুমাৰসম্ভৱলৈকে সকলোৱেই দেখো সাহিত্য হয়। সাহিত্যৰ এনে বহল সংজ্ঞাৰ মূল্য বৈজ্ঞানিক আলোচনাৰ ফালৰপৰা নিচেই নাই। এই সংজ্ঞা মানিলে সাহিত্যৰ আদৰ্শ অকল আমোদ দিয়াটোৱেই বুলি ধৰিব লাগে। ইপিনে আমি জানোঁ, তাচ ডবা আদি খেলৰ উদ্দেশ্যও আমোদ দিয়াটোৱেই। কথা কৈ আৰু কথা শুনিও মানুহে আমোদ পায়।

সাহিত্যৰ সংজ্ঞা

Please handle the book carefully.

সাহিত্যৰ এই সংজ্ঞাৰে তাচ, ডবা খেলা আদিৰ উদ্দেশ্য আৰু আৱশ্যকতাৰ পৰা সাহিত্যৰ উদ্দেশ্য আৰু আৱশ্যকতাক বিভিন্ন কৰি দেখুৱা অসম্ভৱ হৈ পৰে। কোনো কোনোৱে সাহিত্যৰ উদ্দেশ্য বিশ্বজনীন নির্ম্মল আনন্দ প্রদান বুলি ওপৰৰ সংজ্ঞা মানিব খোজে। কিন্তু বিশ্বজনীন নির্ম্মল আনন্দ নো আন আন খেল-ধেমালীৰ সুদূৰ উদ্দেশ্য হোৱাত কি বাধা আছে তেওঁলোকে তাক বুজাব নোৱাৰে।

আনন্দৰ যোগান সাহিত্যই যে নধৰে, এনে কথা নহয় ; কিন্তু জীৱনৰ পৰশ পোৱাৰ যি আনন্দ, এই আনন্দ সেই। "কিং লীয়েৰ"ৰ জীৱন বৰ বেদনাময, কিন্তু ইয়েই তো জীৱন। জীৱনৰ এই যে মাধুর্য্য, তাৰ সোৱাদ বাস্তবিকেই অনুপম। ইয়াৰ কাৰণেই, এই জীৱনৰ এক বিন্দু বাখি পিবৰ বাবেই মানুহ ইমান পাগল। আৰু, মানুহে কৰিছে সাহিত্যৰ সৃষ্টি, যাতে এনে জীৱনৰ অনুপম স্পর্শ লভি এক বিশ্বজনীন চিৰস্থায়ী সকৰুণ আনন্দৰ গৌৰৱত তাৰ প্ৰাণ উঠে "আকুলি ব্যকুলি-মর্ম্মৰি-শিহৰি।"

এইবোৰ কাৰণত মেথিউ আর্ণল্ডৰ দৰে আমিও ভাবোঁ সাহিত্যৰ অর্থ জীৱনৰ সমালোচনা বুলিয়েই। জীৱনৰ বিশেষ ৰকমৰ জ্ঞান দিয়াই সাহিত্যিকৰ কাম। বিশেষ ৰকমৰ জ্ঞান-বিজ্ঞানেও দিয়ে। কিন্তু আমি জানো সাহিত্য কোনো দিনেই বিজ্ঞান নহয়। কবৰৰ ওপৰত ফুলা ফুল কলিটিক ছিৰিলা ছিৰিলি কৰিবলৈ বৈজ্ঞানিক সদাই প্রস্তুত। সাহিত্যিকৰ জানো তেনে সত কেতিয়াবা হব ? আচল কথা সাহিত্যিকৰ বিষয় বস্তু জীৱন হলেও তাক পুঙ্খানুপুঙ্খ ৰূপে সাহিত্যই বিশ্লেষণ নকৰে। জীৱনৰ ভৌতিক ব্যাখ্যা সাহিত্যিকে নিদিয়ে। জীৱনৰ কোন অনুভূতিৰ ফলত মানুহজনীত কেনে ধৰণৰ পৰিবর্ত্তন ঘটে, তাক মনো-বিজ্ঞানে কয়। অশৰীৰী জীৱনৰ অশৰীৰী ৰূপ সৃষ্টিৰ কাৰণেহে সাহিত্যকৰ সমষ্টিগত দৃষ্টিৰ আৱশ্যক।

জীৱনৰ সমষ্টিগত জ্ঞান প্ৰদানৰ ভাৰ সকলো আৰ্টৰেই বিশেষত্ব। সাহিত্যও এবিধ আৰ্ট। সেই বুলি সাহিত্য সঙ্গীত বা কলাবিদ্যা বা স্থপতিবিদ্যা বা আলোকচিত্ৰ নহয়। এনে বিভিন্নতাৰ মূলত আৰ্টৰ আহিলা-পাতিৰ পাৰ্থক্য। সাহিত্যৰ আহিলা শব্দৰ অৰ্থ, সংগীতৰ সুৰ, কলাবিদ্যাৰ বং আৰু ৰেখা, শিল্পবিদ্যাৰ পাথৰ, আলোকচিত্ৰৰ বাস্তৱ জগতৰ বস্তুসমূহ। আহিলা পাতিৰ ফালৰপৰা চাবলৈ গলে সাহিত্যই সৰ্বশ্ৰেষ্ঠ আৰ্ট।

সাহিত্যৰ যোগেদি জীৱনৰ যি ৰূপ সৃষ্টি হয়, সি অকল ধ্বনি বা ছবি বা ছাপ (impression) নহয়। সি অৰ্থপূৰ্ণ ভাবো। সেই হিচাবে "বাঙ্ময়ী গীতি" বা "বাঙ্ময়ী ছবি" আনকথাত অৰ্থপূৰ্ণ গীতি বা অৰ্থপূৰ্ণ ছবি বুলি ডাঃ কাকতিয়ে কবিতাৰ যি সংজ্ঞা দিছে, সি সাহিত্যৰো সংজ্ঞা। মুঠতে শব্দৰ অৰ্থেৰে কৰা জীৱনৰ সমষ্টিগত ৰূপ সৃষ্টিয়েই যে সাহিত্য, তাক কোৱাত একো অসুবিধা নাই।

কবিতাক যি অৰ্থত "বাঙ্ময়ী গীতি" বা "বাঙ্ময়ী ছবি" বুলি আখ্যা দিয়া হয়, সেই একে অৰ্থতে সাহিত্যকো "বাঙ্ময়ী গীতি" বা 'বাঙ্ময়ী ছবি" বোলা হয়। ইয়াৰ পৰিধি অকল শব্দৰ অৰ্থতে নাথাকে। ছন্দ, ঝঙ্কাৰ বা সুৰৰ পৰিধিতো ই প্ৰায়েই প্ৰবেশ কৰে। এই সকলোৰে ওপৰতে কবিতাৰ জনপ্ৰিয়তা নিৰ্ভৰ কৰে। আৰু এই দেখিয়েই বহুতে কবিতাক পূৰ্ণ সাহিত্য বুলিবলৈ টান পায়। তেনেকৈ সংগীতৰ জনপ্ৰিয়তাও অকল সুৰতে নিৰ্ভৰ নাথাকে। থকা হলে ক্লাছিকেল সংগীতৰ এনে দুৰৱস্থা নহলহেঁতেন আৰু ৰাবীন্দ্ৰিক সংগীতৰো ইমান বহল প্ৰচাৰ নহল হেঁতেন।

কোনো আৰ্টে নিজ পৰিধি অতিক্ৰম কৰি গৈও সাহিত্যৰ দৰে ইমান বহুল পৰিধিব্যাপ্ত হব নোৱাৰে। সুৰৰ মোহেৰে সংগীতে আপ্লুত

Please handle the book carefully.

ৰাখে সচাঁ ; কিন্তু গন্ধ, স্পৰ্শ বা দৰ্শনৰ যি মোহ, সেই মোহৰ জগতলৈ সংগীতে মাথোন কদাচিৎ হে লোকক নিব পাৰে। সেইদৰে শিল্প আৰু কলাৰ পৰিধিও মাত্ৰ এক ইন্দ্ৰিয় উপলব্ধিতে ব্যাপ্ত। কিন্তু সাহিত্যত শব্দৰ অৰ্থৰ সহায়েৰে জীৱনৰ সকলো উপলব্ধি সকলো অভিজ্ঞতাকে প্ৰদান কৰা সম্ভৱ হয়। এনে কাৰণতে সাহিত্যক সকলো আৰ্টৰ ওপৰত ৰাণী বোলা দেখা যায়।

সাহিত্যৰ লক্ষণ

মাজে মাজে কাগজে পত্ৰে "সৎ আৰু অসৎ সাহিত্য" আদি বাক্য দেখা যায়। যি সাহিত্য পঢ়িলে সৎ পথত চলিবলৈ সুগম হয় আৰু মনত মহৎভাবে খেলা কৰে, সেয় সৎ সাহিত্য। যি সাহিত্য পঢ়িলে সৎসাহিত্যৰ বিপৰীত ফল পোৱা যায়, সেয়ে অসৎ সাহিত্য। সৎ সাহিত্য আমাৰ বাঞ্ছনীয় আৰু অসৎ সাহিত্য সদাই বৰ্জনীয়। বহুতৰ মতে জীৱনৰ ৰূপ সৃষ্টিয়েই সাহিত্য হব নোৱাৰে। সাহিত্যই যদি নীতি জ্ঞান নিদিয়ে, সি আকৌ কেনে সাহিত্য? তেওঁ-লোকৰ ভয়, সাহিত্য নীতি শাস্ত্ৰ নহলে কিজানি লোক পাপত নিমগ্ন হয়। এনে ভাব তেওঁলোকৰ সাহিত্যৰ প্ৰকৃত লক্ষণ বুজিব নোৱাৰাৰ ফল।

সাহিত্যৰ মূল প্ৰকৃতি এই যে, ই জীৱনৰ ৰূপ দিয়ে; কিন্তু সেই ৰূপৰ মোহত আনক পেলাবলৈ কোনো ৰকমৰ চেষ্টা নকৰে। প্ৰকৃত সাহিত্য পঢ়ি জীৱনটো নো কি তাক মাত্ৰ বুজা যায়। এনে সাহিত্য পঢ়ি কোনো পাপত নিমগ্ন হবৰ বা কোনো প্ৰলোভনত ভোল যাবৰ একো ভয় নাই। কোনো সাহিত্যই যদি কোনো বিশেষ ধৰণৰ জীৱন যাপন কৰিবৰ কাৰণে লোকক প্ৰভাৱিত কৰে, তেতিয়া হলে বুজিব লাগিব যে সেই সাহিত্য সাহিত্য নহৈ উদ্দেশ্যমূলক প্ৰচাৰ কাৰ্য্য হে হৈছে।

সকলো আৰ্টৰ দৰে সাহিত্যৰো উদ্দেশ্য জীৱনৰ সমষ্টিগত জ্ঞান দিয়া। ইপিনে আৰ্টিষ্টৰ চকুত জীৱনৰ অৰ্থ মাত্ৰ এটা বিৰাট অনুভূতি,

এটা স্থায়ী মানসিক উত্তেজনা, এটা কালহীন ধুকু ধুকনি, এটা বৃহৎ ৰোমান্স। এই অৰ্থত প্ৰেমিকৰ হৃদয়ত ভাবৰ যি উখল-মাখল, সেয়ে জীৱন। একে অৰ্থত পাপীৰ মনত যি অনুশোচনা, সিও জীৱন। সুখ-দুখ-পাপ-পুণ্য—এই সকলো লগলাগিয়েই জীৱন। কিয়নো ইহঁতে প্ৰত্যেকেই একোটা একোটা সুন্দৰ সুন্দৰ, বেলেগ বেলেগ অনুভূতি। এই অনুভূতিৰ ৰূপ প্ৰদানৰ দক্ষতাই আৰ্ট। আৰ্টৰ উদ্দেশ্য ইমানতে শেষ আৰু সেইদেখি আৰ্টিষ্টে কোনোদিনে নীতি-অনীতি, ধৰ্ম-অধৰ্মৰ কথা ভাবিব লগাত নপৰে। "Art for Art's Sake" আৰু "Art for Life's Sake" এই দুয়োটাৰে অৰ্থ এইখিনিত একে হৈ পৰে।

(মানুহৰ জীৱনটোকে ক্ষুধা আৰু আকাঙ্ক্ষাৰ সমষ্টি বুলিব পাৰি। এই ক্ষুধা আকাঙ্ক্ষাৰ অনুভূতিবোধৰ ৰূপদানেই সাহিত্য। ছেক্সপীয়েৰে মেকবেথৰ জীৱনত যি আকাঙ্ক্ষা অনুভূতিৰ বৰ্ণনা দিছে, সেয়ে সাহিত্য। ম্যালেৰিৰ "ট্যাম্বুৰলেন্ ডি গ্ৰেট" ও সেই একে ফালৰপৰা সাহিত্য। অথচ এইবিলাক চৰিত্ৰ নীতি-শাস্ত্ৰৰ ফালৰপৰা যে দোষণীয়, তাক আমি বুজোঁ।)

সাহিত্যত নীতি-অনীতিৰ বিচাৰ নকৰা মানে এইটো নহয় যে, নীতি-অনীতি, ধৰ্ম-অধৰ্ম বোলা কোনো কথা নাই। অনুভূতিবোধক অনন্ত কৰি অনন্ত ভাবত আপ্লুত থকাই জীৱনৰ উদ্দেশ্য। সেই উদ্দেশ্য পূৰণৰ বাবে সহজ বা টান প্ৰথা বা নীতি আছে। সেই অৰ্থতে নীতি-অনীতি ধৰ্ম-অধৰ্মৰ মূল্য জীৱনত যথেষ্ট দেখা যায়। সাহিত্যত কিন্তু সিহঁতৰ কোনো মূল্য নাই। সাহিত্যৰ উদ্দেশ্য হৈছে অকল অনুভূতিৰ ৰূপ-সৃষ্টি। প্ৰকৃত সাহিত্য সদাই পাপপুণ্যৰ অতীত। নিৰপেক্ষতাই ইয়াৰ প্ৰধান ধৰ্ম।

(আন আন আৰ্টৰ দৰে সাহিত্যৰ আন এটা গুণ এই যে ই সদায় সত্য আৰু ইয়াৰ সৃষ্টি

Please handle the book carefully.

আজি কিছু বছৰ আগলৈকে প্ৰাচ্য-পাশ্চাত্য সভ্যতা সম্বন্ধে বাদানুবাদ চলিছিল। আজিকালিও তেনে আলোচনা মাজে মাজে দেখা যায়। সেইবিলাক আলোচনাত কোৱা হয় যে, পাশ্চাত্য সাহিত্যৰ উদ্দেশ্য নগ্ন বাস্তববাদ আৰু প্ৰাচ্য-সাহিত্যৰ উদ্দেশ্য মহৎ আদৰ্শবাদ। কিন্তু সাহিত্যৰ উদ্দেশ্যৰ কালৰপৰা এনে কোনো প্ৰভেদ থাকিব নোৱাৰে। সাহিত্যৰ উদ্দেশ্য পূৰ্ণ হয় জীৱনৰ সত্য আৰু বাস্তৱিক ৰূপ দিওঁতেহে।

সাহিত্যত আদৰ্শ, বাস্তৱ আদি কথাৰ অৰ্থ কৰিব পাৰি টেকনিকৰ কালৰপৰা। কিছুমান সাহিত্যিকে জীৱনৰ দৈনন্দিন কৰ্ম-উপলব্ধিৰ তালিকা দক্ষতাৰে দি অনুভূতি সৃষ্টি কৰে। তেওঁলোকে ভাবে, এনেদৰে সৃষ্টি কৰা অনুভূতিৰ ৰূপেই প্ৰকৃত অনুভূতিৰ যথেষ্ট ৰূপ। এওঁলোকৰ সাহিত্যত ঘটনা সমাবেশৰ ফলাফলৰ ওপৰত নিৰ্ভৰ কৰে অনুভূতিৰ তীব্ৰতা। এয়ে সাহিত্যত বাস্তৱবাদ। আন কিছুমানে অনুভূতিৰ প্ৰকৃত তীব্ৰতা প্ৰথমে উপলব্ধি কৰি সেই উপলব্ধি কৰা অনুভূতিৰ তীব্ৰতা প্ৰকাশৰ বাবে সচাঁ মিছা নানা ধৰণৰ ঘটনা সমাবেশেৰে অনুভূতি সৃষ্টি কৰে। এওঁলোকৰ এই অনুভূতি সৃষ্টি সাহিত্যত আদৰ্শবাদ। সাহিত্যত আদৰ্শবাদেই থাকক বা বাস্তৱবাদেই থাকক, ই কিন্তু সদাই জীৱনৰ সত্য ৰূপকেহে সৃষ্টি কৰে।

প্ৰকৃত সাহিত্য হবলৈ হলে ই সনাতনো হব লাগে। যি সাহিত্য চিৰস্থায়ী, যি সাহিত্যৰ ৰূপ-সৃষ্টিৰ সাৰ্চ অন্তঃস্থ, সেয়ে প্ৰকৃত সাহিত্য নাম পাবৰ উপযুক্ত। কথা আছে, সাহিত্য "for all times and all climes"। হোমাৰৰ কবিতা আজিও জীয়াই আছে। সেই কবিতা উপভোগ কৰিবৰ কাৰণে চাৰি হাজাৰ বছৰ আগৰ গ্ৰীছ দেশত নজন্মিলেও চলে। সনাতন জীৱনৰ সনাতন ৰূপ-সৃষ্টিয়েই হোমাৰৰ বাহাদুৰী।

প্ৰকৃত সাহিত্য সৰ্বজনীনো। আজি কালি Type characterisation, জাতীয় সাহিত্য আদি খণ্ডবাক্যবিলাক বহুতৰ মুখত শুনা যায়। সাহিত্য সৃষ্টি হোৱাৰ পাছত এই খণ্ডবাক্যবিলাকৰ অৰ্থ নথকা নহয়। অনেকে কিন্তু এই কথা পাহৰি যায়। তেওঁলোকে পাহৰি যায় যে অকল জাতীয় সাহিত্য বা জাতীয় চৰিত্ৰৰ সৃষ্টিকৰ্ত্তা বুলিয়েই কাৰো "cheap fame" অৰ্জন কৰিবৰ স্বত্ব নাই। তেওঁলোকে পাহৰি যায় যে, সাহিত্য মাত্ৰেই বিশ্ব-সাহিত্য। জীৱনৰ ৰূপ বিশ্বজনীন কাৰণে সাহিত্যও প্ৰথমে বিশ্বসাহিত্য নহৈ উপায় নাই। সাহিত্য মাত্ৰেই বিশ্বসাহিত্য কাৰণে দৰ্কাৰমতে প্ৰত্যেক সাহিত্যিকৰে পাৰিপাৰ্শ্বিকতাৰ প্ৰভাৱৰপৰা মুক্ত হবৰো ক্ষমতা থাকিব লাগে।

আনন্দ প্ৰদান সাহিত্যৰ আন এটা ডাঙৰ লক্ষণ। আগতে কোৱা হৈছে, বহুতে সাহিত্যৰ সংজ্ঞা দিয়ে ভাষাৰ সহায়েৰে কৰা এটি আনন্দ-দায়ক সৃষ্টি বুলি। কিন্তু আনন্দ দিয়াটো সাহিত্যৰ লক্ষণ হে। (ভাতৰ লক্ষণ—ইয়াক খালে ভোক পলায়। সাহিত্যৰ লক্ষণ—ইয়াৰ দ্বাৰা মনৰ ক্ষুধা নিবৃত্তি হয আৰু সেই কাৰণেই মনে আনন্দ পায়।)

সাহিত্যই আনন্দ প্ৰদান কৰে বুলি সাহিত্যই ৰস-সৃষ্টি কৰে বুলিলেহে বেচি যুক্তিযুক্ত হয়। কালিদাসৰ মেঘদূতত যক্ষৰ যি বিৰহ, সেই বিৰহত আনন্দ পাওঁ বুলিলে মানৱ-বিদ্বেষী (cynic) বুলি পৰিচয় দিব লাগিব।

সাহিত্যৰ লক্ষণ আনন্দ প্ৰদান বুলিলে ট্ৰেজেডি আদিৰ কোনো আৱশ্যকতা নাই বুলিবলৈ বাধ্য হোৱা যায়। কিন্তু আমি জানো, ট্ৰেজেডিৰ আৱশ্যকতা আমাৰ অশেষ। বহুত সময়ত অনুভূতিৰ প্ৰাবল্য ইমান অস্বাভাৱিক হয় যে, মানুহে নভবা-নিচিন্তাকৈ নানা কাজ কৰে। তাতে সেই অস্বাভাৱিকতা আৰু বাঢ়ে। অনুভূতিৰ এনে অস্বাভাৱিক তীব্ৰতাৰ কাৰণে

মানুহৰ বিলাই-বিপত্তিৰ অন্ত নাথাকে। এই বিলাই-বিপত্তি সংযুক্ত অনুভূতিৰ ৰূপ সৃষ্টিয়েই ট্ৰেজেডি। অনুভূতিৰ তীব্ৰতাৰ কাৰণেই ট্ৰেজেডি পঢ়ি ,জীৱনৰ গভীৰতা বুজি উঠোঁ, জীৱনৰ প্ৰকৃত সাৰমৰ্ম (বাস্কাৰৱাইণ্ডৰ "ideal essence of life") বুজিবলৈ সমৰ্থ হওঁ। সেই গভীৰতা দেখি, সেই প্ৰকৃত ৰূপ দেখি, কেতিয়াবা আমি আচৰিত হওঁ, কেতিয়াবা আকৌ আমি ভয় পাওঁ। খেলাই যেনেদৰে আমোদ দিয়ে, তেনে অৰ্থত কোনো আনন্দ সাহিত্যৰ এনে ৰূপসৃষ্টিয়ে মানুহক নিদিয়ে। এনে ৰূপসৃষ্টি দেখি মন মুকলি হয়, কিবা এটা বুজি উঠাৰ সকাহ প্ৰাণে পায়; আৰু বিলাই-বিপত্তিৰ মাজেৰে বাস্তৱিকতে নোযোৱাকৈও জীৱনৰ গভীৰ অনুভূতি উপভোগ কৰিবলৈ মানুহ সমৰ্থ হয়। এইবোৰ কাৰণত সঁচাকৈয়ে ট্ৰেজেডিৰ দৰ্কাৰ আছে। সেই দেখি সাহিত্যৰ লক্ষণ আনন্দ-প্ৰদান বুলি ৰসসৃষ্টি বুলিলেহে সুবিধা। ৰসসৃষ্টিৰ মাজত আনন্দ প্ৰদানৰ ভাব লুকাই থৈছে।

অনুভূতিৰ ৰূপ সৃষ্টিয়ে সাহিত্য। অনুভূতিৰ অশৰীৰী ৰূপসৃষ্টি তিনি প্ৰকাৰে কৰিব পাৰি। প্ৰথমতে অনুভূতিৰ প্ৰভাৱত পৰি কোনো এজন লোকে কেনে ধৰণেৰে কাজ কৰে তাক দেখুৱাই, দ্বিতীয়তে সেই অনুভূতিৰ পৰশত মনত কেনে ধৰণৰ ভাৱ অহা যোৱা কৰে তাক বৰ্ণাই, আৰু তৃতীয়তে সেই অনুভূতি কেনেকৈ কোনো এটা মুহূৰ্তত মানৱৰ হৃদয় মন্দিৰত প্ৰবেশ কৰে, তাক বিবৰি। প্ৰথমটোৰ বিষয় বস্তু হৈছে উত্তেজনামূলক কাৰ্য্য বা "একশুন," দ্বিতীয়টোৰ উত্তেজনামূলক ভাব, তৃতীয়টোৰ উত্তেজনামূলক মুহূৰ্ত। প্ৰথমটো হৈছে নাটক আৰু উপন্যাসৰ প্ৰাণবস্তু, দ্বিতীয়টো কবিতাৰ, তৃতীয়টো গল্প আৰু গদ্য কবিতাৰ। গল্প আৰু গদ্য কবিতাত অনুভূতিৰ কন্তেকীয়া ৰূপ দৰ্শন মাত্ৰ লক্ষ্য। নাটক উপন্যাস কবিতাই সেই ৰূপৰ গূঢ় লক্ষণবোৰো বুজায়।

সাহিত্যৰ বিভাগ

নাটক আৰু উপন্যাস দুয়োটাৰে প্ৰাণবস্তু "একশ্যন"। তথাপি নাটক উপন্যাস নহয়। ইহঁতৰ মাজত মূলগত পাৰ্থক্য আছে।

কিছুমান মানুহ আছে, যিসকলৰ কাৰণে অনুভূতিই সকলো। তেওঁলোকে জগতৰ কোনো বাধা-বিঘিনি নুবুজে। তেওঁলোকৰ সকলো কথা-বাৰ্তা, সকলো কাজ-কৰ্ম, সকলো "একশ্যন" তেওঁলোকৰ প্ৰাণৰ অনুভূতিৰে ফল স্বৰূপ। তেওঁলোকৰ প্ৰাণৰ এই অনুভূতিৰ ৰূপ প্ৰকাশৰ কাৰণে তেওঁলোকৰ কাৰ্য্যৰ ওপৰত কোনো বাহিৰা সমালোচনাৰ দৰ্কাৰ নাই। কথোপকথনৰেই (dialogue) অনুভূতিৰ প্ৰকৃত ৰূপসৃষ্টি সম্ভৱপৰ হৈ উঠে। "একশ্যন" মূলক কথোপকথনৰ সহাযেৰে কৰা এনে অনুভূতিৰ ৰূপসৃষ্টিয়েই নাটক।

কিছুমান মানুহ আছে, যিসকলৰ সমাজৰপৰা, তথাকথিত জগতৰ পৰা মুক্ত হবৰ ক্ষমতা নাই। তেওঁলোকৰ কাজ-কৰ্ম, কথা-বাৰ্তাই সেইদেখি সকলো সময়তে অনুভূতিৰ প্ৰকৃত ৰূপ প্ৰকাশ কৰিব নোৱাৰে। তেনে ৰূপ প্ৰকাশৰ কাৰণে লিখকে বহুত সময়ত নিজা সমালোচনা দিয়ে। তাৰ ফলতহে সমাজনীতি, ধৰ্মনীতিৰ চাপৰ-পৰা অনুভূতিকে মুক্ত কৰি ইয়াৰ প্ৰকৃত ৰূপ প্ৰদান সম্ভৱপৰ হয়। সাহিত্যৰ যি বিভাগত এনেকুৱা কৌশলেৰে অনুভূতিৰ ৰূপ সৃষ্টি কৰা হয়, সেয়ে উপন্যাস।

নাটক আৰু উপন্যাসে ইটো সিটো অনুভূতিৰ মাজত সম্পৰ্ক আৰু সংঘৰ্ষ দেখুৱাই আলোচ্য অনুভূতিৰ তীব্ৰতা প্ৰকাশ কৰে। আন কথাত কবলৈ হলে নাটক আৰু উপন্যাসত চৰিত্ৰৰ ক্ৰমিক বিকাশ (Character development) আছে।

গল্প আৰু গদ্য কবিতাও সাহিত্যৰ দুটা বেলেগ বেলেগ বিভাগ। দুয়োটাৰে প্ৰাণবস্তু উত্তেজনামূলক মুহূৰ্ত। কিন্তু গল্পৰ আলোচ্য মুহূৰ্ত্তটো

হৈছে উপন্যাসবদৰে একশুনপ্ৰধান আৰু গদ্য কবিতাৰ আলোচ্য মুহূৰ্তটো হৈছে কবিতাৰ দৰেই ভাবপ্ৰধান।

অনুভূতিৰ সম্পৰ্ক আৰু সংঘৰ্ষ কবিতা, গল্প আৰু গদ্য কবিতাত নাই। এইবিলাকত চৰিত্ৰৰ ক্ৰমিক বিকাশৰ কোনো দৰ্কাৰ নকৰে।

নাটক আদিৰ পৰা কবিতাৰ বিষয় বস্তুৰ গুণতে সাহিত্যৰ এটা বেলেগ বিভাগ। কিন্তু অনেক কবিতা আছে, দেখিবলৈ নাটকৰ নিচিনা। নাটকৰ নিচিনাই এইবিলাকো কথোপকথনেৰে লিখা। তথাপি এই কবিতাবিলাক নাটক নহয়। কবিতাৰ কথোপকথন ভাব-মূলক। কিন্তু নাটকৰ কথোপকথন "একশুন"মূলক। নাটকৰ কথোপকথন কোনো এটা কাৰ্য্যক বেচি, কোনো এটা কাৰ্য্য সিদ্ধিৰ উদ্দেশ্যে। কবিতাত কিন্তু তেনে উদ্দেশ্য নাই। কবিতাত কথোপকথন ব্যৱহাৰ হয় কল্পনাৰ উত্তেজক (Stimulus) হিচাপে।

সাহিত্যৰ এই পাঁচোটা বিভাগৰ ভিতৰত কবিতাত হে ছন্দ ব্যৱহাৰ কৰা হয়। নাটক, উপন্যাস, গল্প, গদ্য কবিতা আদি গদ্যতে লিখা যায়। আগতে নাটকো ছন্দত লিখা হৈছিল; নাটকত ছন্দ এতিয়াও মাজে মাজে ব্যৱহাৰ কৰে। ঠিকমতে আৱশ্যক ঠাইত ছন্দ ব্যৱহাৰ কৰিব পাৰিলে একো দোষ নাই। সাধাৰণ ভাৱে ছন্দ ব্যৱহাৰ কৰিলে উপন্যাস আদিৰদৰে নাটকটো এটা অসুবিধাত পৰিব লাগে। ইহঁতৰ বিষয় বস্তুৰ গুণেই এনেকুৱা যে, ইহঁতক পাৰিপাৰ্শ্বিকতাৰ বাস্তৱিকতাৰপৰা মুক্ত কৰা নিতান্তই অযুগুত। তেনে কৰিলে ইহঁতৰ মূল উদ্দেশ্য সাধনেই বহুত সময়ত হৈ নুঠে। এই বাবে, সেই বাস্তৱৰ "আবহাৱা" ৰক্ষা কৰিবলৈ হলে দৈনন্দিন জীৱনৰ স্বাভাৱিক গদ্য ভাষাতে এইবিলাক সদাই লিখা উচিত। কবিতাত কিন্তু তেনে কোনো অসুবিধা নাই। কবিতাৰ বিষয় বস্তু উত্তেজনামূলক ভাব। সেয়ে কবিতাত কল্পনাৰ প্ৰাধান্য বেচি।

আৰু, সেইকাৰণেই কবিতাৰ কৃতকাৰ্য্যতা নিৰ্ভৰ কৰে পাৰিপাৰ্শ্বিকতাৰ বাস্তৱৰূপৰ পৰা মুক্ত হোৱাটোত। তেনে বাস্তৱিকতা পাহৰিবৰ কাৰণেই ছন্দৰ ঝঙ্কাৰ, ছন্দৰ ভাৱ গধুৰ-ভাষা (Condensed language) আৰু ছন্দৰ অস্বাভাৱিকতা—এই সকলোবোৰেই আৱশ্যক। আকৌ, লেছেলেচ, এবাৰকম্বিৰ মতে ছন্দ হৈছে ভাষাৰ উচ্চতম ৰূপ (highest form of language’)। তেওঁৰ মতেই সাহিত্যৰ উচ্চতম ৰূপ কবিতা। সেই দেখি তেওঁ ভাবে যে, কবিতাৰ সফলতাৰ কাৰণে ছন্দৰ ব্যৱহাৰ অপৰিহাৰ্য্য।

সাহিত্যৰ এই পাঁচোটা বিভাগৰ মাজত যি তাৰতম্য দেখুৱা হ’ল, সেই তাৰতম্য অনেক সময়ত নাথাকে। অনেক সাহিত্যিকে বিষয় বস্তু অনুসৰি যথোচিত “টেকনিক” বাচিব নোৱাৰে। ইয়াৰ ফলতেই এই তাৰতম্য আঁতৰি যায়। লগতে সময় আৰু শক্তিৰ অপব্যয় হয়।

সাহিত্যৰ যি পাঁচোটা শ্ৰেণীগত বিভাগ দিয়া হল, তাৰ বাহিৰেও সচৰাচৰ সাহিত্যৰ আৰু দুটা ভাগ পোৱা যায়—ৰচনা আৰু সমালোচনা।

সমালোচনা ব্যৱহাৰ হয় দুটা অৰ্থত। প্ৰথমতে সমালোচনা অৰ্থত আমি বুজোঁ সহিত্য-দোকানত কোনো এখন কিতাপৰ মূল্যনিৰ্দ্ধাৰণ কৰা। দ্বিতীয়তে সমালোচনা অৰ্থত আমি বুজো কোনো এখন কিতাপ পঢ়ি মনত যি অনুভূতিয়ে স্থান পায়, তাৰ ৰূপ দিয়াত। প্ৰথম অৰ্থত সমালোচনা এবিধ সাহিত্য বিজ্ঞানহে, দ্বিতীয় অৰ্থত সমালোচনা এবিধ সৃষ্টিমূলক সাহিত্যই। এই অৰ্থত কিন্তু সমালোচনা সাহিত্যৰ কোনো বিশেষ শ্ৰেণীগত বিভাগ নহয়।

সেইদৰে ৰচনাও এটা শ্ৰেণীগত বিভাগ নহয়। যদিও বহুত লিখকৰ ৰচনাক আজি কালিৰ গদ্য কবিতাৰ ভিতৰত পেলাব পাৰি, তথাপি

সাহিত্যৰ সংজ্ঞা আমি যিদৰে দিছোঁ, সেইফালৰপৰা চাবলৈ গলে আজি কালি কাগজ-পত্ৰত যিবিলাক ৰচনা নামেৰে প্ৰবন্ধই দেখা দিয়ে, সেই-বিলাকৰ বহুতে সাহিত্য নামকে পাব নোৱাৰে। এইবিলাকৰ বিষয়-বস্তু দেখা যায়, ৰসাল ভাষাত কৰা কোনো এটা বস্তুৰ গুণাগুণ। অথচ আগতে কোৱা হৈছে, সাহিত্যৰ বিষয়-বস্তু অনুভূতি ভিন্ন আন একো হব নোৱাৰে। শিক্ষামূলক খেলাৰদৰে সাহিত্যৰ উদ্দেশ্য নিশ্চয় ৰসাল জ্ঞানেই নহয়। সাহিত্য জ্ঞানো ভাষাৰ সহায়েৰে কৰা এটি আনন্দ দায়ক জ্ঞানপূৰ্ণ সৃষ্টিয়েই?

ৰচনাক এনে সন্দেহৰ চকুৰে যে আমিয়ে চাইছোঁ এনে নহয়। "Introduction to the Study of Literature" বোলা কিতাপত ইংৰাজ সাহিত্যিক হাড্‌চনেও ইয়াক সেই একে সন্দেহৰ চকুৰে চোৱা দেখা যায়।

সাহিত্যৰ প্ৰয়োজনীয়তা সম্বন্ধে অনেকে আজিকালি সন্দেহ কৰে। তেওঁলোকৰ মতে জীৱন সংগ্ৰামৰ এই কঠোৰতাৰ দিনত সাহিত্যৰ প্ৰয়োজন নাই। বিশ্ৰাম উপভোগ কৰিবৰ কাৰণে ছিনেমা আছে, ফুটবলো আছে, চিন্তা-ভাবনাৰ কাৰণে আছে বিজ্ঞান, ৰাষ্ট্ৰ-নীতি; সাহিত্যৰ ঠাই ক'ত?

সাহিত্যৰ মূল্য

তেন্তে সাহিত্যৰ প্ৰয়োজন সঁচাই নাই নেকি?

সাহিত্যৰ যেতিয়াই প্ৰথম সৃষ্টি হয়, তেতিয়াই সাহিত্যৰ প্ৰয়োজন স্বীকৃত হৈছে। সাহিত্যিকে যেতিয়াই এনে এটা ভাৱ প্ৰকাশ কৰিব খোজে, যাক ৰাষ্ট্ৰ-নীতি বা বিজ্ঞান শাস্ত্ৰত প্ৰকাশ কৰিব নোৱাৰি, তেতিয়াই সাহিত্যৰ সৃষ্টি হয়। আন ঠাইত প্ৰকাশ কৰিব নোৱাৰা অনুভূতি প্ৰকাশৰ কাৰণেই সাহিত্যৰ আৱশ্যকতা।

সাহিত্যৰ প্ৰয়োজন দেখা যায় সংস্কৃতিৰ প্ৰয়োজনৰ ফালৰপৰাও। উপভোগ কৰিবপৰা শক্তিৰ পৰিবৰ্দ্ধনৰ চেষ্টাই সংস্কৃতিৰ উদ্দেশ্য।

জীৱনৰ ধৰণ এনেকুৱা যে, সি সদাই তৃপ্তিৰ কাৰণে চেষ্টা কৰে। তেনে নকৰাকৈ ই কোনো দিনে থাকিব নোৱাৰে। কিয় নোৱাৰে তাৰ উত্তৰ দিয়াৰ ভাৰ দাৰ্শনিকৰ। আমি মাত্ৰ জানো অনন্ত তৃপ্তিৰ অৰুণ চুম্বনৰ মাধুৰী পিবলৈ যাত্ৰা কৰাটোৱেই জীৱনৰ গুণ। এনে যাত্ৰা জীৱনৰ স্বাভাৱিক আৰু এৰাব নোৱাৰা কাৰ্য্য। এই যাত্ৰাৰেই আন এটি নাম সভ্যতা। মানুহ সভ্যতাৰ উচ্চ জখলাত উঠে সংস্কৃতিৰ সহায়েৰে। ইয়াৰ কাৰণেই মানুহে দিনে দিনে তৃপ্তিৰ পৰিধি বঢ়াবলৈ সমৰ্থ হয়। সাহিত্যও সংস্কৃতিৰে এটা ফাল। ইয়াৰ কাৰণে মানুহৰ কল্পনা, মানুহৰ ইন্দ্ৰিয়, দিনকদিনে তীক্ষ্ণতৰ হয়, আৰু তেতিয়াহে প্ৰকৃত তৃপ্তি উপভোগ কৰিবৰ শক্তি বাঢ়ে। এই পিনৰ পৰা সাহিত্যৰ দান অশেষ।

ছিনেমা আদিতো যে মানুহে এনে সুবিধা নাপায়, এনে নহয়। আচলতে ছিনেমা এবিধ সাহিত্যই। ছিনেমাক চিত্ৰ-সাহিত্য বোলাত একো আপত্তি থাকিব নোৱাৰে। গ্ৰন্থ পঢ়িলেহে যে সাহিত্য পঢ়িব পাৰি তাৰ একো অৰ্থ নাই। চাৰণৰ মুখে মুখে শুনিয়ে মানুহে এসময়ত হোমাৰৰ কবিতা উপভোগ কৰিছিল। আজি কালিও নিৰক্ষৰ মানুহে জ্ঞানী লোকৰ আলম লৈ সাহিত্য-তৃষ্ণা নিবাৰণ কৰে। তথাপি নানা কাৰণত এতিয়াও সাহিত্য গ্ৰন্থৰ আৱশ্যক আছে। ছিনেমা আদিত যি "টেক্‌নিক" ব্যৱহাৰ কৰা হয়, তাৰে জীৱনৰ সকলো অনুভূতিকে, অনুভূতিৰ সকলো অৱস্থাকে ৰূপ দিব নোৱাৰি।

এৰিষ্টটলৰ সেই "Man is a Social Animal" বোলা পুৰণি কথা শাৰীত সাহিত্যৰ আন এটা আৱশ্যকতা পোৱা হয়। সমাজত থাকিলে তৃপ্তি পোৱা যায়, এই কথা জানে বুলিয়ে মানুহ এটা সামাজিক জন্তু। ইয়াৰ ফলতেই মানুহে আনৰ লগত কথা পাতি আনন্দ পায়, ইচ্ছা কৰে নিজৰ মনৰ ভাব আনৰ আগত প্ৰকাশ কৰিবলৈ। সেই

প্ৰকাশৰ চেষ্টাই সাহিত্যৰ জন্মদাতা। সংস্কৃত শাস্ত্ৰতো সাহিত্যৰ অৰ্থ এই দেখি ব্যাখ্যা কৰা হয় 'সহিত যোগ ৰুয্য' বুলি।

মনৰ ভাব প্ৰকাশৰ আনন্দতেই আনন্দৰ শেষ বুলিব নোৱাৰি। যাক বুজিব নোৱাৰি, তাক বুজাৰ আনন্দও সাহিত্যিকে পায়। সাহিত্যিকৰ এই আনন্দ এক হিচাপে মুক্তিৰ আনন্দ। অশৰীৰী অনুভূতিৰ সমষ্টিগত ৰূপ দিব পৰা নিজ সৃষ্টি ক্ষমতাৰ সজ্ঞান পৰশত সাহিত্যিকে যি আনন্দ পায়, সেই আনন্দ অজ্ঞানতাৰ দুঃসহ কষ্টৰপৰা পোৱা মুক্তিৰ আনন্দ। নিজৰ এই ক্ষমতাৰ গৌৰৱত সাহিত্যিক সদায় আপ্লুত, সদায় আনন্দৰ মৌন ভাবত আত্মহাৰা। সাহিত্য-সৃষ্টিৰ লোভ এই দেখিয়েই সাহিত্যিকৰ কাৰণে ইমান দুৰ্দমনীয়।

সাহিত্যিকে সাহিত্য সৃষ্টি কৰি আন ধৰণৰ আনন্দ এবিধো পাবলৈ সমৰ্থ হয়। সেইটো হৈছে নিজৰ এক স্বাভাৱিক অভাৱ পূৰণৰ আনন্দ। মনোবৈজ্ঞানিকৰ মতে মানুহৰ স্বাভাৱিক অভাৱ যি কেইটা আছে, তাৰে ভিতৰত প্ৰাধান্যপ্ৰিয়তাও এটা। সাহিত্যিকে সাহিত্য সৃষ্টি কৰি সেই অভাৱ তৃপ্তিৰো সুযোগ পায়।

আন আন আৰ্টবোৰে সাহিত্যও সভ্যতাৰ চিহ্ন আৰু উপায়। স্বৰ্গৰ ৰজা ইন্দ্ৰ হোৱাৰ কাৰণ একোৱেই নহয়, কেৱল যে তেওঁ King of Rhythm—তেওঁ সুৰময়, তেওঁ অসুৰ নহয়। জীৱনী শক্তিৰ প্ৰকৃত নৃত্য বা গতি বুজি উঠিছে বুলিয়েই তেওঁ সভ্য আৰু তেওঁ দেৱতা-সকলৰ ৰজা। জীৱনী শক্তিৰ প্ৰকৃত নৃত্য অৰ্থত আমি বুজো অনুভূতি উপলব্ধিৰ কাৰণে কৰা জীৱনী শক্তিৰ গতি, অমৰত্বৰ উদ্দেশ্য কৰা জীৱনী-শক্তিৰ লাস্যময় যাত্ৰা। নাচোনৰ অৰ্থ যেনেকৈ অনুভূতি-উপলব্ধিৰ বাবে কৰা গতি, সেইদৰে আন আন আৰ্টৰ অৰ্থও এই অনুভূতি-উপলব্ধিৰ বাবে কৰা চেষ্টা। সেই চেষ্টা কৰি তৃপ্ত হয় আৰ্টিষ্ট, তৃপ্ত হয় সাহিত্যিক।

আনপিনে তেওঁলোকৰ সৃষ্টিৰ ফলতেই পাঠক, দৰ্শক, শ্ৰোতা আদিয়েও পায় সেই একে তৃপ্তিৰ পৰশ আৰু জীৱনৰ প্ৰকৃত মৰ্ম বুজাৰ সেই একে জ্ঞান।

এইবোৰ কাৰণত সাহিত্য চৰ্চা কৰাটো মঙ্গলৰ কথা। অসমীয়া ভাষাত কিন্তু সাহিত্য চৰ্চাৰ দুকুলদঙা ধল এতিয়াও অহা নাই। যদি কোনো দিন অসমীয়া সাহিত্যৰ গছডালি ফল-ফুলে জাতিকাৰ হয়, সেইদিনা প্ৰত্যেক অসমীয়াই নিজকে নিজে নিশ্চয় সৌভাগ্যৱান বুলি ভাবিব, নিজৰ বিদ্যা-বুদ্ধিৰ উৎকৰ্ষত হয়তো নিজেই তবধ মানিব আৰু নিজকে অসমীয়া বোলাই বেলেগে বৰ্ত্তি থকাৰ ফলাফলো সিদিনাহে দেখা পাব। তেনে দিন যদি কোনো কালেই নাহে, আৰু আহিলেও যদি প্ৰত্যেক অসমীয়াই সেইদিনা বেলেগ কোনো ব্যক্তিগত লাভ নাপায়, তেনেহলে বুজিব লাগিব যে, ইমান দিন অসমীয়া জাতি হৈ বেলেগে বাস কৰাৰ শ্ৰমো বৃথাই গ'ল।

"ফিৰিঙতি"ৰ বিষয়

লিখকে গদ্য কবিতামূলক বৰ্ত্তমান কথিকাৰ নাম দিছে "ফিৰিঙতি"। সেই ফিৰিঙতি যে হাতুৰীৰ দাৰুণ কোবত লিখকৰ কমাৰশালৰূপী প্ৰাণৰপৰা উফৰি অহা ভাবৰ ফিৰিঙতি, তাক কোৱাই বাহুল্য। সেই ফিৰিঙতিৰ গুণ-কীৰ্ত্তনৰ বা সাহিত্যৰ ফালৰপৰা তাৰ মূল্য কিমান, তাৰ বিচাৰৰ ভাৰ বৰ্ত্তমান ভূমিকা লিখকে লবলৈ ইচ্ছা নকৰে। তেনে অসামৰ্থ্যৰ মূলত লিখক আৰু ভূমিকা লিখকৰ মাজত অকল ভ্ৰাতৃত্ব নহয়, বন্ধুতাৰো যি সম্পৰ্ক আছে, সেই সম্পৰ্কৰ বান্ধোন। তেনে বিচাৰৰ ভাৰ প্ৰত্যেক পাঠকৰে আছে বুলি ভাবি লোৱাটোও ন্যায়সঙ্গত।

ফিৰিঙতি এখন নতুন ধৰণৰ গদ্য কবিতাৰ পুথি। অন্তন্তে ইয়াৰ দুই এটা প্ৰবন্ধ বিশ্লেষণ কৰিলে গদ্য কবিতাৰ শ্ৰেণীত নপৰিবও পাৰে। এক হিচাপে চাবলৈ গলে এইখন অতি আধুনিক সাহিত্যৰ প্ৰথম পুস্তকেই নাইবা প্ৰথম পুস্তকবিলাকৰ ভিতৰৰে এখন। গদ্য কবিতাৰ পিনৰপৰা চাবলৈ গলেও সেই একে কথা খাটে। এইবিলাক কাৰণে বৰ্ত্তমান কিতাপখনৰ মূল্য কিছু আছে। আনপিনে সৃষ্টিৰ পিনৰপৰা চাবলৈ গলেও ই তেনেই মূল্যহীন নহয়।

সকলো আৰ্টৰেই প্ৰধান কথা হৈছে সৃষ্টি। নতুন নতুন কথাৰ, নতুন নতুন কল্পনাৰ, নতুন নতুন অলঙ্কাৰ সৃষ্টি কৰিব নোৱাৰিলে কোনেও প্ৰকৃত আৰ্টিষ্ট নাম পাবৰ উপযুক্ত নহয়। সদাই শুনি থকা, সেই "তিলফুল সম" নাক, সেই ডম্বৰু ককাল, সেই পূৰ্ণিমাৰ জোন— এই সকলোৱে মানুহৰ প্ৰাণত ঠিকদৰে ঘা দিব নোৱাৰে। মান্ধাতাৰ দিনৰপৰা একেসোপা কথাকে শুনি শুনি পাঠক সমাজে এইবোৰত বিচলিত হবৰ আৰু একো নেদেখে। ইমানতো আৰ্টিষ্টে সেইবিলাক বাক্য, কথা আৰু কল্পনাকে ব্যৱহাৰ কৰিলে তেওঁৰ আৰ্টৰ ওপৰত বা তেওঁৰ ৰসসৃষ্টি কৰিব পৰা দক্ষতাৰ ওপৰত আমি সন্দেহ কৰিব লগীয়া হওঁ। প্ৰথমতে যি নাকক "তিলফুল সম" নাক বোলে, তেওঁ নিশ্চয় আৰ্টিষ্ট। কিন্তু পাচৰ কবি সকলোৱে যদি নাকৰ সৌন্দৰ্য্যৰ কথা সেইদৰেই লিখে, তেওঁ কোনোমতে আৰ্টিষ্ট হব নোৱাৰে। ইপিনে যুগে যুগে পাৰিপাৰ্শ্বিকতাৰ প্ৰভাৱ হেতুকে যেই সেই যুগোপযোগী শব্দ, বাক্য, অলঙ্কাৰ, ছন্দ, কল্পনাতে মানুহ বিচলিত নহয়; আগৰ বাক্য, শব্দ, অলঙ্কাৰৰ বিচলিত কৰিবপৰা শক্তি বহুত পৰিমাণে কমি যায়। সকলো কথাৰ দৰেই, ভাব, ভাষা, অলঙ্কাৰ, কল্পনা আদিৰো ঐতিহাসিক বিকাশ আছে। আৰ্টিষ্টে সেই বিকাশৰ

কথা পাহৰিলে নচলে। আর্টিষ্টসকলে এই কথা পাহৰা হেতুকেই আমি আজি-কালিৰ বহুত কবিতাত আনন্দ উপভোগ কৰিব নোৱাৰা হৈছোঁ। এই একে কথা খাটে অসমীয়া গল্প সাহিত্যৰ বেলিকাও। ৰূপহী, মদাৰী, বিহুতলী আৰু সত্ৰৰ ভণ্ড কেৱলীয়া ভকত আদিয়েই আজি বহুদিনৰ পৰা অসমীয়া গল্প-সাহিত্যৰ প্ৰাণবস্তু হৈ আছিছিল; মাত্ৰ কিছুদিন আগৰপৰা লিখাৰ এই গতানুগতিক ধৰণৰ বিৰুদ্ধে এটা প্ৰতিক্ৰিয়া চলিছে। ই নিশ্চয় মঙ্গলৰ কথা। আর্টিষ্ট সকলে এটা কথা বুজি তেওঁলোকৰ সৃষ্টি-দক্ষতা বিবেচিত ভাৱে চলোৱা উচিত। তেনেদৰে চলাবলৈ হলে তেওঁলোকৰ সৃষ্টিশক্তিক সম্পূর্ণ মুক্তি দিব লাগিব, লিখাৰ গতানুগতিক ধৰণ এৰিব লাগিব।

এই গদ্য কবিতাৰ পুথিত আমি তেনেকুৱা সৃষ্টিশক্তিৰ স্ফুৰণ যথেষ্ট পৰিমাণে পাওঁ। উদাহৰণ স্বৰূপ "কি অৰ্থ তেনে"ৰ

"আজি কৃষ্ণা অমাৱস্যা ৰাতি
বিশাল অন্ধকাৰ সমুখত ৰাখি
শীতল বায়ুৰ চুমাটি খাই
এই একেটি কথাকে ভাবিছোঁ হায়।"

আঙুলিযাব পাৰোঁ। ইয়াত পূর্ণিমাৰ জোনৰ শুভ্ৰ জ্যোৎস্নাৰ পৰিবর্তে কৃষ্ণা অমাৱস্যা ৰাতিৰ বিশাল অন্ধকাৰ-প্ৰীতিহে দেখা পাওঁ। লগে লগে "শীতল বায়ুৰ চুমা" আৰু বিশৃঙ্খল ছন্দৰ শৃঙ্খলতাই এটি নতুন গভীৰ ভাব সৃষ্টিত সহায় কৰিছে। কৃষ্ণা অমাৱস্যা ৰাতি, শীতল বায়ুৰ চুমা, বিশৃঙ্খল ছন্দৰ শৃঙ্খলতাই—এই সকলোৱে লিখকৰ সৃষ্টিশক্তিৰ কিছু পৰিচয় দিছে। আনপিনে এইবিলাকে দিছে লিখকৰ অতি আধুনিক সাহিত্য ৰুচিৰো পৰিচয়। "মদৰ জীৱন" "কমৰেড"

"গোলাপফুলৰ বিছনা" "যন্ত্ৰচালিত চাকৰি" "ৰূপৰ চামুচ মুখত দি জন্ম গ্ৰহণ" "অসীম ইথাৰ সমুদ্ৰ" আদি কথাইও এই একে কথাকে প্ৰমাণ কৰে।

ফিৰিঙতিয়ে অতি আধুনিক ৰুচি সন্তুষ্ট কৰিব পৰাৰ আক দুটা কাৰণ আছে। প্ৰথমতে, লিখকৰ সকলো কথিকাতে আছে এটা বিদ্ৰোহৰ ৰাগিণী, সেই কথিকা লাগে প্ৰেমমূলকেই হওক। এই বিদ্ৰোহৰ কাৰণ দিবলৈ গলে ভাৰতৰ বৰ্ত্তমান পৰিস্থিতিৰ কথালৈ আৰু লিখকৰ ৰাজনৈতিক জীৱনলৈ মন কৰিব লাগিব। লিখক এজন বিদ্ৰোহী। তেওঁৰ জীৱনত ট্ৰেডিচনতকৈ (Tradition) আত্মবিশ্বাসৰ (Conviction) প্ৰভাৱহে বেচি। তেওঁ নিজৰ বিশ্বাসমতে চলিবলৈ কাকো পৰোৱাই নকৰে। লিখক এজন সমাজতন্ত্ৰী আৰু কংগ্ৰেছী লোক। এই কথা সকলোৱে জানে। বৰ্ত্তমান সময়ত প্ৰত্যেক ভাৰতবাসীৰ পক্ষে ভাৰতীয় সমাজ সংস্কাৰ আৰু ভাৰতৰ স্বৰাজেই হৈছে জীৱন-মৰণ সমস্যা। সেই দেখিয়েই বৰ্ত্তমান আমাৰ দেশত যি সমাজ ব্যৱস্থা, যি অৰ্থনৈতিক বৈষম্য, তাৰ বিৰুদ্ধে লিখকৰ কলম সদাই প্ৰস্তুত। এই কথিকাবোৰ বিশ্লেষণ কৰিলেও এই একে কথাকে পোৱা যায়। এনেকুৱা বিদ্ৰোহী প্ৰাণত তথাকথিত ধৰ্ম, ভগৱান বা ট্ৰেডিচন (Tradition) আদিয়ে বিশেষ প্ৰভাৱ বিস্তাৰিত কৰিব নোৱাৰে। সেই দেখিয়েই হবলা আন গতানুগতিক লিখকৰ দৰে এই কথিকাবিলাকত "ভগৱান" "আত্মা" আদি শব্দৰ কোনো চিন চাবো পাবলৈ নাই। মুঠ কথা, বৰ্ত্তমান কথিকাৰ মূলমন্ত্ৰ হৈছে, এই বিদ্ৰোহৰ। "ব্যৱধান", "আভিজাত্য" "কি অৰ্থ জেনে" আদি কথিকাত অকল লালসাই (Passion) নাই, ইহঁতৰ ভিতৰৰ মূল কথাটোৱেই হৈছে বিদ্ৰোহ। ইহঁত প্ৰত্যেকটোৱেই এক হিচাপে বিদ্ৰোহৰ ফিৰিঙতি। এই বিদ্ৰোহ হৈছে, ভণ্ডামিৰ বিৰুদ্ধে

বিদ্ৰোহ, ভীৰুতাৰ বিৰুদ্ধে বিদ্ৰোহ, সামাজিক বিধি ব্যৱস্থাৰ অত্যাচাৰৰ বিৰুদ্ধে বিদ্ৰোহ, ৰাজকীয় শাসন নীতি নিয়মৰ উৎপীড়নৰ বিৰুদ্ধে বিদ্ৰোহ। লিখকৰ মতে এই সকলোৱেই মানুহৰ অনুভূতিক বন্ধ কৰি ৰাখে। তেওঁ বিচাৰে এই বন্ধ অনুভূতিৰ মুক্তি আৰু সে মুক্তিৰ অৰ্থে বিদ্ৰোহ। কিন্তু সেই বুলি তেওঁ উশৃঙ্খল নহয় বা উশৃঙ্খ-লতা নিবিচাৰে। তেওঁ মাৰ্ক্সীয় (Marxist) ছছিয়েলিষ্ট; কিন্তু "এনাৰ্কিষ্ট" (Anarchist) নহয়। বিদ্ৰোহৰ সুৰ বাজি থকাত ফিৰিঙতিয়ে নিশ্চয় কিছুমান লোকক সন্তুষ্ট কৰিবলৈ সমৰ্থ হব। কিছু-মানৰ কাৰণে হয় তো এই বিদ্ৰোহৰ সুৰ বাজি থকা হেতুকেই ফিৰিঙতিৰ কথিকাবোৰ ব্যক্তিগত বিননি হলেও মধুৰ লাগিব। এই লোকসকলে হয়তো এই বিদ্ৰোহৰ সুৰ বাজি থকা নেদেখিলে ইয়াতে একো নীতি বা দৰ্শন বিচাৰি নাপালেহেঁতেন। ইপিনে নীতি বা দৰ্শন নেদেখি তেওঁলোক হয়তে ক্ষুব্ধ হৈ উঠিলেহেঁতেন। বৰ্তমান ৰাজনৈতিক বিপ্লৱৰ দিনত এই বিদ্ৰোহ নহলে তেওঁলোক তৃপ্ত হব জানো?

দ্বিতীয়তে, লিখকৰ অস্থিৰ ব্যক্তিত্বৰ (Dynamic personality) প্ৰকাশ এই কথিকাৰ সকলোতে পোৱা যায়। মটৰ কাৰ, ৰেলগাৰী, এৰোপ্লেন আদিৰ অস্থিৰ যুগত মানুহে ব্যক্তিত্বৰ অস্থিৰতাও ভাল পায়। সাহিত্যতো তেওঁলোকক লাগে এই অস্থিৰতাকে। ফিৰিঙতিত তেনেকুৱা অস্থিৰতা আছে। ইপিনে অস্থিৰতা প্ৰকাশ কৰোতেই লিখকৰ দক্ষতাও প্ৰমাণ পাইছে। ইংৰাজীত এটা কথা আছে, যাৰ অৰ্থ হৈছে—ব্যক্তিত্বই আৰ্ট। যদি সেয়ে হয়, লিখক যে এজন আৰ্টিষ্ট, তাত সন্দেহ নাই।

লিখকৰ এই অস্থিৰ ব্যক্তিত্বৰ কাৰণ বিচাৰিব খুজিলে আমি তৃষ্ণা বোলা কথিকাটিত তাক চাব লাগিব। এই অস্থিৰতাৰ কাৰণ হৈছে তেওঁৰ অসীম তৃষ্ণা, সেই তৃষ্ণাৰ তৃপ্তি তেওঁ বাহ্যিক জগতত বিচাৰে হয়, কিন্তু

নাপায়। এই অতৃপ্তিৰ পৰশত মানুহে জীৱনৰ মধুৰ শান্ত ফালটোৰ কথা তেনেই পাহৰি যায়। এই অতৃপ্তি হেতুকেই "ফিৰিঙতিত" ৱার্ডছৱার্থ বা আনাটোৰলাক্ৰান্স সাহিত্যৰ দৰে এটি নির্মল শান্তিৰ ৰস উপভোগ কৰিব নাপালেও আমি পাওঁ ৰহস্যবাদী আৰু আদর্শবাদী (mystic আৰ idealistic) শ্ৰেণীৰ সাহিত্যৰ যি ৰস, সেই একে ৰস। এই ৰসৰ মূলত, এই অতৃপ্তিৰ মূলত আছে শ্বেলীৰদৰেই লিখকৰ অনুভূতিৰ জীৱন।

আৰ্টিষ্ট হবলৈ হলে অনুভূতিৰ জীৱনৰ সোৱাদ পোৱাটো নিতান্তই দৰ্কাৰ। যি অনুভূতিৰ ৰূপ দেখা নাই, সি অনুভূতিৰ ৰূপক তৈয়াৰ কৰিব কেনেকৈ? যি লোকে তেনে সোৱাদ পাইছে সিহে আৰ্টিষ্ট হবৰ উপযুক্ত। সেই ফালৰপৰা চালে লিখকৰ গাত আৰ্টিষ্ট হবৰ উপযুক্ত গুণ অন্তত: কিছু আছে। তেওঁৰ জীৱনত যি ব্যথা-বেদনাৰ ধুমুহা বৈ গৈছে, তেনে ধুমুহা এনে কোমল বয়সত বহুতৰ ভাগ্যত নঘটে। হৃদয়ত তেওঁৰ তীব্ৰ অনুভূতি আছে আৰু সেই কাৰণেই সংসাৰৰ সৰু ডাঙৰ বিবিধ ঘটনাৰ যি ৰস, তাৰ আস্বাদন তেওঁ জীৱনত পাইছে।

বর্তমান কথিকাৰ পৰা লিখকৰ জীৱন বিশ্লেষণ :—

কোৰাণৰ সকলো কথাৰ ভিতৰত মোৰ সৱাতকৈ বেচি ভাল লাগে 'Man is a trustee of free personality which he accepted at his own peril" (কবি ইক্‌বলৰ 'Lectures' পৰা উদ্ধৃত) বোলা কথাষাৰ। এই যে মানুহৰ ব্যক্তিত্ব, এই যে "Ego," তাৰ কাৰণেই মানুহ ইমান মহৎ। ব্যক্তিত্ব প্ৰকাশৰ কাৰণে যি নেৰানেপেৰা যুঁজ, সেয়েই জীৱিত অৱস্থাৰ চিন। হব পাৰে, সেই যুঁজৰ হেচাত পৰি প্ৰাণ আকুলি-ব্যকুলি চিৎকাৰ কৰি উঠে; হব পাৰে নিৰাশাৰ শিল-বৰষুণৰ থেকেচাত দুৰ্বল মানৱ পৰাণ জৰ্জৰিত হয়; কিন্তু ইমানতো মানিবই লাগিব যে, এই যুঁজ,

এই নিৰাশাৰ শিল বৰষুণ আছে বুলিয়েই জীৱনৰ অস্তিত্ব আমি ইমান বুজি উঠোঁ। আনহাতে চাবলৈ গলে এই যে "মৰ্ম্মৰি মৰ্ম্মৰি" প্ৰাণৰ কান্দোন আৰু সেই কান্দোনৰ ফলত প্ৰাণত হোৱা ৰসৰ সৃষ্টি, তাৰ অনুপম সৌন্দৰ্য্যৰ তুলনা বাস্তৱিকে আমি কতো নাপাওঁ। দুখকষ্টৰ ভিতৰত সৌন্দৰ্য্যৰ তেনে সত্যতা আছে বুলিয়েই, ইমান হাই-উৰুমিৰ মাজতো ধ্ৰুব তৰাৰ দৰে মধুৰ সত্যৰ এটি শ্ৰেষ্ঠ আদৰ্শ এই দুখ কষ্টৰ মাজত লুকাই ৰৈছে বুলিলেই, জগতৰ প্ৰায় কবিয়ে ঘৃণা অপমান আদি সবাৰো দুৰূহ বোজাকো হাঁহিমুখে কান্ধ পাতি জীৱন যাপন কৰিবলৈ টান নাপায়। তেনে জীৱন যাপন কৰাত আমি পাওঁ আদৰ্শ উপলব্ধি কৰাৰ এক গোপন আনন্দ। তেনে দুখ বৰণতেই পোৱা যায় ব্যৰ্থকাম হৈও গোটেই জীৱন যুঁজ কৰি জীৱনৰ সমস্ত অনুভূতিকে উপভোগ কৰাৰ ব্ৰাউনিঙৰ সেই অপূৰ্ব পুৰুষোচিত আনন্দ :—

"I was ever a fighter so one fight more
The best and the last.
I would hate that death bandaged my eyes, and forbore
And bade me creep past.
No ! let me taste the whole of it, fare like peers
The heroes of old."

এই ব্যক্তিত্ব প্ৰকাশৰ কাৰণেই আমাৰ এই ক্ষুদ্ৰ জীৱনৰ অস্তিত্ব। এই ব্যক্তিত্বৰ যেতিয়ালৈকে সম্পূৰ্ণ প্ৰকাশ নহয়, তেতিয়ালৈকে অনুভূতিময় প্ৰাণতো শান্তি নাথাকে। তাৰ পৰিবৰ্তে প্ৰাণত দেখা দিয়ে গভীৰ কষ্ট আৰু প্ৰবল আকুলতাই। গোলাপ কলিটিয়ে যদি নিজৰ ৰূপ বিলাই নিজক প্ৰকাশ কৰিবলৈ অসমৰ্থ, তাৰ ব্যথাৰ অন্ত নিশ্চয় নাই। লিখকৰ প্ৰাণৰ কষ্ট সেয়ে :—

"মোৰ মনত দুখ এই বাবেই যে, এই কুসুম কলিটিৰ কেৰে এধান-মানি সৌন্দর্য্য নাপালে, কেৰে তাৰ ৰূপৰ এটি ক্ষীণ ধাৰণাও কৰিব নোৱাৰিলে। হাজাৰ দুখ-কষ্ট জ্বালা-যন্ত্রণাৰ মাজেদি গৈ হলেও যদি আধামৰা কুসুম কলিটিক সঞ্জীৱিত কৰি অলপমানো প্রস্ফুটিত কৰিব পাৰিলে হঁতেন, তেতিয়াও মোৰ মৰু জীৱনে শান্তি পালেহঁতেন। এই কুসুম কলিটিক লৈয়ে মই বিহ্বল হৈ পৰিছোঁ, নহলে তুচ্ছ জীৱনৰ নিচেই সাধাৰণ অস্তিত্বৰ প্রতি মোৰ কোনো মোহ নাই। ইয়াৰ কাৰণেই সংসাৰৰ ঘাত-প্রতিঘাত সহ্য কৰিও জীয়াই আছোঁ।"

লিখকৰ জীৱনত এই যে অপ্রকাশৰ বেদনা ইয়াৰ সত্যতাই সকলো কাব্যৰ মূল। অপ্রকাশৰ কষ্টই লিখকৰ একমাত্র কষ্ট নহয়, ইয়াৰ উপৰিও আকাঙ্ক্ষা উপলব্ধি কৰিব নোৱাৰাৰ যি কষ্ট, সেই কষ্ট লিখকৰ প্রতি শিৰে শিৰে প্রবাহমান। তাৰ ফলতেই লিখকৰ প্রাণৰ কান্দোন—

"আজি মোৰ দুখৰ হাঁহিটিও নাই। মুখ শুকাই নিস্তেজ হৈ পৰিছে। জীৱন মৰু হৈ উঠিছে। মোৰ দীঘল দীঘল উশাহ ওলাই ওচৰৰ বতাহকো বিষাক্ত কৰি তুলিছে। জীৱন সংগ্রামত সকলো হেৰুৱাই দীন হীন ভাৱে ইয়াতে পৰি আছোঁ। হয়তো এইদৰেই মোৰ শেষ সমাধি হৈ যাব, কোনেও নজনাকৈ, কোনেও নুবুজাকৈ, এই মৰুভূমিৰ তপত বালিৰ ওপৰতে। বন্ধু, কি কম দুখৰ কষ্ট, নিৰাশাত ছোৱা ক্লৈব্যতাই মোক চাৰিওপিনৰ পৰা ঢাকোঁ ঢাকোঁ, দৰিদ্রতাই মোক গ্রাস কৰোঁ কৰোঁ, বাধাৰ প্রকাণ্ড প্রকাণ্ড ধুমুহাই মোক ধূলিৰ লগত মিহলি কৰি দিওঁ দিওঁ।"

ক্ষমতা আছে, শক্তি আছে, সামর্থ্য আছে। তথাপি লিখকে ভাবে—তেওঁৰ কিয় এনে "outcast state"। তাৰ উত্তৰত লিখকৰ প্রাণ গৰজি উঠে—ৰাষ্ট্র, ধর্ম, সমাজ, অৱশেষত তথাকথিত "বড়লোকৰ" বিপক্ষে।

এনে সমমৰ্ত লিখকে চিঞৰি চিঞৰি হয়তো কবলৈ ইচ্ছা কৰে—

"আমি অন্যায়, আমি উল্কা, আমি শনি।
আমি ধূমকেতু জ্বালা, বিষধৰ কালফণি।
আমি বিদ্রোহী ভৃগু।
ভগৱানেৰ বুকে এঁকে দেবো পদচিহ্ন।
আমি খেয়ালী বিধিৰ বক্ষ কৰিব ভিন্ন।
আমি চিৰ বিদ্রোহী বীৰ।
আমি বিশ্ব ছাড়ায়ে উঠিয়াছি একা।
চিৰ উন্নত শিৰ।"

(কবি নজৰুল ইস্‌লামৰ "বিদ্রোহী"ৰ পৰা উদ্ধৃত)

লিখকেও সেই বিদ্রোহৰ গানকে গাইছে এই বুলি—

"বিদ্রোহ! বিদ্রোহী মই! বাধা নামানোঁ, বিধিনি নামানোঁ, নামানোঁ সংসাৰৰ অন্ধবিশ্বাস; নামানোঁ মই একোকে। এফালৰপৰা আজি প্ৰকাণ্ড প্ৰকাণ্ড বাধাৰ বেৰাবোৰ চূৰ্ণ-বিচূৰ্ণ কৰি ভাঙি যাম— বিদ্রোহৰ দাবানল আৰু বিদ্রোহৰ ধুমুহাবে। আজি মই পাগলাদিয়া নদীৰ দৰে সকলো ভাঙি-ছিঙি মথিমুৰ কৰি যাম আগবাঢ়ি। বহু যুগৰ পুঞ্জীভূত আবৰ্জনা, অত্যাচাৰী দানৱৰ যি সমাজ ব্যৱস্থা, ৰাষ্ট্ৰৰ যি শোষণ যন্ত্ৰ, ধৰ্মৰ যি ভণ্ডামি—এই সকলোবোৰৰে বিপ্লৱৰ দাবানলত আজি মই দিম ধ্বংস-যজ্ঞৰ প্ৰথম আহুতি। ধ্বংস লাগে মোক! কি আনন্দ! লাগে মোক বিপ্লৱ! বিপ্লৱতে মোৰ আনন্দ। বিপ্লৱৰ সন্তান মই। আজি মোৰ শিৰে শিৰে তপত তেজৰ উৎফুল্ল জয়ধ্বনি—"ইন্‌ক্লাব জিন্দাবাদ", "জয় বিপ্লৱীৰ জয়"। বিপ্লৱ দীৰ্ঘজীৱী হওঁক। মই উশৃঙ্খল, উদ্ধত আৰু ব্যভিচাৰী। উশৃঙ্খলতাৰে মই বিচাৰোঁ শৃঙ্খলা আৰু ব্যভিচাৰেৰে মই খোজোঁ কৰিব বিচাৰ প্ৰতিষ্ঠা।" (উতলা তেজ—কিৰিণতিৰপৰা উদ্ধৃত।)

প্ৰাণত ইমান কষ্ট, ইমান বিদ্ৰোহ থাকিলে সাংসাৰিক উদ্গতি—দুৰ্গতিৰ অৰ্থ বিচাৰি উলিওৱা অসম্ভৱ হৈ পৰে। সেয়ে অবিশ্বাসৰ ধোৱাঁত লিখকৰ হৃদয় প্ৰায়েই ধুৱঁলি-কুঁৱলি হৈ উঠে। লিখকে নিজেই নাজানে কি কৰিব, কি নকৰিব। একোবাৰ ভাবে দুখীয়া আৰু ব্যথাতুৰৰ বেদনাত নিজক পাহৰি যাব। একোবাৰ হয়তো ইচ্ছা কৰে বিশ্ব-ব্ৰহ্মাণ্ডৰ সমস্ত শক্তিকে বাইৰণৰদৰে প্ৰত্যাহ্বান কৰিবলৈ, একোবাৰ হয়তো ইচ্ছা কৰে মিলটনৰদৰে ৰাজনৈতিক পুস্তিকা লিখক হবলৈ, একোবাৰ ভাবে লেনিনৰ দৰে বিদ্ৰোহী হবলৈ বা জৱহৰলালৰ দৰে দেশনেতা হবলৈ, তাৰ পিচ মুহূৰ্ত্তে হয়তো শ্বেলীৰ "স্কাইলাৰ্ক"ৰ দৰে ইচ্ছা কৰে উৰি যাবলৈ সংসাৰৰ হাই-উৰুমিৰ পৰা বহু ওপৰলৈ। আন এসময়ত আকৌ "এটুপি চকুৰ পানী, এখনি সহায় হাত,"ৰ কাৰণে কীটছৰ ক্ষয়ৰোগগ্ৰস্ত জীৱনো ইচ্ছা কৰিবলৈ সঙ্কোচ নকৰে। মুঠতে গোটেই মন প্ৰাণ চঞ্চলতাৰ ধুমুহাত অৱসৰ। কি কৰিব, কি নকৰিব একোকে ভাবি নাপায়; কিয়নো অনুভূতিৰ ধৰ্মই এনেকুৱা। শান্তি বিচাৰে হয়, কিন্তু শান্তি পাব কেনেকৈ? প্ৰাণত যে অনুভূতিৰ উশৃঙ্খল অত্যাচাৰ।

ইমান অত্যাচাৰ, ইমান হতাশৰ মাজতো যে আশাৰ জিলিকনি নপৰে, তেনে নহয়, দুখৰ অন্ধকাৰৰ মাজতো শুনা যায় কাৰবাৰ খাৰুৰ ঝিনঝিনিৰ শব্দেৰে কৰা উদ্গনি। সেই থুনুক থানাক শব্দ শুনি লিখকে প্ৰাণত বল পায়। লিখকৰ সমস্ত বুকু এক অজান আনন্দত ভৰি উঠে। অন্তৰাত্মাৰ মৰমী ওঠ কঁপি কঁপি কাৰবাৰ গোলাপী চুমাৰ মৌ পিবৰ কাৰণে আগবাঢ়ি আছে। কি মাধুৰ্য্য সেই চুমাৰ। কবি জনৃছনৰ দৰে সমস্ত আত্মাই যেন এক মধুৰ সঙ্গীত তুনাই আওৰাবলৈ আৰম্ভ কৰে—

"Drink to me only with thine eyes
I will pledge with mine
Or have me a kiss but in the cup
I'll not look for wine.
The thirst that from the soul doth rise
Doth ask a drink divine
But might I of Jove's nectar sup
I would not change for thine."

("টু ছিলিয়া"'ৰ পৰা উদ্ধৃত)

নাইবা ওমৰ খৈয়ামৰ দৰে :—

সেই নিৰলাত থাকিম নিজনে
কাষত তোমাৰ মধুৰ গান
ৰুটি এটুকুৰা সুৰাৰ পিয়লা
কবিতা কুঁৱৰী আকুল প্ৰাণ।

(কবি দুৱৰাৰ অনুবাদৰ পৰা উদ্ধৃত)

বিশেষ আৰু কি, লিখকৰ নিজৰ ভাষাতেই—

"বেচি কব নাজানোঁ, মাথো কব পাৰোঁ এই সাক্ষাৎটো মোৰ ভাল লাগে। ঠিক সদায় এইদৰেই তেওঁক এইখিনি ঠাইতে মোৰ বাস্তৱ নয়নেৰে চাব খোজোঁ। মোৰ বাস্তৱ নয়নৰ মোহ তেওঁৰ পাৰ্থিৱ সামগ্ৰীৰ কোনটোত, তাক মই কব নোৱাৰোঁ; কিন্তু মই মাথোন জানোঁ যে এই সাক্ষাটো মোৰ অতি প্ৰিয়। এই সাক্ষাতৰ বতাহ লাগিয়ে হোলি উৎসৱৰ ফাকুৱাৰ ৰং লাগি ৰঙা ৰঙেৰে ভিজি উঠিছে মোৰ জীৱন।"

(সাক্ষাৎ—ফিৰিঙতিৰ পৰা উদ্ধৃত)

মুঠতে জীৱনৰ ইমান হাই-উৰুমিৰ মাজতো শুনা যায় প্ৰেমদেৱতাৰ "পৰাণ—পৰশি-মৰম-সুহুৰি।" সেয়েহে ইমানতো ঘোৰ অন্ধকাৰৰ মাজতো, লিখকে নিজৰ বাট বাছি লবলৈ সুবিধা নাপায়, প্ৰেমৰ যি জিলিকনি, তাৰ প্ৰভাৱত সকলো দুখ কষ্টৰ কলা ডাৱৰ আঁতৰি যাবলৈ বাধ্য হয়। তেনে জিলিকনি পৰে বুলিয়েই, থমকি থমকি কৰৰাবপৰা অহা উৎসাহৰ বানপানীয়ে মৰুভূমিৰ শুষ্কতা ডুবাই দিয়ে বুলিয়েই, ইমানতো লিখক আছে স্থিৰ ভাবে জীয়াই আৰু সেই দেখিয়েই ইমান বাধাৰ মাজতো নিজৰ আকাঙ্ক্ষা পূৰ্ণতাৰ ইচ্ছা এতিয়াও লিখকৰ মনৰ পৰা যোৱা নাই। ইমানতো আছে লিখকৰ প্ৰাণত বেগৱতী নিজৰাৰ কলৰৱ—

"কেনৰে বিধাতা পৰাণ হেন
চাৰিদিকে তাৰ বাধন কেন।
ভাঙৱে হৃদয় ভাঙৱে বাঁধন
সাধকে আজিকে প্ৰাণেৰ সাধন্॥"

("কবীন্দ্ৰ ৰবীন্দ্ৰৰ নিৰ্ঝৰেৰ স্বপ্নভঙ্গ"ৰ পৰা উদ্ধৃত)

আশাৰ এনে মায়া-মৰীচিকাৰ ফলাফল আন যিয়েই নহক, লিখকে ইয়াৰ ফলতেই প্ৰৱল-ধুমুহাৰ মাজতো নিজৰ জীৱন-তৰণি বতৰ ফৰকাল নোহোৱালৈকে চলাই থাকিবলৈ সমৰ্থ হৈছে। আনিক শেষত নিৰাশাৰ যি কষ্ট তাৰ চিন পৰ্য্যন্ত লিখকৰ জীৱনত বিচাৰি পাবলৈ টান হৈ পৰে। "উত্তিষ্ঠত জাগ্ৰত প্ৰাপ্য ৰৰান্নিবোধত" ৰ উৎসাহ বাণীৰে অদম্য প্ৰেৰণাৰ এক নতুন আবেগত লিখকে জীৱনক কৰ্মৰ স্ফূৰ্তিত উটাই দি নিশ্চিন্ত হবলৈ আকৌ সুবিধা পায়।

চমু কথাত কবলৈ গলে "ফিৰিঙতি"ৰ কথা ইমানেই। ব্যৰ্থতাৰ দাৰুণ কষ্টই ইয়াৰ জন্মগ্ৰহ। এনে ব্যৰ্থতা, এনে কষ্ট, এই সকলোকে যে জীৱনত সহ্য কৰিব নোৱাৰি এনে কথা আমি নকওঁ। আনপিনে

এই ব্যথা বেদনা, ইইঁতৰ যদি কোনোবা মূল্য বুজোতা থাকে, তেতিয়া হলেতো সেই কষ্ট সহ্য কৰাৰ কথাই নাই। লিখকৰ জীৱনতো সেই দুঃখ-কষ্ট বাজিৰ মূল্য বুজোতা এজনা আছিল আৰু সেই জনাই আছিল তেওঁৰ স্বৰ্গীয়া ভনীয়েকৰ আৰু ভূমিকা লিখকৰ স্বৰ্গীয়া বাইদেৱেক। লিখকেও আদৰৰ ৰঙতে তেওঁক "বাইদেউ" বুলিয়ে মাতিছিল। লিখক আৰু তেওঁৰ বাইদেউৰ মাজত স্নেহৰে নহয়, আদৰ্শৰো যি নিগূঢ় সম্বন্ধ তাক কৰলৈ গলে অবাস্তৱ ব্যক্তিগত কথাৰ পাতনি মেলা হয়। ইমানকে কলেই যথেষ্ট হব যে, লিখকৰ কাৰণে তেওঁৰ বাইদেৱেক আছিল সঙ্গী, বন্ধু, আনকি তেওঁৰ প্ৰেৰণাও।—আচৰিত কথা এই যে ইমানতো তেনে বাইদেৱাকক হেৰুৱায়ো লিখক প্ৰকৃতিস্থ হৈ থাকিব পাৰিছিল। জীৱনৰ সকলো অৱস্থাতে এনে খাপ খাব পৰা গুণ দেখিলে অকল যে আচৰিতেই হোৱা যায় সেয়ে নহয়, লগতে সুধিবলো মন যায়—কিয় সেই অসপূৰ্ণতা—কিয়—?

"হেথাই যে অসম্পূৰ্ণ, সহস্ৰ আঘাতে চূৰ্ণ বিদীৰ্ণ বিকৃত
কোথাও কি একবাৰ, সম্পূৰ্ণতা আছে তাৰ জীবিত কি মৃত ?"
(কবিন্দ্ৰ ৰবীন্দ্ৰৰ লিখাৰপৰা উদ্ধৃত)

দৈনন্দিন জীৱনত এই অসম্পূৰ্ণতা আছে বুলিয়েই আৰ্টিষ্টৰ চকুত এই জীৱন এটা "ট্ৰেজিক" নিষ্ফলতা। দৈনন্দিন জীৱনৰ যি প্ৰেম, সি কিয় অনন্ত নহয় ? এনে নহয় বুলিয়েই আৰ্টিষ্টৰ কাৰণে তেনে জীৱন এটা ঘৃণনীয় বস্তু। আৰ্টিষ্টে তেনে জীৱন কোনো দিনেই নিবিচাৰে। সেয়ে লিখকৰ জীৱনত দেখো :—

"দীনতা যদি আছে তাত লাজ নাই। উচ্চ ৰাখিম শিৰ মোৰ ! দীন হব পাৰোঁ মই কিন্তু হীন নহওঁ। সুখৰ আস্বাদ যদি নাপাওঁ,

তাতো দুখ নাই; ধৈৰ্য্য নেহেৰুৱাওঁ। দুখৰ গধুৰ বোজা যদি কান্ধত লব লাগে, কোনো কথা নাই; আনন্দেৰে লম। বুকু ফিন্দায়ে থিয় হৈ থাকিম।”

—ধৰণৰ দৈন্যতাৰ প্ৰতি অৱজ্ঞাৰ এক ‘কুচ্’ পৰোৱা” ভাব।

লিখকৰ বিষয় এইবোৰ কোৱাৰ অৰ্থ আৰু একোৱেই নহয়, কেৱল জীৱনৰ পৰিবৰ্তনৰ কাল এটাত কি যে থেকেচা পোৱা যায়, তাকে পাঠক সমাজৰ আগত দাঙি ধৰাটোহে—কিজানি লিখকৰ নগণ্য জীৱনৰ পৰাও কোনোবাই এফেৰি জ্ঞান, এফেৰি উপকাৰ পায়েই।

শ্ৰীপ্ৰবোধচন্দ্ৰ গোস্বামী

THE NABIN BARDOLAI HALL & LIBRARY
-2 DEC 1958
GAUHATI

THE NABIN BARDOLAI HALL & LIBRARY
-2 DEC 1958
GAUHATI

ফিৰিঙতি

অভাৱ

গভীৰ অৰণ্যৰ মাজত ফুল ফুলে—তাৰ অপৰূপ ৰূপৰাশি লৈ, সুগন্ধৰ সঁফুৰা অম্লান বদনে মুক্ত কৰি, আৰু সকলোকে স্বাগত সম্ভাষণ জ্ঞাপন কৰি। কিন্তু সেই স্বাগত সম্ভাষণ গ্ৰহণ কৰিবলৈ অৰণ্যত কোনো নাই। তাৰ আকুল আহ্বান অনন্তত ব্যৰ্থ ভাৱে লীন হৈ যায়।

প্ৰকৃতিৰ বসন্ত যেতিয়া আহিল বাগিচাত থকা ৰঙা গোলাপ ফুল জোপাত কত সুন্দৰ সুন্দৰ ফুলৰ কলিৰ আৱিৰ্ভাৱ হল, তাৰ লেখ নাই। কি সুন্দৰ সুন্দৰ ফুলৰ কলিৰ

থোপাবোৰ! কিন্তু তাৰ কিছুমানক নিষ্ঠুৰ পোকে কামুৰি নষ্ট কৰিলে। কিছুমানক আকৌ ধুমুহা-বতাহে শিলে ভাঙি চূৰ্ণ-বিচূৰ্ণ কৰি দিলে। কিছুমান প্ৰবল বৃষ্টিৰ টোপালৰ আঘাতত পচি সৰি গ'ল। কিছুমানে 'আকৌ প্ৰখৰ ৰদৰ তাপত লেৰেলি শুকাই নষ্ট হ'ল। এইদৰে অজস্ৰ অজস্ৰ ফুলকলি ফুলি উঠি তাৰ সৌৰভ দান কৰিবলৈ নৌপাওঁতেই আধা ফুলা হৈয়েই মাজ বাটতেই চিৰকাললৈ লয় পালে।

এই অলেখ ফুলৰ কলিৰ ভিতৰত মাথোন কেইটামান ফুলকলি ফুলি উঠিল তাৰ পূৰ্ণ বিকাশ কৰি। তাৰ সৌন্দৰ্য্যত সকলো মুগ্ধ হ'ল, আকুল হ'ল তাৰ সুগন্ধৰ মধুৰতাত। কোনোবা প্ৰেমিকে নি তাক দিলে প্ৰিয়তমাৰ হাতত তুলি। প্ৰিয়াই সেই ৰক্ত গোলাপৰ সৌন্দৰ্য্যত আত্মহাৰা হল। চুমা খাই অতি যত্নে সজাই ৰাখিলে নিজৰ শয়ন-কক্ষৰ টেবিলত থকা সোণৰ ফুলদানীত। এনে আদৰ, এনে যত্ন, এনে সৌভাগ্য ঘটিল এই গোলাপ ফুলৰ ভাগ্যত।

কিন্তু সেই যে অজস্ৰ কলিবিলাক লয় পালে, সেইবিলাকৰ কথা এবাৰ ভাবাঁচোন! সেই কলিবিলাকো যে এনে সন্মান এনে আদৰৰ যোগ্য নহলহেঁতেন, এনে নহয়; হয়তো এইদৰে অৱস্থাৰ অত্যাচাৰত নপৰা হলে এইবিলাক ফুলতকৈও বেচি পূৰ্ণতাৰে সিহঁত প্ৰফুল্লিত হৈ উঠিলহেঁতেন! আৰু, সেই গভীৰ অৰণ্যৰ অপূৰ্ব্ব

সৃষ্টিৰ মহৎ ফুলবিলাক দেখা পালে তুচ্ছ জ্ঞানে ঘৃণা কৰি এই গোলাপক কোনেও এবাৰ স্পৰ্শকে নকৰিলেহেঁতেন।

তথাপি এইবোৰ নিষ্ঠুৰতাৰ লীলা কিয়? অভাৱেই সকলোৰে প্ৰকাশৰ অন্তৰায়। প্ৰতিভাৰ বাধা হৈছে অভাৱ। হয়তো সুযোগ সুবিধাৰ অভাৱতেই সেইবিলাকৰ প্ৰকাশ নহল, প্ৰচাৰ নহল।

সাগৰৰ তলৰ মানিক সাগৰতে লুকাই থাকিল। কোনোবা মানিক তোলা জালোৱাৰ অনুগ্ৰহত কেইটামান মানিকে বাহিৰ ওলাব পাই জগত মোহিত কৰিলে আৰু সেইবিলাকৰে একেলগৰ অজস্ৰ মানিক সাগৰৰ তলতে আন্ধাৰত লুকাই থাকিল।

তেন্তে দোষ কাৰ? এই প্ৰশ্ন জটিল। ইয়াৰ উত্তৰ অজ্ঞাত। কব নোৱাৰি কিহে এই সমস্যা দূৰ কৰিব।

অব্যক্ত সুৰ

তথাকথিত ভাল-বেয়া কত লোকৰ লগত নানান কাজত লাগি থাকোঁতেই মোৰ তৰুণ জীৱনৰ মুহূৰ্তবোৰ উৰি যাব লাগিছে। এই যে মোৰ ব্যস্ত জীৱন, ইমানতো মোৰ হৃদ্‌বীণাত বাজি উঠে এক অপূৰ্ব্ব সুৰ। সেই সুৰৰ ৰাগিণীৰ নিচাতে মই আপোন পাহৰা। সংসাৰৰ নানা ঘাত-প্ৰতিঘাত, ব্যথা-বেদনা আৰু জীৱন-সংগ্ৰামৰ জ্বালা-যন্ত্ৰণাত যেতিয়া মোৰ হৃদয় অস্থিৰ, তেতিয়াও মোৰ ক'লা ওঁঠৰ মাজেদি ফুটি উঠে এক বাহ্যিক হাঁহি, অনন্ত আকাশত সি যায় লীন হৈ। কোনেও নাজানে মোৰ ব্যথা-বেদনাৰ কথা, কোনেও নুবুজে মোৰ হাঁহি। চিৰন্তন ৰীতিৰ মূল-ধাৰাৰ এই যে জীৱন-প্ৰবাহ, সি নিজৰাৰ দৰে অবিৰাম বৈ আছে, যন্ত্ৰচালিত চকৰিৰ দৰে দৈনিক তুচ্ছ কৰ্ত্তব্য-অকৰ্ত্তব্যবোৰ কৰি ব্যস্ত থাকোঁতেই মই। সেই বৃদ্ধ-ত্বৰ ফালেই গৈছোঁ মই আগবাঢ়ি যি বৃদ্ধত্বই মোৰ যৌৱনক ধ্বংস কৰিব! মোৰ তৰুণ প্ৰাণৰ, তৰুণ প্ৰেৰণা, তপত হিয়াৰ তপত উৎসাহ সকলো লুকাই থাকে, সকলো দিনে দিনে ক্ষয় হৈ যায়।

নৱ-যৌৱনৰ আবেশত আপ্লুত যেতিয়া, তেতিয়াও হয়তো নীৰস নিতান্ত ক্ষুদ্ৰ ক্ষুদ্ৰ কামতেই ব্যতিব্যস্ত মই। জীৱন-বসন্তৰ দক্ষিণ-বতাহৰ প্ৰীতি-পৰশত পুলকিত হৃদয়ৰ যি আনন্দাৱেগ আৰু যৌৱন-বন্যাৰ যি বিৰাট উৎসৱ আছে, তাতো যোগ দিবৰ

মোৰ এফেৰি সময়, এটি সুযোগ নোলায়। সুখৰ মাজতো দুখ মোৰ তেতিয়া।

গভীৰ ৰাতি অকলে অকলে আন্ধাৰ কোঠাত যেতিয়া কঠিন শয্যাত শুই থাকোঁ, তেতিয়া হঠাতে সপোন দেখি সাৰ পাওঁ মই। তেতিয়াই হয়তো এফেৰি সময় পাওঁ। তেতিয়াই শান্ত নীৰৱ হিয়া আৱেশত উঠলি উঠে মোৰ। মোৰ ভাব তেতিয়া অনন্ত, ভাষা তেতিয়া মৌন। বুকু ফুটিলেও মুখ নুফুটে মোৰ তেতিয়া। উদ্বেলিত হিয়াৰ ভাবো থাকে আন্ধাৰৰ দৰে আন্ধাৰতে, ফুটি নুঠে তাৰ প্ৰতিভা। সেই ছবিও থাকে আন্ধাৰৰ আঁৰালত লুকাই আৰু সৌৰভো থাকে অন্তৰৰ মাজতে বন্ধ হৈ।

ৰাতিপুৱা আকৌ নিতান্ত সেই পুৰণি কাৰ্য্যৰে পুনৰাবৃত্তি। সোণালি সূৰ্য্যৰ প্ৰভাতী পোহৰৰ ছাট লাগি অন্তৰৰ ভাববোৰো উঠে সোণালি ৰঙত সোণালি হৈ। দুখৰ মাজতো সুখ মোৰ তেতিয়া।

বাহিৰত কিন্তু প্ৰাতঃ সৱিতাৰ হিৰণ কিৰণৰ দৰে সেই ভাৱ প্ৰকাশ নাপায়। ভাষাৰ কাঙাল মই। ভাষাহীনৰ ভাবো থাকে অব্যক্ত হৈয়ে; কেৱল অব্যক্ত ভাবৰ অব্যক্ত সুৰ নীৰৱ হৃদ্-বীণাত অব্যক্ত ভাৱেই নীৰৱে ঝঙ্কাৰিত হৈ উঠে। সেই সুৰৰ ধ্বনিও থাকে বুকুৰ ভিতৰতে অব্যক্ত হৈয়ে। এই অব্যক্ত সুৰৰ যি ধ্বনি মোৰ অন্তৰত গোপনে বাজি উঠিছে আৰু মই অকলে অকলে শুনিছোঁ, তাৰ মায়াতে—তাৰ নিচাতে মই আপোন-পাহৰা।

——— × ———

কুসুম

কিমান আশা-আকাঙ্ক্ষা লৈ মোৰ জীৱন আৰম্ভণ! শৈশৱত কত যে সোণৰ সপোন ৰচনা কৰি গৰ্বত ফুলি উঠিছিলোঁ। তাৰ পিচত কৈশোৰৰ নৱ পল্লৱিত অভিলাষৰ সুখাৱেশত যি কুসুম কলিটি ফুটি উঠিল মোৰ, তাৰ ৰূপ, তাৰ লাৱণ্যতে নিজেই বিভোৰ আৰু মোহিত মই।

জীৱনক তেতিয়া বৰ ভাল লাগিল, ৰূপৰ চামুচ মুখত দিয়া যি জীৱন, তাৰ আস্বাদন আৰু তাৰ বিলাসত পুলকিত হৈ নাচি উঠিলোঁ। পখিলাৰদৰে ধুনীয়া পাখি দুখনি লৈ উৰিবলৈ বিচাৰোঁ। কণ্টকিত সংসাৰৰ দুখ কি, জ্বালা কি, অভাৱ কি সেইবোৰৰ একোকে তেতিয়া মই নাজানোঁ। কৈশোৰৰ পাচত আহিল মোৰ যৌৱন-বসন্ত। সেই যৌৱনৰ পৰশত চাৰিওপিনে সুন্দৰ আৰু সুখৰ আৱেশহে দেখা পাওঁ। এফালে সৌন্দৰ্য্য আনফালে প্ৰেম আৰু তাৰ প্ৰেৰণাই মোৰ জীৱনত নতুন কৱিতা, নতুন আদৰ্শ, নতুন অভিলাষৰ কুসুম কলি ফুটাই তুলিলে।

এনেতে এটা মুহূৰ্ত্তত মোৰ চেতনা আহিল। সোণৰ সপোন তেতিয়া ভাগিল। বাস্তৱ জগতৰ নিষ্ঠুৰতাৰ দানৱ মূৰ্তি সেই দিনাহে দেখা পালোঁ। সেই দিনাহে বাস্তৱৰ লগত ভালকৈ পৰিচয় হ'ল। আপোন-পৰ কি, অভাৱ-অনাটন কি, অত্যাচাৰ-নিৰ্য্যাতন কি, জীৱনৰ দুখ-যন্ত্ৰণা কি, সেইবোৰৰ সোৱাদ পালোঁ। মানুহৰ ভণ্ডামি, প্ৰৱঞ্চনা, চাল-বাজিৰ জুৱা-খেল কি, মোৰ লহ্‌পহ্‌কৈ বাঢ়ি অহা কোমল জীৱনতে যি অভিজ্ঞতা জন্মিল তাতেই সেইবোৰৰ তিক্ততা ভালকৈ উপলব্ধি কৰিলোঁ। মোৰ অৱস্থাই সেইবিলাকৰ সোৱাদ ভালকৈয়ে বুজাই দিলে।

কাৰণ, মোৰ যৌৱনৰ আশা আকাঙ্ক্ষাক লৈ যিখন নাৱত উঠিছিলোঁ, মাজ সাগৰত তাৰ বিশ্বাঘাতক নিষ্ঠুৰ নাৱৰীয়াই আমনি পাই পানীৰ মাজত মোক দিলে নমাই। মই তেতিয়া কক্-বক্ কৰি ডুব যাওঁ যাওঁ হলোঁ। তেওঁ তেতিয়া সেই সুযোগতে বেগাবেগিকৈ নাওখন সিপাৰলৈ চলাই নি দূৰৈৰ সিটো পাৰত নাও বান্ধি মোৰ দুৰ্গতি চাবলৈ ধৰিলে। তাৰ পৰা মোৰ অৱস্থা দেখি তেওঁ দুখ প্ৰকাশ কৰি সহানুভূতিও দেখুৱালে। তেওঁৰ এই সহানুভূতিৰ টেটুফলা চিঞৰত গগন-পৱন নিনাদিত হৈ উঠিল। দূৰ-দূৰণিৰ মানুহেও তেওঁৰ পৰো-পকাৰ আৰু মহানুভৱতাৰ নিদৰ্শনত তেওঁক প্ৰশংসা কৰিবলৈ ধৰিলে। কিন্তু মূৰ্খহঁতে নুবুজে, মই কেনেকৈ পানীত পৰি

বক্-বক্ কৰিছোঁ। আৰু ইয়াকো ভাবিবৰ অৱসৰ নাপায় যে, সেই নাৰৰীয়াই চিঞঁৰ-বাখৰ নকৰি নাৰখন লৈ আহিলেই মই উদ্ধাৰ পাব পাৰোঁ।

বৈচিত্র্যময় সংসাৰত যে এনে ঘটনা ঘটা একো আচৰিত নহয়, অন্ততঃ তাকেই মই ভালকৈ বুজিলোঁ। কব লাগিছেনে, কোমল প্ৰাণত দানৱ বাস্তৱতাৰ পৰশ কিমান কঠিন হৈ লাগি যায়! সূৰ্য্যৰ পোহৰত যি কলিটি ফুটি উঠে, সেই কলিটি যদি সেই সূৰ্য্যৰে প্ৰখৰ তাপত অযত্নত হঠাতে মৰহি যায়, আজলি ফুল কলিটিৰ ব্যথা বেদনাৰ সীমাৰ বাৰু অন্ত ক'ত? জীৱনত যাক ভাল পাওঁ, তেওঁ যদি অলক্ষিতে অকস্মাতে ব্যৰ্থতাৰ হানা দিয়েহি, তাৰ কষ্ট কিমান মই আজি ভালকৈয়ে বুজিছোঁ! সেয়েহে বাস্তৱতাক মই ইমান ভয় কৰোঁ। ইয়াৰ পৈশাচিক মূৰ্ত্তি দেখি ভয়ত আৰু শঙ্কাত কঁপি উঠোঁ।

জীৱন ভৰা সাধনা, যৌৱনৰ পূৰ্ণ অভিলাষ, এক মুহূৰ্ত্ততে ব্যৰ্থ হৈ গ'ল। সংসাৰৰ চল-চাতুৰি, ভণ্ডামি আৰু কপটতাৰ মাজেদি যি তাৰ জীৱন জুখি মাখি চলাই আছে আৰু সমাজত মিছা আড়ম্বৰ আৰু কৃত্ৰিম মুখা পিন্ধি নিজক সুপ্ৰতিষ্ঠিত ৰাখি চলিছে, সি কি বুজিব মোৰ জ্বালা, মোৰ ব্যথা, মোৰ ক্ৰন্দন। যৌৱনৰ অভিলাষ আৰু তাৰ উৎসাহক চূৰ্ণ কৰি দি মানুহক আধা উঠা জখলাৰপৰা নমাই আনিলে, মানুহৰ বুকুত

কি অগ্নি জ্বলি উঠে, তাক মইহে জানোঁ। যেতিয়া ডেকা মনে নামানে বাধা, নকৰে তোষামোদ, যেতিয়া মন যাব খোজে উৰি, কিন্তু বান্ধি থোৱা ভৰিয়ে নোৱাৰে এখোজো আগবাঢ়িব তেতিয়া প্ৰাণৰ যি দুৰূহ সংগ্ৰাম, তাক মইহে বুজোঁ।

আজি ব্যৰ্থতাৰ তপত স্পৰ্শত মোৰ জীৱন পুৰি ছাই হৈ যাওঁ যাওঁ হৈছে। ব্যাকুল আৰ্ত্তনাদৰ অগ্নি-সংগত অগ্নি-বীণৰ ঝঙ্কাৰত কঁপি উঠিছে। প্ৰাণৰ কৰুণ ক্ৰন্দন দুৰ্ব্বাৰ হৈ উঠিছে। জীৱনক্ষেত্ৰ যেন মৰুভূমিত পৰিণত হৈছে। আজি যেন এটোপা পানীও মোৰ পাবলৈ নাই। জীৱনত কি দাৰুণ তৃষ্ণা, কি অদম্য উত্তেজনা মোৰ আজি। চকুৰ আগত মৰিচীকাৰ ভ্ৰমে দেখা দিয়ে। মানুহ মই; মানুহ হিচাপে মোৰ মানৱীয় দুৰ্ব্বলতা আছে। ক্ষন্তেকৰ উত্তেজনাতে সকলো বিলুপ্ত কৰি ধ্বংসৰ অগ্নিত পৰোঁ পৰোঁ যেন লাগে। এটা মুহূৰ্ত্তৰ দুৰ্ব্বলতাতে মোৰ অন্তৰৰ কুসুম পুৰি ছাই হৈ যাওঁ যাওঁ হয়। ব্যথা বেদনাৰ জ্বালাত আৰু অপূৰ্ণ তৃষ্ণাৰ যন্ত্ৰণাত জীৱন যৌৱনৰ যি বিলাস আনন্দ আৰু মায়া, তাকো জলাঞ্জলি দিওঁ। দেহৰ যি যত্ন, তাকো যাওঁ পাহৰি। সেয়েহে মোৰ যৌৱনৰ লাৱণ্য আৰু প্ৰতিভা বাহিৰত একো বিকশিত হৈ নুঠে। বাহিৰৰ ব্যস্ততা ভৰা বিশৃঙ্খল জীৱন দেখি মানুহে মোৰ ভিতৰত লুকাই থকা সৌন্দৰ্য্য আৰু সৌৰভৰ একো সন্ধেদ নাপায়। জুইৰ ফিৰিঙতিৰ দৰে কত মোৰ ভাব, কত মোৰ চিন্তা জাগে, এই ভগ্নহিয়াৰ

ভিতৰতে। তথাপি, তথাপি সকলো নীৰৱে সহ্য কৰি আৰু এই দাৰুণ সংগ্ৰামতো ক্লান্তিত মূৰ্চ্ছা নগৈ অকলে অকলেই এই মৰুভূমিত দূৰ-দূৰণিৰ কিবা এটা অস্পষ্ট সহায়-সামৰ্থ্য আলোক ৰেখালৈ লক্ষ্য কৰিয়ে প্ৰতীক্ষা কৰি আছো মই। হয়তো এই ধৈৰ্য্যতেই চুলি পকি যাব মোৰ। তথাপি—তথাপি মই ধৈৰ্য্য ধৰি জীয়াই থাকিব লাগিব।

মোৰ তৰুণ জীৱনত যি কুসুম কলিটিয়ে আহি দেখা দিলে, এই আকাঙ্ক্ষাৰ কুসুমটোক মই এতিয়াও বৰ ভাল পাওঁ। ইয়াৰ মোহতে জীয়াই থাকিব পাৰিছো। মোৰ মনত দুখ এই বাবেই যে, এই কুসুম কলিটিৰ কেৰে এধানমানি সৌন্দৰ্য্যও নাপালে, কেৰে তাৰ ৰূপৰ এটি ক্ষীণ ধাৰণাও কৰিব নোৱাৰিলে। হাজাৰ দুখ কষ্ট জ্বালা যন্ত্ৰণাৰ মাজেদি গৈ হলেও যদি আধামৰা কুসুম কলিটিক সঞ্জীৱিত কৰি অলপমানো প্ৰফুল্লিত কৰিব পাৰিলো হেঁতেন, তেতিয়াও মোৰ মৰু জীৱনে শান্তি পালেহেঁতেন। এই কুসুম কলিটিক লৈয়ে মই বিহ্বল হৈ পৰিছোঁ, নহলে তুচ্ছ জীৱনৰ নিচেই সাধাৰণ অস্তিত্বৰ প্ৰতি মোৰ কোনো মোহ নাই। ইয়াৰ কাৰণেই সংসাৰৰ ঘাত-প্ৰতিঘাত সহ্য কৰিও জীয়াই আছোঁ।

—×—

ৰুদ্ধ-স্মৃতি

দুখৰ উপৰি দুখ। মূৰ্খহঁতে কিন্তু তাৰ একোকে নুবুজে। মানুহে নাজানে মোৰ বুকুৰ ভিতৰত কিহৰ জুই জ্বলে। দপ্‌দপ্‌কৈ জ্বলি থকা স্মৃতিৰ একুৰা জুই—হৃদয়ৰ ভিতৰত সি আছে ৰুদ্ধ হৈ।—মূৰ্খহঁতে বুজিব কি?

কিমান সংযম কিমান যন্ত্ৰণাৰ ভিতৰেদি মই মোৰ জ্বলি উঠা স্মৃতিক ৰুদ্ধ কৰি ৰাখিছোঁ, তাক মইহে জানোঁ! মানুহক দেখুৱাই মই হাহোঁ, কিন্তু বুকুত বাজি থকা ক্ৰন্দন তেতিয়াও থাকে। হাঁহিৰ মাজেদিয়ে মোৰ অফুট কান্দোনৰ জুই ওলাই শীতল বতাহকো তপত কৰি তোলে।—মূৰ্খহঁতে জানো তাক বুজে?

মই ভাবোঁ, মোৰ সপোনৰ স্মৃতি জগাই তুলি দিঠকত পৰিণত কৰিব পাৰিমনে ? যি গল তাক আৰু এদিনৰ বাবে ঘূৰাই পামনে ? সেই স্মৃতিৰ বাস্তৱতা এদিনৰ কাৰণে আকৌ পুনৰ জীৱিত হবনে ? নহয়—নোৱাৰোঁ। সেয়েহে ৰুদ্ধতাৰ দাৰুণ সংগ্ৰামত একো একোবাৰ মই ভীষণ মৃত্যুকো কামনা কৰোঁ। ভাবোঁ, মৰিলে চাগে মোৰ ৰুদ্ধ স্মৃতি নাথাকে। ভয় হয়—মৰিলে কিজানি মই আৰু মই হৈয়ে সেই স্মৃতিৰ তেওঁক তেওঁ হিচাবে নাপাওঁ।—কি জানো ? একোতো কব নোৱাৰোঁ। মাথো কব পাৰোঁ—মোৰ স্মৃতিৰ কথা; মই মাথোঁ বুজোঁ স্মৃতিৰ ৰুদ্ধতা; মই মাথোঁ জানোঁ দুঃসহ স্মৃতিৰ বন্ধন।—মূৰ্খহঁতে কি বুজে তাৰ ?

আগৰ দৰেই এতিয়াও লুইতৰ পাৰৰ আলিয়েদি সন্ধিয়া মই যাওঁ। সকলো দেখোঁ; নেদেখোঁ মাথোঁ মোৰ স্মৃতিক। মোৰ যে স্মৃতি অশৰীৰী ! অপ্ৰকাশেই যে তাৰ স্বৰূপ; অসহ্য দহনেই যে তাৰ দৰদী দান। সেয়েহে মোৰ স্মৃতিক নোৱাৰে আনে বুজিব; নোৱাৰে তাৰ মধুৰতা পিব; নোৱাৰে তাৰ কাষ চাপিব।—নুবুজে নুবুজক, সিহঁতৰ এটুপি সহানুভূতিৰ চকুলো নপৰে নপৰক; মাথোঁ থাকক মোৰ ৰুদ্ধ স্মৃতিৰ তীব্ৰ মধুৰ জ্বালা। সেই জ্বালাতেই যে মোৰ জীৱনৰ পৰম সাৰ্থকতা ! সেই জ্বালাতেই যে বিকাশ হব মোৰ জীৱনৰ অপূৰ্ব গভীৰতা !—মূৰ্খহঁতে জানো ইয়াৰ কিবা বুজে !

দিনৰ দিনতো ঘূৰি দুখে ভাগৰে আহি ঘৰ সোমাওঁ। তেতিয়া আহি মই পাগলৰ দৰে কিবা বিচাৰোঁ। কোনেও নাজানে মই কি বিচাৰোঁ, কোনেও নাজানে মোক লাগে কি! কেৱল, তেতিয়াও মোৰ বৃদ্ধ স্মৃতিকে বুকুত সাৱটি মই মোৰ দুখ ভাগৰ গুচাবলৈ বাধ্য হওঁ। কিন্তু কল্পনাৰ স্মৃতিয়ে মোক কি দিব? বৃদ্ধতাৰ অগ্নি মাথোঁন জ্বলে। জুইক ঢাকিলে জুইৰ উত্তাপ যেনেকৈ বাঢ়ে, মোৰ বুকুতো বৃদ্ধ স্মৃতিৰ উতল উঠি সি মোক দুগুণে ব্যাকুল কৰি তোলে। ই যে বৃদ্ধ স্মৃতিৰ আকুল-ব্যাকুল মোহ! মূৰ্খহঁতে ইয়াক বুজিব কি!

সকলোৰে স্মৃতিবোৰ এইদৰেই জ্বলি থাকেনে? এই যে সিহঁতে হাঁহিছে, সিহঁতেও কি আচলতে ইঁহা নাই!—কেৱল ইঁহাৰ আবৃত্তিহে কৰিছে? সিহঁতৰ প্ৰাণতো কি বৃদ্ধ স্মৃতিৰ জুই জ্বলি কান্দোনৰ ধ্বনিহে তুলি আছে?– মই এইবোৰকেই ভাবোঁ; কিন্তু তথাপিও মোৰ স্মৃতি মোৰ বুকুত উজ্জ্বলতকৈও উজ্জ্বল আৰু মহানতকৈও মহান হৈহে উঠে। মোৰ বৃদ্ধ স্মৃতিয়ে এইদৰেই মোক জ্বলা-কলা কৰি তোলে।—মূৰ্খহঁতে কিন্তু তাৰ একোকে নুবুজে।

ব্যৰ্থতা আৰু আশা

তথাপি আছোঁ মই জীয়াই। ব্যৰ্থতাৰ পৰশত দেখোঁ আশা আকাঙ্ক্ষা চূৰমাৰ হৈ যায় যায়। নিষ্ঠুৰ ব্যৰ্থতাই যেতিয়া স্পৰ্শ কৰে, তেতিয়া মোৰ হিয়া দেই-পুৰি ছাই হৈ যাব খোজে। এনে অৱস্থাতো কৰবাৰপৰা আশাৰ এটি ক্ষীণ অস্পষ্ট প্ৰভাই দেখা দিয়ে। তেতিয়া প্ৰাণ ব্যাকুল হৈ উঠে। হৃদয়ত নতুন বল নতুন শক্তি আহি অদম্য উৎসাহ দিয়ে। পুৰি দেই-যোৱা হিয়াতো যেন সৰগৰ পৰা সঞ্জীৱনী বৃষ্টি ধাৰাহে পৰে।

কিন্তু এই ক্ষন্তেকীয়া মৰিচীকা যেতিয়া দূৰ হয়, আশাৰ সৱিতা তেতিয়া লাহে লাহে অস্তাচলত লীন হয়, তেতিয়া আকৌ ব্যৰ্থতাৰ অন্ধকাৰত পথ হেৰুৱাই নিজকেই পাহৰি যাওঁ। ব্যৰ্থতাৰ উত্তাপে হৃদয় জ্বলাকলা কৰি তোলে। তাৰ অত্যাচাৰত একো একোবাৰ ইচ্ছা হয়—জীৱন মোৰ সাগৰৰ

মাজত ডুবি যাওক। কি দৰকাৰ এই নিৰাশ আৰু অসাৰ জীৱন তৰণীৰ। ব্যৰ্থতাৰ আগমনীত কেতিয়াবা কেতিয়াবা মনত হয়—এই বোধকৰোঁ জীৱনভৰা যুদ্ধ পৰিশ্ৰম সকলো নিৰ্মূল হৈ গল। হয়তো জীৱন পুৰি ছাই হৈ গলে ইমানতে ব্যৰ্থতাৰ দাবানল আৰু তাৰ জ্বালা-যন্ত্ৰণাৰ অন্ত পৰিলহেঁতেন। কিন্তু নাই, জীৱনভৰা দুখ-যাতনা, দৈন্য, শোক, হাঁহাকাৰ —এইবোৰৰ অন্ত তো নাই।

তথাপি দেখোন একো একোবাৰ জীৱনক বৰ ভাল লাগে। ইচ্ছা হয় যেন চিৰকাল জীয়াই থাকিম, ইচ্ছা হয় যেন মই অজৰ-অমৰ হৈ উপজিছোঁ। কাৰণ ব্যৰ্থতাৰ ঘনঘোৰ কলা মেঘে যেনেকৈ জীৱনক আন্ধাৰ কৰি তোলে, আন হাতে আশাৰ বিদ্যুত ৰেখাই আকৌ জীৱনক উজ্জল কৰি তোলে। আশাতেই এই সংসাৰ চলি আছে, জীৱন বৈ আছে। নহলে এদিনতে সংসাৰ ধ্বংস হৈ প্ৰলয় হলহেঁতেন।

সকলো বিপদ বাধা-বিঘিনি আৰু ব্যৰ্থতা থকা স্বত্বেও, হৃদয়াকাশত আশাৰ জোৎস্নাই আহি দেখা দিয়ে আৰু তাৰ প্ৰেৰণাতে জীৱনক আগবঢ়াই নিব পাৰিছোঁ। ....মই জীয়াই থাকিম।

বন্ধুৰ জন্ম.দিনত

বন্ধু,

আজি প্ৰভাতৰ অৰুণ কিৰণৰ দৰশনত জাগি উঠিছে মোৰ হিয়াত—তোমাৰ জন্মদিন আৰু সেই উপলক্ষে কৰা তোমাৰ নিমন্ত্ৰণ।

যৌৱনৰ আবেশত মোৰ যি তৃষ্ণা আৰু যি আকাঙ্ক্ষা, তাক মই পূৰ্ণ কৰিব পৰা নাই—অৱস্থাৰ তাড়নাত ক্ষত-বিক্ষত হৈ মই স্থবিৰৰ দৰে পৰি থকা বাবে। তথাপি,—তথাপি বন্ধু, মোৰ ৰক্তাক্ত শিৰ আজিও আনত হৈয়ে আছে। কাৰণ, কমৰেড, ৰাজকোঁৱৰৰ দৰে বিৰাট আড়ম্বৰৰ সাজপাৰ বা ধন-সম্পত্তি নাথাকিলেও মোৰ এখন উন্নত উদাৰ হৃদয় আছে, হয়তো সেই হৃদয়খন তেওঁৰ নাই। বাহিৰত তুমি দেখিবা সেই হৃদয় যেন সংসাৰৰ দাবানলত দেই-পুৰি কলা আমঠু যেন হৈছে; কিন্তু তথাপি তাৰ ভিতৰেদি নিৰ্মল তপত শোণিতৰ সোঁত বৈয়ে আছে। অযত্নত আৰু প্ৰখৰ ৰদত শুকাই থকা মোৰ কৰ্কশ মুখখন, পিচপিনে উভটি থকা ৰুক্ষ চুলি কেইডালৰ বিদ্ৰোহ দেখি সিহঁতে মোক দূৰৰ

পৰাই ভয় কৰে। সিহঁতে মোৰ বাহিৰৰ বিশৃঙ্খল বিদ্রোহী কঠিন জীৱনধাৰা দেখি ওচৰলৈ নাহে; দূৰৰ পৰাই চায় মাথোন। কি বুজিব সিহঁতে মোক! মোৰ অন্তৰৰ ভিতৰত যে শুকান বালিৰ তলে তলে বৈ থকা ফল্গু নদীৰ ধাৰৰ নিচিনা প্ৰেমৰ নিজৰা বৈ আছে, তাকতো সিহঁতে মোৰ বুকুত বুকুৰ পৰশ দি নাচালে দূৰৰপৰা বুজিব নোৱাৰে। সিহঁতেতো মোৰ ব্যথা বেদনাৰ আৰু অন্তৰৰো অন্তৰত লুকাই থকা কুসুম কলিটিৰ খবৰ নাৰাখে। সিহঁতে জানে বাহিৰৰ ধূলি-বালি স্বৰূপ পাৰিপাৰ্শ্বিকতাত সানমিহলি হৈ থকা মোৰ কৰ্কশ শৰীৰটো। অন্তৰৰ ভিতৰত যি তীব্ৰ আৱেগৰ বিৰাট ঢৌ উঠিছে, যৌৱনৰ উদ্দাম অতৃপ্তিয়ে অন্তৰত যি সংগ্ৰাম আৰম্ভ কৰিছে, তাৰ কাৰণে মই যে বাহিৰৰ গতানুগতিকতাৰ ফালে দৃষ্টি দিব পৰা নাই, তাকতো সিহঁতে নুবুজে। মোৰ অকণমানি হৃদয়খনিৰ অৰূপ ৰতনটিৰ সন্ধেদতো সিহঁতে একোকে নাজানে, সখি!

মোৰ বিশ্বাস, এই হৃদয়খনিৰ অলপ সন্ধেদ তুমি পাইছা। সেয়ে এই হৃদয়ৰ আন্তৰিকতা, এই হৃদয়ৰ শ্ৰদ্ধা, আৰু এই হৃদয়ৰ ভালপোৱাৰ আশীষ বাণী আজি তোমালৈ পঠালোঁ। সেই কাৰণেই কাম আৰম্ভণ নৌকৰোতেই তোমাক পোনে প্ৰথমে সোঁৱৰণ কৰিছোঁ আৰু তোমালৈ এই হিয়াভৰা আশীৰ্বাদ লিখিছোঁ।

তোমাৰ জীৱন সুখ শান্তিৰে ভৰা হওক। প্ৰভাতী সূৰ্য্যৰ স্বৰ্ণ জ্যোতিৰ দৰে তোমাৰ জীৱন প্ৰতিভা দশোদিশ বিয়পি তোমাক আৰু তোমাৰ সমাজক ধন্য কৰি তোলক!

আজি সন্ধিয়া নীল আকাশত হাঁহিব জোনে, মৰততো ফুলিব ৰঙা গোলাপ কলিটি। হাছনাহানাৰ মলমলনিত মুগ্ধ হব দশোদিশ ইপিনে। ঠিক সেইদৰে তোমাৰ যশস্যাৰ সৌৰভে দশোদিশ মোহিত আৰু মুগ্ধ কৰিব বুলি ইচ্ছা কৰিলোঁ।

বন্ধু, জীৱনৰ বাট বহুত বুলি তুমি তোমাৰ জীৱন গণনা কৰি ভয় খাইছানেকি? কোনো ভয় নাই কমৰেড, অনন্ত পথত তোমাৰ সসীম জীৱনে যিমান দূৰলৈ নিব পাৰে, সিমান দূৰলৈ আগবাঢ়ি যাবা।

ও, তুমি চাগৈ ভাবিছা, মোৰ কি হব, মই কি কৰিম! কোনো ভয় নাই, তোমাৰ পিচে পিচেই তো যাব পাৰিম মই আগবাঢ়ি। তোমাৰ পিচে পিচে যাম; সেয়ে ভাল হব সখি! কাৰণ ক্লান্তিত যদি কেতিয়াবা তুমি বহি পৰা, তেনেহলে মই মোৰ সমস্ত দেহ-মনৰ পৰশ দি তোমাক জগাই তুলিম, মই মোৰ সমস্ত দি হলেও তোমক নিম আগবঢ়াই। তোমাক আগবঢ়ায়ে মই গঢ়িম মোৰ নতুন শিল্প। মই শিল্পী, তুমি মোৰ শিল্পত কৰিবা প্ৰাণপ্ৰতিষ্ঠা।

পথিক

মই পথিক! মই অনন্ত পথত ঘূৰি ফুৰোঁ। বাটৰ পিচত বাট, গাৱঁৰ পিচত গাওঁ, নগৰৰ পিচত নগৰ এৰি মই ফুৰোঁ ঘূৰি। তথাপি মোৰ পথ নহয় শেষ, ভ্ৰমণো নহয় শেষ। অনন্ত পথৰ উদ্দেশ্যহীন লক্ষ্যহীন যাত্ৰা কৰাটোৱেই যেন মোৰ এটা নিচা হৈ পৰিছে। মাতালে যেনেকৈ মদ এৰিব নোৱাৰে, ময়ো তেনেকৈ পথ এৰিব নোৱাৰোঁ।

মোৰ যাত্ৰাৰ শেষ নহয় কাৰণেই মই পথিক। কত ধুমুহা, কত দুৰ্য্যোগ পাৰ হৈ গৈছে; কত লাঞ্ছনা, কত অপমান সহ্য কৰিছোঁ, তাৰ ইয়ত্তা নাই। তথাপি মই বাট বুলিয়ে

আছোঁ। ৰাতিপুৱাৰ পিচত গধূলি হয়, বাতিৰ পিচত আকৌ আহে ৰাতিপুৱা, এইদৰে সময়ৰ গতি চলি আছে।

প্ৰাণৰ কি তৃষ্ণা! সি অনন্ত আৰু অতৃপ্ত। আকুল প্ৰাণৰ যি পিয়াহ, তাক পাহৰিছোঁ বাট বুলাৰ নিচাত। শোণিত-সিক্ত পথৰ ওপৰেদি গৈছোঁ আগবাঢ়ি। পদাতিক সৈন্য মই, কিহৰ দুখ, কিহৰ ভাগৰ, কিহৰ ভয় মোৰ? সকলো মষিমূৰ কৰি মই যাম আগবাঢ়ি। ঘৰ থকাতো অঘৰীৰ দৰে ফুৰোঁ মই। ঘৰৰ সকলো আছে মোৰ, তথাপি অনাথৰ জীৱনেই ভাল মোৰ। ৰূপৰ চামুচ মুখত দি জন্ম গ্ৰহণ কৰিলেও ঘূৰি ফুৰোঁ মই কঠোৰতাৰ মাজেদি। মানুহে ভাৱে সংগ্ৰামৰ মোৰ প্ৰয়োজন নাই, তথাপি সংগ্ৰামৰ জীৱনকে মই বৰণ কৰিব লাগে। সংগ্ৰামেই এতিয়া মোৰ জীৱন, সংগ্ৰামৰ ব্যস্ততাতে মই সুখী; কাৰণ দুখৰ কথা ভাবিবৰ মোৰ সময় নাই।

যাওঁতে আহোঁতে কত সহযাত্ৰীৰ কত পথিকৰ হাতত হাত লগাই দিওঁ আৰু বুকুয়ে বুকু মিলাওঁ! কিন্তু মায়াৰ বান্ধোনত মই অন্ধ হলেও সিহঁতে মোলৈ ভ্ৰূক্ষেপ নকৰে। শেষত দেখোঁ, সকলো সহযাত্ৰীয়ে মোক বিদ্ৰূপ কৰি, মোৰ হৃদয়ত আঘাত কৰি নিজৰ গন্তব্য স্থানত সোমায়। মই কিন্তু কতো আশ্ৰয় নপাওঁ কতো মোৰ প্ৰাণৰ অদম্য তৃষ্ণা নিবাৰণ কৰিব নোৱাৰোঁ। তথাপি মোৰ নিৰুদ্দেশ যাত্ৰা

চলিয়ে থাকে। মায়াৰ বন্ধনত অন্ধ হৈ মই কেতিয়াবা বাট ভুল কৰোঁ আৰু পিচত অনুতাপত সেই ভুল ভাগে। ভুল, ভুল কৰিয়ে জীৱনৰ পিৰামিড্ সাজিম—ভুল, ভুল কৰিয়ে জীৱনৰ শিক্ষালাভ কৰিম। * * *

জীৱনৰ একো একোটা শুভ মুহূৰ্তৰ অনুপ্ৰেৰণাত মই একো একোবাৰ নতুন সাজপাৰেৰে লৰিবলৈ আৰম্ভ কৰোঁ; মানুহে তেতিয়া মোৰ ব্যৰ্থ প্ৰয়াসত হাঁহে। মোৰ আকাঙ্ক্ষাত মোৰ তথাকথিত গৰাকীয়ে বাধা দি দি মোক যি জ্বালাতন কৰিছিল, তাৰ ফলত মই আজি অসীমৰ যাত্ৰী, নিৰুদ্দেশৰ যোদ্ধা মাথোন। নাজানো জীৱন-তৰণী কোন সাগৰত কোন দিশত গৈ কোন ৰাজ্য পায়। তথাপি কিন্তু মই যাবই লাগিব। মই যাম; অসীমৰ যাত্ৰা পথতে এদিন পূৰ্ণ হ'ব মোৰ যাত্ৰা, জয়ী হব মোৰ অভিযান। নৈৰ সোঁতত উটি যোৱা কাঠ জানো এদিন পাৰত নালাগে? সেই দৰে সময়ৰ সোঁতত উটি যোৱা মোৰ এই ক্ষুদ্ৰ জীৱনৰো আছে এদিন সমাপ্তি, আছে এদিনৰ বিশ্ৰাম। মই যাম।

দুৱাৰ খোলা

দুৱাৰ খোলা, দুৱাৰ খোলা। তোমাৰ আজি বন্ধ হিয়াৰ দুৱাৰ খোলা। বজোৱা তোমাৰ বাঁহী।

ব্যথা বেদনাৰ তাড়ণাত মোৰ বুকু ফাটি যাওঁ ফাটি যাওঁ হৈছে। হৃদয়ত কেৱল হাঁহাকাৰ ধ্বনি জাগি উঠে, তুমি ক'ত আৰু মই ক'ত। বহু দুখ বহু ক্লান্তিৰ পিচত আজি আহিছোঁ তোমাৰ দুৱাৰমুখলৈ। সন্ধিয়াৰ আন্ধাৰক পোহৰ কৰি খোলাহে, তোমাৰ দুৱাৰ এবাৰ।

আজি ৰাতিৰ কাৰণে খোলাহে, খোলাহে প্ৰিয়া তোমাৰ দুৱাৰ! কত বিৰহী নিশাৰ, কত উন্মাদ দিনৰ পিচত আজি আহিছোঁ তোমাৰ দুৱাৰমুখলৈ। প্ৰিয়া, শুনাঁচোন এটিবাৰ ব্যথাতুৰ হৃদয়ৰ ক্ৰন্দন মোৰ। শুনাঁচোন, এবাৰ মোৰ ব্যৰ্থ অভিযানৰ ব্যৰ্থ-বাৰ্তা। বৰষুণৰ লগত কত ৰাতি কান্দিছোঁ, তোমাৰ স্মৃতি বুকুত বান্ধি, তাৰ কাহিনী এবাৰ শুনা, প্ৰিয়া!

তোমাৰ বসন্ত দ্বাৰত, কামনা আৰু প্ৰেমৰ অৰ্ঘ্য হাতত লৈ, পূজাৰী, ভক্ত, আৰু দাস হৈ উপস্থিত আজি মই। অব্যক্ত গোপন কথা আজি ক'ম প্ৰিয়া, তোমাৰ বুকুত মোৰ বুকু ৰাখি। যি কথা ইমান দিনে ৰাখিছিলোঁ গোপনে, সেই কথাৰ সফুঁৰা খুলি দিম প্ৰিয়া, আজি তোমাৰ ওঁঠত মোৰ ওঁঠ থৈ। এতিয়াও কি তুমি জানা নাই, এতিয়াও কি বুজা নাই—কি সেই কথা?

মোৰ ভালপোৱা—প্ৰিয়া! মোৰ প্ৰেম—সেয়ে মোৰ গোপন কথা। খোলাহে, খোলাহে দুৱাৰ আজি তোমাৰ বন্ধ হিয়াৰ।

—×—

মোৰ মনে নাজানে

•

খিৰিকি খনেদি তেওঁ চায় কাক, মোৰ মনে নাজানে !

প্ৰভাতী অৰুণ দেখি মোৰ হিয়াত জাগে কিয় আবেশ, মোৰ মনে নাজানে।

গোলাপ কলিটি দেখি মোৰ মন মায় কিয় উৰি, মোৰ মনে নাজানে।

ভাল যদি নাপায় মোক তেওঁ,—কিয় চাই ঘনে ঘনে, মোৰ মনে নাজানে।

ভাল যদি পায় মোক তেওঁ—কিয় নাহে কাষলৈ, মোৰ মনে নাজানে।

ছুৱাৰমুখত বহি কিয় গায় গান তেওঁ, মোৰ মনে নাজানে।

ধৰা যদি নিদিয়ে মোক তেওঁ, পাচে পাচে কিয় আহে তেওঁ, মোৰ মনে নাজানে।

তেওঁৰ হাঁহিত কিয় মই হাহোঁ, তেওঁৰ কান্দোনত কিয় মই কান্দোঁ, মোৰ মনে নাজানে।

তেওঁৰ চকুয়ে মোৰ চকুক দিয়ে কিয় ইঙ্গিত, তেওঁৰ দৃষ্টিয়ে খোলে কিয় মোৰ দৃষ্টি, মোৰ মনে নাজানে।

তেওঁৰ গানত মোৰ উঠে কিয় ভগা বীণ বাজি, মোৰ মনে নাজানে!

প্ৰিয়া যদি মোৰ নহয় তেওঁ, মোৰ হিয়াত জাগে কিয়, মোৰ মনে নাজানে।

মোৰ মনে নাজানে, মোৰ মনে নাজানে, কিন্তু মোৰ প্ৰাণে জানে—মোৰ প্ৰাণে জানে।

কি অৰ্থ তেনে—

●

আজি কৃষ্ণা অমাবস্যা ৰাতি
মোৰ প্ৰাণত বাজিছে মৰম বীণাটি।
সেয়ে জাগিছে কতনো মনত ভাব
কতনো মনত প্ৰশ্ন, কতনো স্মৃতিৰ ক্ৰন্দন ৰুদ্ধ

আজি কৃষ্ণা অমাবস্যা ৰাতি
তাৰ সেই গাঢ় অন্ধকাৰ ভেদি
মোৰ মনত উদয় হৈছে হাঁয়
একেটি কথা কিয়নো থাকে তেওঁ চাই।

একোকে নামাতি, একোকে নকৈ
দূৰে দূৰে আঁৰালে আঁৰালে
তেওঁ চাই থাকে সতৃষ্ণ নয়নে
ময়ো থাকোঁ চাই আকুল ভাৱে।

একোবাৰ হয়তো মই হাঁহো
তেৱোঁ হাঁহে
একোবাৰ তেওঁ হাঁহে লুকাই লুকাই
মোৰ প্ৰাণত কিন্তু কামনাৰ অগনি জ্বলায়।

তেওঁ হেনো মোক ভাল পায়
কিমান মানুহে কয় কিমান দিন
মই কিন্তু আজিও নাজানো,—
সচাঁ জানো ই কথা, নে মাথোন সপোন ৰঙীন ?

সেয়েহে মই বিচাৰোঁ—মই বুজিব খোজোঁ—
অতি সূক্ষ্মভাৱে চায় তেওঁ কিয় মোৰ গমনাগমন
মই বিচাৰোঁ—মুক্তকণ্ঠে তেওঁ কওকচোন আহি
এই সকলো কথাকে খুলি।

সেই কথা শুনি বুজি যে উঠিম
তেওঁৰ দৃষ্টিৰ প্ৰকৃত অৰ্থ
সেই গোপন ইঙ্গিতৰ আচল তথ্য,
আৰু জীৱনৰ গভীৰ সত্য।

সেয়েহে মই বিচাৰোঁ অমাবস্যাৰ আন্ধাৰত বিজুলি খেলি
উৰ্দ্ধশ্বাসে মোৰ প্ৰতি তেওঁ আহক লৰি
স্তব্ধ হওক সমাজ, স্তব্ধ হওক জগত
স্তব্ধ হওক আজি সকলো প্ৰাণী।

মই বিচাৰোঁ, মোৰ অবোধ প্ৰাণক নিচুকাব,
গাঢ় আলিঙ্গনে তেওঁক সাৱটি লব
মোৰ বজ্ৰবাহু বেষ্টনীত
মোৰ এই পৌৰুষ হৃদয়খনিত।

তেওঁৰ সেই কোমল বুকুৰ
তপত পৰশ দিবলৈ বুলি
তেৱোঁ জানো ঠিক সেই একেদৰে
তেৱোঁ জানো মোক নিবিচাৰে ?

তেওঁক ভাল পাওঁ, বিচাৰে তেওঁক মোৰ প্ৰাণে
তেওঁক বিচাৰো কাষত ; হাঁহোও মই সেয়ে
একে কাৰণতে তেৱোঁ হাঁহে জানো ?
সেই একে কাৰণতে চায় তেৱোঁ নেকি বাৰু ?

নহলে কি দৰকাৰ—
নহলে কি অধিকাৰ
দূৰে দূৰে আঁৰালে আঁৰালে
মোৰ চঞ্চল প্ৰাণ উত্তেজিত কৰাৰ

আজি কৃষ্ণা অমাবস্যা ৰাতি
বিশাল অন্ধকাৰ সমুখত ৰাখি
শীতল বায়ুৰ চুমাটি খাই
এই একেটি কথাকে ভাবিছোঁ হায়

এটি ফুল

●

এটি ফুল—সামান্য শুভ্র ফুল, বিদায় বেলাত তাই দিছিল মোৰ হাতত। পদূলি মুখলৈ তাই আহিছিল আগবাঢ়ি আৰু তাই দিছিল সেই ফুলটো মোক। বহুত বেলিলৈকে—মই অদৃশ্য নোহোৱালৈকে—তাই চাই আছিল, দুৱাৰ মুখত থিয় হৈ আৰু ৰুমালখন ওপৰলৈ তুলি জোকাৰি জোকাবি। তাই বহুত কিবা কিবিকেই মোক কব খুজিছিল, কিন্তু নোৱাৰিলে। হৃদয়ৰ কথা হৃদয়তে থাকিল বন্ধ হৈ। কেৱল আছিল সেই ফুলটি।

এটি ফুল।—আহা! ফুল নহয়, ই যে তাইৰ নিষ্কলঙ্ক নিড়াম্বৰ হৃদয়। হয়তো তাই মোক দিব খুজিছিল তাইৰ জীৱন-যৌৱন সকলোকে; কিন্তু নোৱাৰে তাই—নোৱাৰে দিব

তাই ! হৃদয়ৰ তীব্ৰ অনুভূতি হৃদয়তে বন্ধ কৰি অপ্ৰকাশিত হৈ থাকিল তাই। কিন্তু এই যে ক্ষুদ্ৰ ফুলটো, তাতেই তাইৰ সমস্ত আবেগ সমস্ত বিভূতি লুকাই আছিল। ফুলৰ সৌৰভত আৰু ফুলৰ পৰশতে সেই কথা জানিলোঁ মই।

দুদিন, তিনিদিন, হয়তো এসপ্তাহ। তাৰ পিচতেই লেৰেলি শুকাই নিষ্প্ৰভ আৰু নিস্তেজ হৈ লুপ্ত পাব সেই ফুলটি। কিন্তু, ফুল লুপ্ত পালে বুলিয়ে তায়ো লুপ্ত হবনে মোৰ মনৰ পৰা ? পৃথিবীৰ সকলো ফুল শুকাই মৰুভূমিত পৰিণত হলেও যিমান দিনলৈ মই জীয়াই থাকিম, সিমান দিনলৈ তাইৰ প্ৰেম, তাইৰ দান, আৰু তাইৰ স্মৃতি উজ্জ্বলতকৈ উজ্জ্বল হৈ, সজীৱতকৈও সজীৱ হৈ মোৰ হৃদয়ত বিৰাজ কৰি থাকিব।

মোৰ মনত ফুল ক্ষণস্থায়ী কিন্তু তাই চিৰস্থায়ী। জগতৰ যিমানবিলাক সুন্দৰ সুন্দৰ ফুল আছে, সকলো বিলাকতকৈ তাই শ্ৰেষ্ঠ আৰু সকলোতে জাগে তাইৰ স্মৃতি।

এদিনৰ ভনীটী

●

সেই দিনাখনৰ কথা কব খুজিছোঁ। সি মোৰ নগণ্য জীৱনৰ এটা ক্ষুদ্ৰ ঘটনা, কিন্তু তাৰ মধুৰ স্মৃতি আজিও মোৰ প্ৰাণত সজীৱ হৈয়ে আছে। সেই ৰাতি এটা মহা উৎসৱ। বিবাহৰ যি উৎসৱ আৰু ব্যস্ততা চলিছে, তাৰ মাজতে আমালোকৰ এক জাগ্ৰত সপোন।

বিয়াৰ উৎসৱৰ নানান কাৰ্য্যৰ ব্যস্ততাৰ মাজেদি কিবা এটা কামৰ ব্যস্ততাত দৌৰি গৈছোঁ—এনেতে কাৰবাৰ মধুৰ কণ্ঠ-স্বৰৰ শব্দত মই থমকি ৰলোঁ। পাচলৈ ঘূৰি চাই দেখোঁ এজনী তৰুণী;—মোক মাতিছে "দাদা" "দাদা" বুলি। অকণমানি দেহৰ গঠন, তথাপি যৌৱনৰ দুৱাৰ মুখত থিয় দি এনে এটা অৱস্থাত থিয় হৈছেহি, যে সেই ৰূপৰ লাৱণ্যত সকলোৰে মনত সুখাৱেশ নালাগি নাথাকে।

নিজকে অলপ সংযত কৰি লৈ আকৌ আগবাঢ়িব খুজিছোঁ, এনেতে মোৰ বাইদেৱে ক'লে, "কিহে, নিমাত হলা নেকি? সৌৱা যে তেওঁ তোমাক মাতি আছে; মাত এষাৰকো দিব নোৱাৰা নেকি?" চমক ভাগিল মোৰ। তেতিয়াহে বুজিলোঁ, এই সম্বোধন মোৰেই প্ৰতি। পিচলৈ ঘূৰি লাহে লাহে আগবাঢ়ি গলোঁ, তেৱোঁ আগবাঢ়ি আহিল। দুয়ো দুইৰো প্ৰতি কিছু সময় একেথৰে চাই আছিলোঁ। বোধকৰোঁ দুয়ো

দুইবো জীৱনৰ নতুন ৰূপ মদিবাৰ নিচাত পুলকিতপ্ৰায় হৈ আছিলোঁ। তাৰ পিচত মিচিককৈ হাঁহি মাৰি মোৰ সপোন অভি দি তেওঁ কলে "কিহে দাদা, ইমান সময় মাতিছোঁ, তেও আমালৈ ঘূৰি চাবৰে সময় নাইনে ?"

তেতিয়াহে মই ভালকৈ মন কৰিলোঁ, আৰু জানিলোঁ যে, তেওঁ তাহানি আমাৰ ঘৰৰ ওচৰতে আছিল। নিচেই সৰুতে একেলগে ৰং ধেমালি কৰিছিলোঁ। কিন্তু তাৰ পিচত বহু দিনৰ ব্যৱধান—ময়ো তেওঁক দেখা নাই, মোকো তেওঁ দেখা নাই। ইতিমধ্যে জীৱন তেওঁৰ আগবাঢ়ি গৈছে, যৌৱন প্ৰবেশৰ লগে লগে যেন তেওঁ এটি নতুন সৃষ্টিত পৰিণত হৈ পৰিছে। তেৱেঁ আজি দ্বিধাহীন আৰু মৰমী ভাষাৰে মোক এইদৰে সম্বোধন কৰি চমক্ লগাই দিছে। মই জব্দ হলোঁ সঁচা ; কিন্তু সেই মাতৰ ভিতৰেদিয়ে কিবা এটা যেন পালোঁ। সি মানৱ হিয়াৰ স্বাভাৱিক প্ৰেম, ভগ্নীত্বৰ সবল প্ৰেম, নিষ্কলঙ্ক জীৱন জ্যোৎস্নাৰ পৱিত্ৰ প্ৰভা।

সংসাৰৰ নানান ঘাত-প্ৰতিঘাতত নানান খলাবমা বিচিত্ৰতাৰ মাজেৰে কলুষিত হৈ যোৱা মনৰ ভিতৰৰপৰা ক্ষন্তেকৰ বাবে হলেও সকলো কলুষ, সকলো মলি দূৰ হৈ গ'ল। ময়ো তেতিয়া ঠিক তেওঁৰ দৰেই প্ৰাণ খুলি প্ৰত্যুত্তৰ দিলোঁ। "ভনীটী" "ভনীটী" বুলি। সেই সম্বোধনৰ লগে লগেই মই নিজকে নিজে পাহৰি যোৱাৰ দৰে হলোঁ। চাগৈ তেওঁৰ জীৱনতো এই সম্বোধন নতুন, চাগৈ তেওঁৰ জীৱনতো সি

এটা অতি আদৰৰ বস্তু। তেওঁৰো বুকু চাপৈ সেই সম্বোধনত মোৰ দৰেই গৰ্বত ফুলি উঠিছিল।

সেই ৰাতিটো তেওঁৰ আৰু মোৰ দুয়োৰো নানান কৰ্ম ব্যস্ততাৰ মাজতে গল। কেইবাবাৰো তেওঁ আহিছে আৰু গৈছে। হয়তো কেতিয়াবা কোনো কামত মই তেওঁক বিচাৰিছোঁ, আকৌ সেইদৰেই তেওঁ কোনো কামত মোক সহায় কৰোঁতে দেখা দেখি হৈছে।

এবাৰ তেওঁ আহিল হাতত এটি এচেন্সৰ ঝৰণা বটল লৈ। মই তেতিয়া সৰু কোঠাটোত কিবা কিবি বস্তুৰ ৰক্ষক হৈ বহি আছিলোঁ। তেওঁ সোমাই আহিল। "দাদা, আজি হলে নেৰোঁ" বুলি মোৰ গাত এচেন্স ছতিয়াই দিলে। এচেন্সৰ গন্ধত গোটেই ৰুমটো মলমলাই গল। মই কলোঁ। "তুমি নললেতো নহব।" তেওঁৰ হাতৰপৰা জোৰকৈ সেই ঝৰণাটো আনি ময়ো পাৰোমানে তেওঁৰ গাত ছটিয়াই দিলোঁ। আমাৰ তৰুণ জীৱনৰ এই ৰাতিটোত এই সৰু কোঠাটোৰ ভিতৰত যি এচেন্সৰ শীতল স্পৰ্শ আৰু সুগন্ধ অনুভৱ কৰিলোঁ, তেনে সুখাস্বাদন ভৱিষ্যত জীৱনত আহেনে নাহে, সি ভৱিষ্যতৰ আঁৰ কাপোৰৰ আঁৰতে আছে। হয়তো জীৱনত বহুতো জুইৰ ফিৰিঙতিৰ স্পৰ্শ লাগিব। হয়তো সংসাৰত তীব্ৰ দুৰ্গন্ধকো সহ্য কৰিব লাগিব পাৰে; কিন্তু সেইদিনাৰ সেই সময় ফেৰাত আমাৰ মনত সেইবোৰৰ একো ভাৱনা নাছিল। মাথো আমাৰ তৰুণ জীৱন তেতিয়া, তৰুণ মনৰ তৰুণ আনন্দৰ বতাহত ইফালে সিফালে

হুলা জলা কৰি আছিল। বিয়াৰ দৰা-কইনাৰ সেই দিনটো কেনে লাগিছিল, হোমৰ গন্ধত সিহঁতৰ প্ৰাণত বসন্তৰ বান আহিছিল নে নাই আমি নাজানোঁ; কিন্তু ঠিক সেইদিনাৰ সেই হোমৰ গন্ধৰ লগে লগেই অন্য এটা কোঠাত যে আমাৰ জীৱনত এই বান আৰু সুগন্ধৰ মলমলনি উঠিছিল, তাক হলে অস্বীকাৰ কৰিবৰ সাধ্য মোৰ নাই।

এইদৰেই জীৱনৰ আৱৰ্ত্তণীতে দুটা ক্ষুদ্ৰ মানৱ জীৱনৰ ভিতৰত ক্ষন্তেকীয়া এটি ৰাতিতে যি ভ্ৰাতৃত্ব আৰু ভগ্নীত্বৰ প্ৰেমৰ সম্বোধন স্থাপিত হল, তাৰ তুলনা মই বিচাৰি নাপাওঁ। নালাগে আমাক জন্মগত কোনো ৰক্তৰ-সম্পৰ্ক, কৃত্ৰিম সমাজৰ কঠোৰ নীতি নিয়মৰো খবৰ আমি নাৰাখোঁ। আমি মাথোন এইদৰে দুয়োৰো জীৱনৰ শেষ মুহূৰ্ত্তলৈকে এই নিৰ্ম্মল আৰু বাধাহীন সম্পৰ্ককে ৰাখিব খোজোঁ। দেৱতাৰ আশীৰ্বাদৰদৰে আপোনা আপুনি অহা সি যে আমাৰ অন্তৰৰ মাজত লুকাই থকা শুভ্ৰ আৰু সুন্দৰ বস্তু। এৰাতিৰ এই যে সম্বোধন, ইয়াৰ পৰিসমাপ্তি অকল এজনৰ ক্ষুদ্ৰ জীৱন-নাট্যৰ শেষৰ লগে লগেই জানোঁ; নে আন জনৰ জীৱনৰ প্ৰত্যেক টোপা ৰক্তৰ লগতো সি জড়িত হৈ থাকিবলৈ বাধ্য?

এই এৰাতিৰ মধুৰ স্মৃতি আজিও মোৰ নীৰৱ হৃদয়বীণাত আপোনা আপুনি ঝঙ্কাৰিত হৈ উঠে। হাজাৰ হাজাৰ ভাই-ভনীক পালেও সেই এটা 'দাদা' শব্দৰ সৰলতা আৰু মহানুভৱতাই আজিও মোৰ স্মৃতি-তন্ত্ৰীক কঁপাই তুলিছেহি। আজিও মই মোৰ সেই অকণমানি ভনীটীক পাহৰা নাই আৰু পাহৰিব নোৱাৰিম।

—:※:—

সাক্ষাত

•

জীৱন বসন্তৰ শিহৰণত যেতিয়া মই কস্তুৰী মৃগৰদৰে আত্মহাৰা, ঠিক জীৱনৰ সেই সন্ধিক্ষণতে এদিন তেওঁৰ লগত মোৰ সাক্ষাৎ। কাৰবাৰ অভিপ্ৰেত আছিল নে নাই কব নোৱাৰোঁ। কিন্তু এদিন মই তেওঁক দেখা পালোঁ। সচাঁকৈয়ে তেওঁক মই দেখা পালোঁ।

এই কথা কেনোবাই জানে নে নেজানে তাৰ খবৰ নাৰাখোঁ, তাৰ বাবে পৰোৱাইও নকৰোঁ। কিন্তু মই জানো তেওঁ মোৰ প্ৰাণতকৈও আপোন আৰু মই তেওঁৰ আপোনতকৈও আপোন। তৰুণ জীৱনৰ এই প্ৰথম সাক্ষাততে তৰুণ প্ৰাণৰ দৰদ মোৰ বিকশিত হৈ উঠিল।

পথাৰৰ সেউজীয়া ঘাঁহনিৰ ওপৰেদি তেওঁ গৈছিল আগবাঢ়ি। মোৰে সৈতে সমুখা-সমুখি হৈ উঠাত তেওঁৰ মুখখন উজ্বল হৈ উঠিল। মই যেতিয়া চালোঁ, তেওঁ তলমূৰ কৰিলে। আকৌ মই যেতিয়া দৃষ্টি ঘূৰাই লৈ আগবাঢ়িব খুজিছোঁ, তেওঁ লাহেকৈ মুখখন দাঙি মোৰ ফালে চালে। ময়ো চালোঁ। দুইকো দুয়ো দেখা পালোঁ। ৰঙা ওঠৰ মাজেদি তেওঁৰ ওলাল মিচিকিয়া হাঁহি। সেই হাঁহিৰ দৃষ্টিতে মোৰো হিয়াৰ দুৱাৰ গল খুলি। তেওঁ দিলে হাঁহি, মই দিলোঁ প্ৰাণ। তেওঁ দিলে দৃষ্টি, মই দিলোঁ প্ৰেম।

তেওঁৰ নাম নাজানোঁ, বংশ নাজানোঁ। তথাপি এই "অজ্ঞাত-কুলশীলকে মই ভাল পাওঁ। সমাজৰ বাহ্যিক আড়ম্বৰৰ, মিছা অহঙ্কাৰৰ, জাতি বংশ বা অৰ্থহীন নামৰেই বা কি দৰকাৰ মোৰ? মই জানোঁ তেওঁক, তেওঁৰ প্ৰকৃত ৰূপক, আৰু তেওঁৰ প্ৰকৃত প্ৰাণক। মোৰ নিজৰ এই দৃষ্টিৰ ভিতৰেদি আৰু তেওঁৰ সেই হাঁহিৰ মাজেদি তেওঁক মই চিনি পাইছোঁ। সেই পৰি-চয়েই মোৰ যথেষ্ট। পূৰ্বৰাগৰ প্ৰেৰণাত মোৰ হৃদয়ত যি আসক্তি জন্মিল, তাৰ নিছাতে মই সকলো পাহৰি গলোঁ। মই যে তেওঁৰ কাৰণে সকলো সম্পদকে তুচ্ছ জ্ঞানে ত্যাগ কৰি তেওঁক মোৰ বান্ধোনৰ মাজত বন্দী কৰিব খোজোঁ।

সেই দিন ধৰি সেই ঠাইতে পথাৰৰ মাজত সদায় আমাৰ সাক্ষাত হয়। পথাৰৰ সেউজীয়া ঘাঁহনিৰ ওপৰেদি তেওঁ যায়

তেওঁৰ চুলিকোচা কেকোৰা, ক'লা চিক্‌চিক্ কৰে, দেহ সুঠাম সুন্দৰ, মুখখনি তেওঁৰ শুভ্ৰ, গাল দুখনি গোলাপ ফুলৰ পাহিৰদৰে নিমজ। টুক্ টুক্ কৰে, ৰঙা ওঠ দুটি যেন এটি বাগিচাৰ বুলবুলি চৰাইহে। গালৰ কাষেদি কেকোৰা চুলি দুডালিমান পৰি থাকে। মুগাৰ মেখেলাখন পিন্ধি লাহে লাহে ধীৰ মন্থৰ গতিত তেওঁ আহে। তেওঁক যেতিয়া মই চাওঁ, এই সকলোবোৰ দেখোঁ মই মোৰ পাৰ্থিব নয়নেৰে, তৃষ্ণা ভৰা প্ৰাণ লৈ। দূৰ-দূৰণিৰ পৰাই মই তেওঁৰ গতিটো পৰ্য্যন্ত চিনি পাওঁ। নানান ব্যস্ততাৰ মাজতো সেই সময়খিনিত মই মোৰ সকলো কাম পেলাই থৈ হলেও সেই পথাৰখনলৈ আহোঁ সদায়। মই সেই ফেৰা সময়ত তেওঁক তাতে দেখা দিওঁ। তেৱোঁ চাই মোক, ময়ো চাওঁ তেওঁক। এইদৰেই আমাৰ দিনবোৰ যায় চলি।

বেচি কব নোৱাৰোঁ, মাথো কব পাৰোঁ যে, এই সাক্ষাতটো মোৰ বৰ ভাল লাগে। ঠিক সদায় এইদৰেই তেওঁক এইখিনি ঠাইতে মোৰ বাস্তৱ নয়নেৰে চাব খোজোঁ। মোৰ বাস্তৱ নয়নৰ মোহ তেওঁৰ পাৰ্থিব সামগ্ৰীৰ কোনটোত, তাক মই কব নোৱাৰোঁ; কিন্তু মই মাথোন জানো যে, এই সাক্ষাতটো মোৰ অতি প্ৰিয়। এই সাক্ষাতৰ বতাহ লাগিয়ে হোলি উৎসৱৰ ফাকুৱাৰ ৰং লাগি ৰঙা ৰঙেৰে তিতি উঠিছে মোৰ জীৱন। তেওঁৰ লগত এই সাক্ষাতৰ অধিকাৰ মোৰ আছেনে

নাই, তাৰ বিচাৰ বাহিৰৰ কৃত্ৰিম নীতিৰ দ্বাৰাই মই চাই নিৰ্ণয় কৰিব নোৱাৰোঁ। মই জানোঁ মোৰ প্ৰাণৰ টান আছে হৃদয়ৰ বান্ধোন আছে, নয়নৰ দৃষ্টিও আছে। তাতকৈ আৰু বেচি একোৰে প্ৰয়োজন নাই। ই যে আমাৰ অনভিপ্ৰেত হোৱা দৃষ্টিৰ আকৰ্ষণ আৰু মুগ্ধতাৰপৰা অহা দৈনিক সাক্ষাত। আৰু, তেওঁ? তেওঁৰ আগ্ৰহ তেওঁৰ বান্ধোন নাথাকিলে মৱেই বা কেনেকৈ এই বান্ধোনত বান্ধ খাই এইদৰে আত্মহাৰা হ'ম? সেই বাবে তেওঁ মোৰ মানত সদায় মোৰ বাণী। মোৰ, বাণীক মই যতেই নাথাকক তাতেই চিনি পাম আৰু বিচাৰি উলিয়াম। আন নহলেও অন্ততঃ মোৰ বাণী মোৰ হৃদয় সিংহাসনত সদায়ে বহি থাকিব। এয়ে মোৰ তৃপ্তি, এয়ে মোৰ কল্পনা, আৰু এয়ে মোৰ মানস ফুলনিৰ কুঞ্জবনত থকা চেনেহী বুলবুলি চৰাই।

শেৱালি ফুল আৰু প্ৰিয়া

●

শৰতকালৰ শেৱালিৰ স্নিগ্ধ গন্ধৰদৰে তেৱেঁ। নিৰ্মল আৰু মধুৰ হৈ এদিন দেখা দিছিল মোৰ জীৱনৰ এটা সময়ত। প্ৰিয়া মোৰ—ভাবি মই মুগ্ধ হৈছিলোঁ।—প্ৰিয়া মোৰ।

শৰত ৰাতিৰ স্নিগ্ধ জোৎস্নাৰ প্ৰীতি পৰশত হাঁহি উঠা শেৱালি ফুলৰদৰে মোৰ এই ছন্দহীন জীৱনত এদিন তেওঁৰ সঙ্গ লাভ কৰি আনন্দত নাচি উঠিলোঁ। তেওঁৰ প্ৰীতি পৰশত মোৰ হিয়া উজ্জ্বল হৈ উঠিল।

তেওঁ মোৰ সোঁ-হাতখন তেওঁৰ কোমল হাত দুখনৰ মাজত সুমুৱাই হাতৰ আলিঙ্গন কৰে। মোৰ শিৰে শিৰে বিজুলি চমক লাগে, যেন তেওঁ আৰু মই আপোনতকৈ আপোন। তেওঁক মোৰ প্ৰিয়া কৰি ললোঁ। ভাবিলো জীৱনৰ তেৱেঁ হব কমৰেড, তেওঁক লৈ গৰ্ব কৰিম, আৰ তেওঁকে লৈ জীৱন পথত আগ বাঢ়িম।

তেওঁ মোৰ হাতখনত ধৰি কয়—"আপোনাক মই বিয়া কৰাম।" মই ভাবোঁ তেওঁ ইমান সবল, ইমান সুন্দৰ, ইমান সাহী, ইমান কোমল, ইমান স্নিগ্ধ।

ফাকুৱাৰ দিনাখন তেওঁৰ লগত মোৰ প্ৰথম দেখা। আঁতৰৰ সৌৰভত গোটেই ৰুমতো মলমলাই উঠিছিল আৰু ফাকুৱাৰ ৰঙৰ দৰে মোৰ যৌৱনো আছিল ৰঙা হৈ। সিদিনা ভাবিছিলোঁ মই পূৰ্ণিমাৰ জোনৰ পোহৰতকৈও বেচিকৈ কৰিম বুলি বিকশিত দশোদিশ। কাৰণ, তেওঁ আহি মোৰ ওচৰত বহিছিল আৰু তেওঁৰে সৰু ভনীয়েকজনীয়ে আমাৰ গাত আতৰ চতিয়াই দিছিল।

সেইদিন ধৰি তেওঁ আৰু মই; মই আৰু তেওঁ। আমাৰ ভবিষ্যত সোণৰ সপোনৰ সেইদিন ধৰি কত কথা, কত কল্পনা! * * *

শেৱালি ফুল ৰাতি তল-সৰে, পুৱা নিয়ৰৰ টোপালত সজীৱ আৰু সুন্দৰ হৈ থাকে। কিন্তু ৰদৰ তাপত শেৱালি ফুল-বিলাক মৰহি যায়. সন্ধিয়ালৈ সেইবোৰৰ সৌন্দৰ্য্য সেইবোৰৰ মধুৰতাৰ একোৱেই নাথাকে। সেইদৰেই শেৱালি ফুল মৰে; কিন্তু আকৌ ফুলে নতুন শেৱালি কলিবোৰ। কিন্তু এবাস্তিৰ পাচত সিহঁতো ৰ'দত মৰে। শেৱালি ফুল সঁচাই বৰ সুন্দৰ, কিন্তু ক্ষন্তেকৰ কাৰণে মাথোন সিহঁতৰ সেই কোমল সৌন্দৰ্য্য।

এদিন মোৰ প্ৰিয়াও যেন আৰু মোৰ প্ৰিয়া নাই ! মই দেখিলোঁ, তেওঁৰ অন্তৰ যেন কাৰবাৰ প্ৰভাৱত শুকাই জহি খহি গল। মই বজ্ৰাহত হৈ দেখিলোঁ—মোৰ প্ৰিয়া শুচি তেওঁ হৈ পৰিল হঠাতে এদিন আনৰ প্ৰিয়া। তেওঁ নিজক ৰক্ষা নকৰিলে। শেৱালি ফুলৰ দৰে কোন এক আন্ধাৰ গধূলি তেওঁ আনক দিলে নিজকে বিলাই।

মই কলোঁ "প্ৰিয়া, ভুল নকৰিবা, তুমি মোৰ প্ৰিয়া ; মোৰ প্ৰিয়া হৈ থাকা ; ময়ো থাকোঁ তোমাৰ প্ৰিয় হৈ।" তেওঁ শুনিলে—কিন্তু শুনিলেহে। দূৰে দূৰে আৱালত মোক তেওঁ কৰিলে প্ৰবঞ্চনা। ক্ৰমে মই বুজিব ধৰিলোঁ তেওঁ আৰু মোৰ মাজত যেনে বিৰাট পাৰ্থক্য, যদিও সদায়ে তেওঁ মোৰ ওচৰতে থাকি মোৰ হাতখন আলিঙ্গন কৰি থাকে। তথাপিও তেতিয়া জীৱনৰ প্ৰতি বা তেওঁৰ প্ৰতি মই বিৰক্ত নহলোঁ। সেয়ে শেৱালি ফুলৰ দৰেই ভাবিলোঁ মই তেওঁক। জীৱনক মই জীৱন বুলিয়ে ভাবো আৰু জীৱনৰ গতিত জীৱনৰ যি কোনো ঘটনাকে মই জীৱন বুলিয়ে লব জানোঁ।

লাহে লাহে বুজিলোঁ যে, মোৰ প্ৰিয়াই যদিও তেতিয়াও মোক বিয়া কৰাবলৈ প্ৰস্তুত, তথাপি সেইটো যেন তেওঁৰ অন্তৰৰ মিলনৰ কাৰণে নহয়, কেৱল সাংসাৰিক সুবিধাৰ কাৰণে বাহিৰৰ এটা ভণ্ডামিৰ আবৰণ সজাৰ কাৰণে। মই বুজিলোঁ যে, প্ৰথম পূৰ্বৰাগত মইযি দৰে তেওঁক কল্পনা কৰিছিলোঁ বাস্তৱত

তেওঁ তাৰ বিপৰীত। তেওঁ ভাবিছিল যে, সাধাৰণ মানুহৰ দৰে ময়ো তেওঁৰ এটা অবলম্বন হম, সাধাৰণ মানুহৰ দৰে ময়ো বিয়া কৰাম। হয়তো তেওঁ ভাবিছিল যে মোক অবলম্বন কৰিয়ে তেওঁ দুনিয়াৰ ক্ষন্তেকীয়া আনন্দ উৎসৱ কৰিয়ে তেওঁৰ কামনা চৰিতাৰ্থ কৰি চলিব পাৰিব। কিন্তু যিদিনা তেওঁ বুজিলে যে, মই মোৰ জীৱনক গোলাপফুলৰ বিছনা নকৰোঁ, মোৰ জীৱন এক কঠোৰ সংগ্ৰাম, মোৰ জীৱনে এক কঠোৰ আদৰ্শ আৰু ব্ৰত লৈছে, সেইদিনা যেন তেওঁ ভয় কৰিলে। বিয়াৰ মাজেদি মই বিচাৰিলোঁ—এজন 'মোৰ সংগ্ৰামৰ কমৰেড আৰু বিয়াৰ মাজেদি তেওঁ বিচাৰিছিল—তেওঁৰ ভোগ লালসাৰ এটা কেন্দ্ৰ বা অবলম্বন। এয়ে আমাৰ প্ৰভেদ।

তথাপি, তথাপি মই আৰু এদিন তেওঁ লগ ধৰিলোঁ। মই কলোঁ, "প্ৰিয়া ভুল নুবুজিবা। তোমাক নাপালে মোৰ একো ক্ষতি নহয়, জীৱনৰ বাটত মই আগৰদৰেই গৈ থাকিম। তুমি যদি সঁচাকৈয়ে মোক তোমাৰ অন্তৰেৰে ভালপোৱা তেন্তে ময়ো মোৰ সমস্ত দেহ মনেৰে ভাল পাম ; কিন্তু তোমাৰ ভালপোৱা লাভ কৰিবৰ কাৰণে মই আনৰ লগত প্ৰতিযোগিতা কৰি চেষ্টা কৰিব নোৱাৰোঁ, তাৰ কাৰণে মই তোমাৰ ওচৰত ধৈৰ্য্য আৰু তোষামোদৰ পৰীক্ষা দিব নোৱাৰোঁ। ভণ্ডামি কৰি আমি আমাৰ সমন্ধক মানুহৰ আগত প্ৰদৰ্শন কৰাৰ একো আৱশ্যক নাই প্ৰিয়া। সেই কাৰণে সোণকালে স্থিৰ কৰা তোমাৰ মন।" হয়তো তেওঁ এই কথা বুজিলে, হয়তো তেওঁ ইয়াৰ

সাৰমৰ্ম্ম বুজিব নোৱাৰিলে। তথাপি এইদৰেই আমাৰ জীৱন চলে, সেইদৰে তেওঁ মোৰ ওচৰলৈ আহি বহে, সেইদৰেই তেওঁ মোৰ হাতখন হাতৰ মাজত সুমুৱাই মোক মোহিত কৰিব খোজে।

শেষত এদিন মই তেওঁৰ ওচৰত বিদায় ললো। মই কলোঁ। "বিদায় প্ৰিয়া—তোমাক বাধা নিদিওঁ; তুমি তোমাৰ ইচ্ছামতে চলা—মোক মিছাতে তোমাৰ বন্ধনত নাৰাখিবা; ময়ো মোৰ পথত যাম; পুনৰ আৰু আমাৰ মিলন নহব তুমিও পাহৰি যাবা মোক, ময়ো পাহৰি যাম তোমাক। আজিয়ে শেষ কৰি দিয়া ভণ্ডামিৰ আৱৰণ আমাৰ।" কবৰ সময়ত হয়তো মোৰ ওঁঠ কপি উঠিছিল, হয়তো কণ্ঠৰোধ হৈ আহিছিল, মানুহ মই —মোৰ দুৰ্বলতা আহিছিল তেওঁক এইদৰে এৰি আহিবলৈ। তেওঁৰ পৰা এইদৰে মই বিদায় ললোঁ। তেতিয়া সেই ৰুমটোত কেবল আছিলোঁ আমি দুয়ো। মই যেতিয়া বিদায় লৈ উঠোঁ, তেৱেঁ হয়তো ভাবিছিল যে, মই পুনৰ তেওঁৰ মায়াত উভটি যাম। তেওঁ তেতিয়া গৰ্ব্বেৰে হাঁহিছিল, আৰু মই তেতিয়া লাজত আৰু দুখত নীৰবে কান্দিছিলোঁ।

মই আহিলো এইদৰেই মোৰ পথত। পথিক মই, কিহৰ দুখ কিহৰ চিন্তা, কিহৰ লাজ? সেই পথেৰেই মই যাম—যি পথত আহিছো ইমান দিনে। পথযাত্ৰাৰ হেতুকেই পাহৰিব পাৰিম মই তেওঁক। মই পাহৰিম তেওঁৰ ভণ্ডামি আৰু স্বাৰ্থপৰতাক।

যি অন্তৰেৰে তেওঁক এদিন ভাল পাইছিলোঁ। সেই অন্তৰেৰেই তেওঁক বিসৰ্জনো দিব পাৰিম। তেওঁৰ মায়াত আৱদ্ধ হৈছিলোঁ। নিজে—আৰু আজি সেই মায়াৰ বান্ধনো ছিঙিম নিজে। কাৰণ, সেই বন্ধন কেবল বাহিৰৰ এটা ভণ্ডামিৰ আবৰণ। এই ভণ্ডামিৰ আৱৰণৰ মাজত নিজক প্ৰবঞ্চনা কৰি থকাতকৈ তাৰ পৰা ওলাই আহি মুক্ত আৰু সৰল জীৱন যাপন কৰাই ভাল।

তেওঁ আহিছিল মোৰ জীৱনত শেৱালিফুলৰ দৰে ক্ষন্তেকৰ প্ৰিয়া হৈ। সেইদৰে তেওঁ শেৱালিফুলৰ দৰেই শুকাই লেৰেলি গল। আজি মই পাহৰিছোঁ তেওঁক। তেওঁক দেখিলেও নেদেখোঁ আজি মই।

কি দৰকাৰ এতিয়া মোৰ জীৱনত তেওঁৰ। তেওঁৰ ভাল-পোৱা তেওঁৰ সৌন্দৰ্য্য সকলো শেৱালিফুলৰ দৰেই যে ক্ষন্তেকীয়া! তেওঁক এটি তুচ্ছ শেৱালিফুল বুলিয়ে ভাবোঁ। জীৱনৰ বাটত অলপ সময়ৰ কাৰণে তেওঁৰ মৃদু গন্ধ পাইছিলোঁ।— আজি তাৰ কোনো চিন-চাবেই নাই। সকলো পাহৰিছোঁ; কিন্তু মনত ৰাখিছোঁ যে, মোৰ জীৱনত চিৰদিনলৈ তেওঁ অকণমানি এটা শেৱালিফুল।......

অতিথিলৈ

•

আজি সংসাৰৰ বা-মাৰলীত পৰি থৰকাচুতি হেৰুৱাই ব্যৰ্থতাৰ তীব্ৰ দাবানলত পৰি যেতিয়া মই জ্বলি পুৰি মৰিব লাগিছোঁ, আজি এই ভগ্ন কুটীৰত পৰিত্যক্ত আৰু পতিতৰ দৰে যেতিয়া মই অকলে অকলে নিজৰ হৃদয়ৰ লগতে সংগ্ৰাম কৰিব লাগিছোঁ, তেতিয়াহে আহি তুমি দিলা দেখা। কত বিৰহী নিশাৰ বেদনা দি শেষত আজিহে তুমি আহিলা!

তুমি কৈছা, এৰাতিৰ অতিথি তুমি। মোৰ অতিথিতো, নহয় তুমি, চেনেহৰ সখা—বুকুৰ বান্ধৈ মোৰ। আপোনতকৈও আপোন তুমি মোৰ, সেয়েহে আহিলা আজি তুমি। নহলে মোৰ এই ভগ্ন কুটীৰত তুমি অতিথি হৈ দেখা নিদিলাহেঁতেন। হয়তো ৰাজ কাৰেংঙত ৰাজ অতিথি হব পাৰিলাহেঁতেন তুমি। কিন্তু তথাপি তুমি আহিছা মোক বিচাৰি—মোৰ এই পৰ্ণ কুটীৰলৈ তোমা'ক পাবলৈ কিমান দিনৰ পৰা প্ৰতীক্ষা কৰি আছিলোঁ বন্ধু! আজিহে চিনিছোঁ, আজিহে চিনিছোঁ তোমাক সখি! তোমাৰ পৰশতে নিজকো চিনিছোঁ, আজি। তুমি নাহিলা, তেতিয়া নাহিলা কিয় যেতিয়া মই তোমাক আকুল

আহ্বান কৰি মাতিছিলোঁ। সুখৰ আস্বাদন লৈ মোৰ জীৱনৰ বসন্তোৎসৱত যোগ দিবলৈ তুমি তেতিয়া নাহিলা। যেতিয়া মোৰ জীৱনৰ কুঞ্জবনত গোলাপ কলি ফুলি উঠিছিল, তেতিয়া তাক চাবলৈ তাৰ সৌৰভ লবলৈ তুমি নাহিলা। তেতিয়া অলিকুলৰদৰে তথাকথিত কত বন্ধু কত শুভাকাঙ্ক্ষী আহিছিল—মোৰ সুখৰ, মোৰ আনন্দোৎসৱৰ ভাগ লবলৈ আৰু মোক উপদেশ দি আত্মপ্ৰসাদ লভিবলৈ। জীৱন-সংগ্ৰামত আজি যেতিযা মই সৰ্বহাৰা হৈ ক্লান্তিত বহি পৰিছোঁ আৰু মোৰ সেই কুঞ্জবন' মৰুভূমিত পৰিণত হৈছে, সেইসকল কাকো দেখা নাপাওঁ। তেওঁলোকে ভুলতে দেখা পালেও মুখ ঘূৰাই বিদ্ৰূপৰ শৰ নিক্ষেপ কৰি গুচি যায়। এই অলি-কুল নাহে, কাৰণ মোৰ কুঞ্জবনত গোলাপফুলৰ সেই সৌৰভ, সেই ৰূপ নাই। আজি মোৰ বাগিচাত সেই মধু নাই, যি মধুৰ লোভত সেই অলিকুলে লালায়িত হৈ আহি মোক ভুলাব।

এনে দুৰ্দিনত কি চাবলৈ, কি লবলৈ আহিলা বান্ধৈ? যৌৱনৰ তপত শোণিতৰ যেতিয়া উতল উঠিছিল, তেতিয়াতো তুমি নাহিলা। কোন ৰাজ্যত তেতিয়া তুমি লুকাই আছিলা? বুজিছোঁ, বুজিছোঁ, তুমিহে মোৰ আচল বন্ধু। আজি মোৰ মুখৰ হাঁহিটিও নাই; মুখ শুকাই নিস্তেজ হৈ পৰিছে, জীৱন মৰু হৈ উঠিছে। মোৰ দীঘল দীঘল উশাহ ওলাই ওচৰৰ বতাহকো বিষাক্ত কৰি তুলিছে। জীৱন সংগ্ৰামত সকলো হেৰুৱাই, এই দীন হীন ভাৱে ইয়াতে পৰি আছোঁ। হয়তো

এইদৰেই মোৰ শেষ সমাধি হৈ যাব; কোনেও নজানাকৈ, কোনেও নুবুজাকৈ এই মৰুভূমিৰ তপত বালিৰ ওপৰতে। বন্ধু, কি কম দুখৰ কথা, নিৰাশাত হোৱা ক্লৈব্যই মোক চাৰিও পিনৰপৰা ঢাকোঁ ঢাকোঁ, দৰিদ্ৰতাই গ্ৰাস কৰোঁ কৰোঁ, বাধাৰ প্ৰকাণ্ড প্ৰকাণ্ড ধুমুহাই মোক ধূলিৰ লগত মিহলি কৰি দিওঁ দিওঁ।

তোমাক পাই আজি এক দুৰ্জয় সাহ পাইচোঁ। কোনো কথা নাই কমৰেড্, জীৱনৰ আগত যি দুখ বিপদ বাধা-বিঘিনিৰ স্তূপ থিয় হৈ বাধা দিছে, তাক পুৰি চাই কৰিম আমাৰ বন্ধুত্বৰ অগ্নিশিখাৰে। অতীতৰ পৰাজয়ৰ কথা সকলো পাহৰি যাম আজি; সকলোকে অৱজ্ঞা কৰিম আজি।

আজি ৰাতি খাবলৈ আমাৰ একো নাই। কোনো কথা নাই'—তোমাৰ আগত কিহৰ লাজ। তোমাৰ ওঠত মোৰ ওঠ লগাই দি পৰম তৃপ্তি অনুভৱ কৰিম আৰু সেই তৃপ্তিৰ অনুভৱতেই সঞ্চয় কৰিম শক্তি। দাৰুণ শীতত উৰিবলৈ আমাৰ এখন ভাল কাপোৰ নাই। কোনো কথা নাই বান্ধৈ, মোৰ বাহু বেষ্টনীত তোমাক সুমুৱাই লম। এই আলিঙ্গনত যি উচ্চাস, যি অনুভূতি আহিব, তাৰ আগত শীতৰ পৰাক্ৰম অতি তুচ্ছ।

কাইলৈ ৰাতিপুৱাতে তুমি মোৰ এই ভগ্ন কুটীৰ এৰিব খুজিছা। এৰাতিৰ কাৰণেহে তুমি মোৰ আতিথ্য লবা। এই কুলক্ষণীয়া ঘৰ যিমাণেই পৱিত্ৰ নহওক, ময়ো কাইলৈ ইয়াক ত্যাগ কৰিম। এই কুটীৰ এৰি পলাব লাগিব বান্ধৈ নহলে ইয়াত জীৱনতে মৰণ। এই মৰুভূমিৰ মৰুজীৱন যাপন কৰাতকৈ

ময়ো যাম অনন্ত পথৰ পথিক হৈ। কিন্তু বান্ধৈ; কাইলৈ ৰাতিপুৱা উষাৰ অৰুণত জিলিকি উঠা স্বৰ্ণজ্যোতিৰ মাজেদি তোমাৰ জীৱনক বিকশিত কৰি তুমি যাবা পূব ফালে আৰু বিৰহৰ দাৰুণ যন্ত্ৰণাত ছাৰখাৰ হৈ কাইলৈ মই যাম অস্তাচলৰ আন্ধাৰৰ লগে লগে নিৰুদ্দেশৰ যাত্ৰা-পথত পশ্চিমৰ ফালে। হয়তো জীৱণত আৰু আমাৰ কোনোদিনে দেখা-দেখি নহব। হয়তো আজি ৰাতিৰ অতিথি-পূজাই মোৰ শেষ পূজা হব।

কিন্তু দৰদী কমৰেড্! বাট আমাৰ যিযেই নহওক, দিশ আমাৰ যিফালেই নহওক, আজিৰ এই অতিথি পূজা— আজিৰ এই মিলন— আমাৰ যেন প্ৰত্যেক টোপা তেজৰ লগতে মিহলি হৈ পৰে। মোৰ এই পূজা দীন হলেও হীন নহয়, ক্ষুদ্ৰ হলেও তুচ্ছ নহয়। ই মোৰ বুকুৰ তেজৰ প্ৰেমাঞ্জলি দি কৰা পূজা। এই স্মৃতিক যেন পূবৰ অৰুণৰ দৰেই তোমাৰ হৃদয় আকাশত উজ্জ্বলাই ৰাখা। মোৰ কাৰণে আজিৰ এই অতিথি-পূজা চিৰকাললৈ বুকুৰ ধন হৈয়ে থাকিব। সেই কাৰণে প্ৰাণৰ অতিথি মোৰ। —পশ্চিমৰ ফালে মই গ'লেও চিৰকাল তোমাৰ স্মৃতিয়ে মোক নিব আগবঢ়াই আৰু আন্ধাৰৰ মাজেদি বাট বুলিলেও তোমাৰ স্মৃতিৰ আলোকে মোক নিব বাট দেখুৱাই। সেই কাৰণেই তুমি অতিথি হলেও জীৱণ-মৰণৰ কমৰেড্ মোৰ।

ব্যৱধান

●

সামান্য এখন দেৱাল। কিন্তু ইয়াকে দেখোন মই ভাঙিব নোৱাৰোঁ। অকল এই সামান্য বেৰখনেই আমালোকৰ মাজত যি ব্যৱধানৰ সৃষ্টি কৰিছে, সেই ব্যৱধানকে গুচাবৰ শক্তি নাই। কি নিদাৰুণ ব্যৰ্থতা আমাৰ।

বেৰৰ সিফালে তেওঁ আৰু ইফালে মই। তেওঁক মই দেখা নাই আৰু দেখিবলৈও সুবিধা নাই। বেৰৰ সিফালে তেওঁ লুকাই ঢাক খাই আছে। সন্ধিয়া বেলিকা তেওঁ গায় গান। কি সুন্দৰ সেই গীতধ্বনি। ধূপ-ধুনাৰ যি গন্ধ ওলায়, সেইবোৰো বেৰৰ ইফালে আহে। আনকি তাৰ ধোঁৱা পৰ্য্যন্ত বেৰৰ ওপৰেদি আহি মোৰ কোঠাত সোমায়। কিন্তু তেওঁ নাহে। তেওঁ নাহে; তেওঁ বেৰখন পাৰ হৈ আহিব নোৱাৰে।

ৰ

মোৰো যে বেৰখন ভাঙি দিবৰ শক্তি নাই। তেওঁৰ গান শুনোঁ, ধূপ-ধুনাৰ গন্ধ পাওঁ; এইদৰেই সকলো আছে, তেওঁ কিন্তু আহিব নোৱাৰে। ক্লান্তি আৰু হতাশত মই ধিমিক-ধামাককৈ জ্বলি থকা চাকিটোৰ ওচৰতে বহি পৰোঁ।

তেওঁৰ সঙ্গীতৰ কি ঝঙ্কাৰ! কি আহ্বান! মই থিৰেৰে থাকিব নোৱাৰোঁ। তেওঁৰ সুৰ লাহে লাহে কোমল হৈ পৰে। কি কৰুণ আৰু মধুৰ সেই সুৰ। আকৌ লাহে লাহে তেওঁৰ কণ্ঠস্বৰ উচ্চতৰ হয় আৰু আকাশৰ বতাহকো স্তব্ধ কৰি দি সি ঝঙ্কাৰিত হৈ উঠে। মই নিৰ্জন কোঠাটোৰ ভিতৰতে পদ নিক্ষেপ কৰি ইফাল সিফালকৈ ঘূৰি ফুৰোঁ; চঞ্চল হৈ উঠোঁ; অধীৰ হৈ পৰোঁ। নিজৰ হাত মুঠি মাৰি নিজকে নিজে বজ্ৰৰ নিচিনা কঠোৰ হবলৈ বিচাৰোঁ। এনেতে আকৌ তেওঁৰ নৃত্যৰ তালে তালে দিয়া ঝুনুকাৰ ৰুণু-ঝুনু শব্দ শুনোঁ। মই আৰু ব্যাকুল হৈ উঠোঁ। নিৰ্জন কোঠাৰ পৰা বাহিৰলৈ ওলাই সগৰ্বে থিয় দি থকা বেৰ-খনৰ ওচৰলৈ যাওঁ। বেৰখনত নিষ্ঠুৰ ভাৱে ভুটামান গোৰ মাৰোঁ। কিন্তু মোৰ কি সাধ্য যে বেৰ ভাঙিব পাৰিম। বৰং তাৰ প্ৰতিঘাতত নিজৰ ভৰিতে দুখ পাওঁ। নিষ্ঠুৰ অকৃতকাৰ্য্যতাত আৰু নিজৰ এই দাৰুণ দুৰ্বলতাত নিজে নিজে দুখ আৰু লাজত মূৰে কপালে হাত দিওঁ। প্ৰতিদিনে ভাবোঁ,—

হয়তো কালিৰ আঘাতত বেৰখন দুৰ্বল হৈ আছে, আজিৰ আঘাতত ভাগিব। কিন্তু আজি কতদিন অতীত হল, তথাপি এই বেৰখনকে ভাঙিব পৰা নাই।

হতাশ হৈ নিজৰ কোঠাটোলৈ নীৰৱে অকলে অকলে আহোঁ। বিছনাত শুই পৰোঁ। মাজনিশা ভীষণ সপোন দেখোঁ। সপোনত চিঞৰি উঠোঁ আৰু সাৰ পাওঁ। আধা-জ্বলা লেমটোৰ ফিটাডাল বেছিকৈ জ্বলাই দিওঁ। এখন কিতাপ আনি পঢ়িবলৈ ব্যৰ্থ চেষ্টা কৰোঁ। পঢ়িবলৈ এৰি তাক বন্ধ কৰি থওঁ। মনৰ আবেগত অকলে অকলে বহি গান গাওঁ। নিস্তব্ধ কোঠাটোৰ মাজতে মোৰ গানৰ ব্যৰ্থ সুৰ লয় পায়। বেৰৰ সিফালে থকাজনৰ প্ৰতিয়ে লক্ষ্য কৰি ব্যৰ্থতাৰ গীত গাওঁ। চকুলো ওলায়, হুক-হুককৈ কান্দি পেলাওঁ। নাজানোঁ, এইবোৰ তেওঁ শুনে নে নুশুনে; বোধকৰোঁ তেওঁ নুশুনে। তেওঁ চাগৈ তেতিয়া ভৰ টোপনিত।

এনেতে ঝন্ ঝন্ শব্দ শুনোঁ। তেওঁ নিদ্ৰাৱস্থাতে সপোন দেখি বাগৰ সলাওঁতেই হাতৰ খাৰুৰ এই ঝন্ ঝন্ শব্দ উঠিছে, নে মোৰ গান শুনিয়ে তেওঁ মোক ইঙ্গিত কৰি মাতিছে, মই তাক বুজিব নোৱাৰোঁ। চাকিটো নুমাই দি আন্ধাৰত বিছনাত আকৌ শুই পৰোঁ। কিন্তু আন্ধাৰতো মই তেওঁৰ কল্পনা-

প্ৰস্মৃত এখন প্ৰতিমা দেখোঁ। উপায় নাই, আন্ধাৰতো মই দেখোঁ। আকৌ ঝন্ ঝন্ শব্দ। এই শব্দত মই দুগুণে উত্তেজিত হৈ উঠোঁ। একো কব নোৱাৰোঁ। প্ৰাণৰ অদম্য উত্তেজনাত আৰু কিবা এটা অভূতপূৰ্ব প্ৰেৰণাত মোৰ নিৰ্জীৱ গাৰুটোকে বুকুৰ মাজত সাৱটি মাৰি ধৰোঁ।

হায়! কি নিদাৰুণ বেৰ। এইখনেই প্ৰাণৰ বেদনা আৰু হৃদয়ৰ অশান্তিৰ মূল।

হয়তো এই ব্যৰ্থ প্ৰয়াসতে মোৰ ক্ষন্তেকীয়া জীৱন শেষ হৈ যাব। মোৰ পাচত আকৌ কোনোবা চাগৈ এই কোঠা-টোলৈ আহি বাস কৰিব। তেওঁৰো হয়তো মোৰেই নিচিনা দৈনিক জীৱন হব। হায়! এই নিদাৰুণ বেৰখন ভাঙিব কোনে? এই বেৰ কি চিৰকালেই থিয় হৈ থাকিব।

আজি ৰাতি

•

শুনিবানে দৰদী ?

দাৰুণ ব্যস্ততাৰ কাৰণে তোমাক লগ ধৰিবলৈ এফেৰি সময় সুযোগ কৰিব নোৱাৰোঁ। তাতে যে আকৌ আছে তোমাৰ মোৰ মাজত কিমান বাধা, কিমান ব্যৱধান।

তথাপি তোমাৰ ওচৰলৈ কতদিন গৈছোঁ, কতদিন তোমাৰ উদাসীনতা দেখি উভতি আহিছোঁ। বুকু ফাটি তেজৰ নদী বৈ যাব খোজে, তথাপি আমি একেলগ হৈ এষাৰ কথা কব নোৱাৰোঁ। কাৰণ যুগ-যুগান্তৰৰ ব্যৱস্থাত আমি দাসৰো দাস, ভীৰু, ক্লীব হৈ পৰিছোঁ। সেয়ে অন্তৰৰ কথা অন্তৰতে বৈ যায় সদায়। তোমাক দূৰে দূৰে দেখোঁ প্ৰায়েই, কিন্তু প্ৰাণ খুলি কথা কবলৈ তোমাক মোৰ ওচৰত নাপাওঁ এদিনো।

কিন্তু আজি ৰাতি তোমাক পাইছোঁ। অন্তৰৰ নিভৃততম্ স্থানত তোমাৰ দৰশনত যি আনন্দাবেগ আৰু অনুপ্ৰেৰণা জাগি উঠিছে, তাক আজি সকলো লাজ আৰু ভয় এৰি তোমাক খুলি কবলৈ আগ বাঢ়িছোঁ। সেইবোৰ তুমি শুনিব লাগিব প্ৰিয়া। আজিৰ এই অন্ধকাৰৰ মাজত তোমাক ৰাখি অন্ধকাৰৰ মাজতে তোমাৰ ৰঙা ওঠত মোৰ পগলা ওঠ লগাই গোটেই ৰাতিতো কটাব খুজিছোঁ, সেইবোৰৰ কথা কৈয়েই। আজি তোমাক কব খুজিছোঁ—মোৰ চঞ্চল অণু-পৰমাণুবোৰৰ তোমাৰ কাৰণে যি ভাল্ পোৱা, তাৰ গৌৰৱ কাহিনী।

মোৰ অন্তৰত যিদৰে তোমালৈ এটি প্ৰৱল আসক্তি জাগি উঠিছে—হয়তো তোমাৰ অন্তৰতো সেই একে আসক্তি একেদৰে জাগি উঠিছে ; কিন্তু তথাপি তুমি ফুটাই কব নোৱাৰা যে, তুমি মোক বিচাৰা। তোমাৰ এই ভীৰুতাৰ বাবেই হয়তো মোৰ গোটেই জীৱন আজি ৰাতিৰ সুধা-সঙ্গৰ পাচতেই দিশ-হাৰা হৈ ধ্বংসৰ বাটত আগবাঢ়িব। তাৰ বাবে হবা তুমিয়েই দায়ী। যেতিয়া মোৰ ক্ষমা কৰাৰ শক্তি নাথাকিব, তেতিয়া হয়তো তুমি খুজিবা তাৰ বাবে ক্ষমা, আৰু যেতিয়া মোৰ জৰাগ্ৰস্ত যৌৱনৰ হব সমাধি, তেতিয়া হয়তো আহিবা তুমি মোৰ যৌৱন বিচাৰি।

প্ৰিয়া ভুল নকৰিবা। আজি ৰাতিৰ তোমাৰ এটি কথাই হয়তো মোৰ জীৱন যৌৱন সকলো ৰক্ষা কৰিব। তোমাকো

কব লাগিছে নে—অন্তৰৰ যি তীব্ৰ অনুভূতি, যি বেদনা আৰু যি জ্বালা, তাক সহ্য কৰি মোৰ সকলো ভাৱকে সংযত কৰি মই বাহিৰত এখন ভণ্ডামিৰ মুখা পিন্ধি তথাকথিত নৈতিকতাৰ ব্যৱস্থা পালন কৰি নীতিজ্ঞ হব নোৱাৰোঁ ? তুমিও কি নাজানা এই যে সংযমৰ সংগ্ৰাম, এই যে ভালপোৱাক গোপন কৰাৰ আগ্নেয়গিৰি, এই সকলোৱেই যে মোৰ হৃদয়খনকেই পুৰি দেই ক'লা কৰি দিলে ? তুমিতো জানাই মোৰ যৌৱন আজি বিদ্ৰোহী। তুমিতো জানাই বন্ধু, জীৱনৰ যি চঞ্চল সত্য, তাক মই কোনোমতেই নোৱাৰিম এৰিব।

মৰমী ! দাৰুণ ব্যস্ততাৰ জীৱনতো মোৰ অন্তৰত এখন প্ৰেমৰাজ্য আছে, কিন্তু তাৰ খবৰ কেৱে নাৰাখে। তুমিও এই খবৰ জানিও নজনাৰ ভাও জুৰিছা। সেই কাৰণেই আজি শত আনন্দৰ মাজতো মই চিৰদুখী আৰু হতভাগ্য। আটাইতকৈ বেচি দুখ এই কাৰণে যে, মোক সকলোৱে ভুল বুজে। তুমিও মোক ভুল বুজা। এই এফেৰি মাথোন মৰম বিচাৰোঁ, তাকো মই পাবৰ অযোগ্য নে, বান্ধৈ ?

প্ৰিয়া ! ইমানতো আৰু পলম কৰাৰ সকাম কি ? সকলো ধৰ্ম্ম, সকলো সমাজ নেওচা দি, মই আজি আহিছোঁ, তোমাৰ মনোৰাজ্যত মোৰ প্ৰেম দেৱতাৰ প্ৰতিষ্ঠা কৰিবলৈ। ইমান দিন প্ৰেম আছিল বন্দী হৈ। পূৰ্বৰাগৰ প্ৰেৰণাই মোৰ হৃদয়ত

যি অদম্য শক্তি দিছে, সেই শক্তিৰ বলেৰেই প্ৰেম যি কাৰাগাৰত বন্দী হৈ পচি পচি মৰিব লাগিছিল, সেই কাৰাগাৰ ভাঙি মই আজি মোৰ আতুৰ প্ৰেমক লৈ আহিছোঁ তোমাৰ ওচৰলৈ, মোৰ সেই বহুদিনৰ বাঞ্ছিত প্ৰেম-পূজাৰ পূৰ্ণতাৰ বাবে। আজি আৰু মোৰ ভয় নাই, আজি আৰু মোৰ লাজ নাই। সমাজ কি আজি মই নুবুজোঁ; ধৰ্ম কি আজি মই নামানোঁ। নীতি-অনীতি, বৈধ-অবৈধ এই সকলোবে বাহিৰ আজি মই। মই ভাবোঁ আজি মই পূৰ্ণতাৰ বাটত। সেই পূৰ্ণতাৰ কাৰণেই আজি ৰাতি মই তোমাক বিচাৰোঁ।

প্ৰিয়া, ওচৰ চাপি আহা। তোমাৰ কোমল বুকুৰ পৰশ মোৰ কঠিন বুকুত দি মোক সঞ্জীৱিত কৰি তোলা। তোমাৰ কোমল হাতেৰে মোৰ কঠিন হৃদয়ক সাৱট মাৰি ধৰা।—ভয় কৰিছা? সঙ্কোচ কৰিছা? আজিৰ কাৰণে নিৰ্ভয়ে নিঃসঙ্কোচে আমি আমাৰ লালসাক সফল কৰি তুলিম। এয়ে আমাৰ ৰাজ-কাৰেং, এয়ে আমাৰ সোণৰ পালেং; তোমাৰ আলিঙ্গনৰ যি পৰশ, তাৰ শিহৰণতে ৰাজ-প্ৰাসাদ ৰাজ-কাৰেঙৰ হব সৃষ্টি।

অমৃতে হেনো অমৃতক জীৱন দিয়ে। সুৰাৰ নিচাত হেনো মানুহে দুখ-বেদনা পাহৰি নতুন বল পায়। অমৃত কবিৰ কল্পনা, তাকতো মানুহে নাপায়। সুৰাৰ সোৱাদ পোৱা নাই, কিন্তু তাৰ নিচাত মানুহৰ যি অজ্ঞানতা আহে আৰু

আনন্দৰ যি দুৰ্গতি হয়, তাক দেখিলেই ঘৃণা জন্মে। কিন্তু সুৰা নালাগে, অমৃতো নালাগে আমাক আজি। আজি আমাৰ জীৱনত যি মাদকতা, যি উত্তেজনা, যি সুখাবেশ আহিছে, সেয়ে আমাৰ অমৃত ; তাক কোনো সুৰাৰ নিচাই দিব নোৱাৰে। এবাতিৰ কাৰণে হলেও তোমাক পাই আজি যি জীৱন-সুৰাৰ সোৱাদ, পাইছোঁ, ইয়াতকৈ আৰু জানো সাংসাৰিক শ্ৰেষ্ঠ সোৱাদ শ্ৰেষ্ঠ সুখ থাকিব পাৰে ? তোমাৰ ৰঙা ওঠৰ পৰশে মোৰ শৰীৰত যি শিহৰণ তুলিব, তোমাৰ বুকুৰ পৰশে মোৰ বুকুত যি উৎসাহ উদ্দীপনাৰ বন্যা বোৱাব, সিহঁতৰ তীব্ৰতাৰে, সিহঁতৰ প্ৰেৰণাৰে, দুৰ্ঘোৰ জীৱন সংগ্ৰামতো জয়মাল্য পিন্ধিব পাৰিম মই।

সেই কাৰণে আহা হৃদয়ৰ সকলো ভালপোৱাৰ সৌৰভ মুক্ত কৰি তোমাৰ চুমাৰ পৰশ দি মোক সঞ্জীৱিত কৰি তোলা। আমাৰ আজিৰ এই চুমাৰ পৰশত আমি ইটোৱে সিটোৱে হম আজি মুক্ত, আমি হম স্বাধীন, আমি হম মহাবিশ্বৰ আদিম কালৰ সংস্কাৰবিহীন, শাস্ত্ৰবিহীন, ব্যৱধানবিহীন আদি মানৱ। আহা ভণ্ডামিৰ আৱৰণ মোকোলাই পেলোৱা। ভাবা, পৃথিবীত আৰু কোনো নাই।—তুমি আৰু মই—মই আৰু তুমি। দিয়া, তোমাৰ সেই মধুৰ চুমাৰ পৰশেৰে সেই আদিযুগৰেপৰা চলি অহা মহাসত্যৰ প্ৰকাশ কৰি দিয়া।

তৃষ্ণা

●

তৃষ্ণা !
বুকু ফটা তৃষ্ণা !
জীৱন বসন্তৰ শিহৰণত জাগি উঠা মোৰ উন্মাদ তৃষ্ণা !
শুনিবানে সেই তৃষ্ণাৰ কথাটি,
মোৰ বুকুৰ ব্যথাটি,
অসীম 'ইথাৰ' সমুদ্ৰৰাজিত ঢৌ তুলি যোৱা মোৰ
—সেই প্ৰাণৰ কঁপনি ?

ৰুদ্ধ হৈ আছে
যৌৱন উদ্ভ্ৰান্ত
হিয়াত উপচি আছে
ভালপোৱা অনন্ত।

নাজানে !
বুকুৰ ভিতৰত লুকাই থকা সৌৰভৰ কথা,
হায় ! কোনেও নাজানে।

সুবুজে !
মোক লাগে ভালপোৱাৰ লগৰী
মই যাওঁ ভাল পাবলৈ আগবাঢ়ি ।
মোক লাগে এজনা
যাৰ অন্তৰত আছে ভালপোৱাৰ তীব্ৰ বিদ্যুত-কণা
মোক লাগে তেনে জনা ।

মোক লাগে এজনা
মোৰ পৰশ মাত্ৰেই উঠে যি,
যৌৱন স্পৰ্শ গৌৰৱত
আকুলি ব্যাকুলি মৰ্মৰি শিহৰি ।

মোক লাগে এজনা,
যাৰ প্ৰাণত জ্বলি আছে মোৰেই দৰে
আদৰ্শৰ এক জলন্ত গৰিমা ।

মোকতো নালাগে,
কুমাৰীৰ ভীৰুতা ;
মোক নালাগে—নাৰীৰ কামনাতুৰ ভালপোৱা ।

মোকতো নালাগে
তেনে প্ৰশংসা, তেনে ভক্তি,
য'ত নাই মোৰ প্ৰকৃত স্বত্বা—প্ৰীতি ।

মোকতো নালাগে,
সংসাৰৰ কোনো অসম্পূৰ্ণতা
মোৰ প্ৰাণত যে হায় অতৃপ্ত বুভুক্ষা!

বিৰাট অভাৱ, বিৰাট ব্যথা
মোৰ প্ৰাণত,
মোৰ এই ক্ষুদ্ৰ বুকুত।
পৃথিবীৰ সুখ, দুখ, আনন্দত
মোৰ প্ৰাণ নহয় বন্দী।
আগেয়েতো কৈছোঁ—
অসীম 'ইথাৰ' সমুদ্ৰ-ৰাজিত ঢৌ তুলি যোৱা মোৰ সেই প্ৰাণৰ কঁপনি!

মদৰ জীৱন নহয় মোৰ।
সেয়েহে পায়ো সংসাৰত নানা ভালপোৱা,—
—নানা সুখ, নানা অভিজ্ঞতা
প্ৰাণত বাঢ়ে একে বুভুক্ষাৰ তীব্ৰতা।

মই এটা উল্কা গতি।
যাব খোজোঁ মই এৰোপ্লেনৰ দৰে—
নহয়—নহয়—
বিজুলীৰ দৰে লক্ষ লক্ষ যোজন একেদিনে, একেমুহূৰ্ত্তে।

এই জগতৰ বহু ওপৰলৈ—বহু ওপৰলৈ—মেঘৰ আঁৰালৈ
যাব খোজোঁ মই উৰি
যত কৰিছে তৰাবিলাকে খেদাখেদি
যাব খোজোঁ অৰূপ ৰূপৰ সন্ধানত, হৈ অশান্ত, অতৃপ্ত।
ইমানতো কিন্তু স্থিৰ নহব মোৰ অন্তৰ বুভুক্ষিত।

মোৰ জীৱন নহয় সীমাবদ্ধ
এই জগতৰ সীমাবদ্ধ তৃপ্তিত
কিয় হম মই শান্ত?

মই বিচাৰোঁ মেঘৰ স্পৰ্শ।
মই বিচাৰোঁ—
এই জগতত নেদেখা নুশুনা অসীম হৰ্ষ।

মই অতৃপ্ত
তথাপি মই সুখী
তথাপি মই যাম আগবাঢ়ি।

থাকক !
কি কথা আছে ?
থাকক মোৰ প্ৰাণ হৈ সদায়ে অতৃপ্ত
জ্বলক মোৰ প্ৰাণত সদায়ে বুভুক্ষাৰ অগনি দীপ্ত।

অসীম ইথাৰ সমুদ্ৰৰাজিত ঢৌ তুলি যোৱা
মোৰ সেই প্ৰাণৰ কঁপনি।
কিয়নো মই হম শান্ত ?
মই থাকিম সদায়ে হৈ অতৃপ্ত !
অতৃপ্ত !

—— x ——

উতলা তেজ

•

যৌৱনৰ তীব্ৰ অনুভূতিত উতলে তেজ মোৰ। অনুভূতিৰ তপত তেজ উতলে, প্ৰাণ উতলে, উতলে মোৰ সকলো। যৌৱনে বিচাৰে ধ্বংস, আৰু ধ্বংসই বিচাৰে সৃষ্টি। এফালে ধ্বংস আনফালে সৃষ্টি। ধ্বংস, ধ্বংসত কি আনন্দ মোৰ! আকৌ সেই ধ্বংসৰ ভেটিতে মোৰ সৃষ্টিয়ে যেতিয়া ঠন ধৰি উঠিব, মোৰ প্ৰাণত জাগি উঠিব কিমান আনন্দ, কিমান গৌৰৱ, কিমান সুখ। সেই কাৰণে মই বিচাৰোঁ—প্ৰথম ধ্বংস, তাৰ পাচত হব মোৰ ৰাঙলি সৃষ্টি।

কি উন্মাদনা, কি প্ৰেৰণা, কি শক্তিৰ উচ্ছাস উঠিছে আজি মোৰ! ৰঙা তেজবোৰ উতলি পৰিব খোজে। নহয়, নহয়, বানবাৰিষাৰ প্ৰচণ্ড সোঁতৰদৰে যাব খোজে বৈ; আজি যৌৱনৰ পাগল হাৱাৰ পৰশত জাগি উঠিছে মোৰ তন্দ্ৰাভূত হৃদয়! আজি মই উন্মাদ—উন্মাদ—বিশ্ববিজয়ী উন্মাদ মই। বলিয়া ফাটেকৰ অদ্ভুত কয়দী মইতো নহয়! মই যে নৱযৌৱনৰ নতুন অভিযানৰ পাগল সৈন্য।

বিদ্ৰোহ। বিদ্ৰোহী মই। বাধা নামানোঁ, বিধিনি নামানোঁ, নামানোঁ সংসাৰৰ অন্ধ বিশ্বাস। নামানোঁ মই একোকে। একালৰপৰা আজি প্ৰকাণ্ড প্ৰকাণ্ড বাধাৰ বেৰবোৰ চূৰ্ণ-বিচূৰ্ণ কৰি ভাঙি যাম—বিদ্ৰোহৰ দাবানল আৰু বিদ্ৰোহৰ ধুমুহাৰে আজি মই পাগলাদিয়া নদীৰদৰে সকলো ভাঙি-ছিঙি মষিমূৰ কৰি যাম আগবাঢ়ি। বহু যুগৰ পুঞ্জীভূত অত্যাচাৰী দানৱৰ যি সমাজ ব্যৱস্থা, ৰাষ্ট্ৰৰ যি শোষণ যন্ত্ৰ, ধৰ্ম্মৰ যি ভণ্ডামি, এই সকলোৰে বিপ্লৱৰ দাবানলত আজি মই দিম ধ্বংস যজ্ঞৰ প্ৰথম আহুতি। ধ্বংস লাগে মোক। কি আনন্দ। লাগে মোক বিপ্লব। বিপ্লবতে মোৰ আনন্দ। বিপ্লবৰ সন্তান মই। আজি মোৰ শিৰে শিৰে তপত তেজৰ উৎফুল্ল জয়ধ্বনি "ইনক্লাব জিন্দাবাদ, জয়-বিপ্লবীৰ জয়। বিপ্লব দীৰ্ঘজীৱী হওক।"

মই উচ্ছৃঙ্খল, উদ্ধত, আৰু ব্যভিচাৰী। উচ্ছৃঙ্খলতাৰে মই বিচাৰোঁ শৃঙ্খলা, ব্যভিচাৰেৰে মই খোজোঁ কৰিব বিচাৰ প্ৰতিষ্ঠা। আচাৰৰ নামত যি অনাচাৰ, নৈতিকতাৰ নামত যি ভণ্ডামি, আৰু বিচাৰৰ নামত যি অত্যাচাৰৰ তাণ্ডৱলীলা দুনীয়াৰ বুকুত আজি যুগ যুগ ধৰি চলি আহিছে, সেই সকলোৰে বিকৰুণ মূৰ্তি প্ৰকাশ কৰি জগতত ভণ্ডামিৰ শেষ সমাধি কৰিব খোজোঁ মই এই মুহূৰ্ত্ততে।

মোৰ লগ কোন? মোৰ শক্তি কত? সংসাৰ-যুদ্ধত যিসকল সৰ্বহাৰা—সভ্যতাৰ অত্যাচাৰত যিসকল শোষিত,

বুভুক্ষিত আৰু নিৰ্য্যাতিত, সেই সকালাবিলাক মোৰ কমৰেড, এই বিৰাট অভিযানৰ কমৰেড হব সিহঁত। মোৰ উতলা তেজৰ উতলা মনৰ হেপাহ পলাব সিদিনা—যিদিনা সিহঁতৰ সজ্ববদ্ধ শক্তিৰে এই দুনীয়াতে প্ৰতিষ্ঠা কৰিব পাৰিম সিহঁতৰ বিজয়স্তম্ভ; গঢ়ি তুলিব পাৰিম লক্ষ লক্ষ মজদুৰৰ কলা ৰক্তৰ লক্ষ লক্ষ কণিকাৰে এই দুনীয়াতে মোৰ কল্পনাৰ স্বৰ্গ।

আকাশৰ স্বৰ্গত আমাৰ কোনো কাজ নাই ভাই। আমাক লাগে এই দুনীয়াৰে স্বৰ্গ। এই স্বৰ্গ তৈয়াৰ কৰিবৰ কাৰণেই আজি এই ধ্বংস যজ্ঞৰ প্ৰস্তাৱনা। তাৰেই কাৰণে যিসকল ক্ষুধাতুৰ, লাঞ্চিত আৰু পদদলিত, সেইসকলৰ আহ্বান। সকলো বিদ্ৰোহী, সকলো বিপ্লৱী মোৰ লগৰীয়া। যিসকলে শিল ভাঙি, পৰ্বত কাটি কৰিছে পথ, সেই সকলোবোৰ মোৰ পথচাৰী। সিহঁতে পথৰ শিল ভাঙিয়ে বুকুৰ তেজ পানী কৰিছে আৰু আকাশৰ ফালে চাই মূৰ্খামি কৰোঁতেই গৈছে সিহঁতৰ জীৱন; সিহঁত বোবা। সিহঁতৰ ৰুদ্ধ বেদনাৰ যি তপ্ত মদিৰা, তাক পান কৰি মোৰ তেজ হৈছে উতলা, মন হৈছে উন্মাদ, মই হৈছোঁ বিদ্ৰোহী।

উতলা তেজ আকৌ উতলি উঠক—দুনীয়াৰ সমস্ত যৌৱনতে সমস্ত নিৰ্য্যাতিতৰ প্ৰাণত।

লক্ষ পথত

•

দীনতা যদি আছে, তাত লাজ নাই; উচ্চ ৰাখিম শিৰ মোৰ। দীন হব পাৰোঁ মই, কিন্তু হীন নহওঁ। সুখৰ আস্বাদ যদি নাপাওঁ তাতো দুখ নাই, ধৈৰ্য্য নেহেৰুৱাওঁ। দুখৰ গধূৰ বোজা যদি কান্ধত লব লাগে, কোনো কথা নাই; আনন্দেৰে লম। বুকু ফিন্দায়ে থিয় হৈ থাকিম। ধুমুহা, শিল, বৃষ্টি, বজ্ৰ যিয়েই আহে আহক— মূৰ পাতি লবলৈ প্ৰস্তুত আছোঁ। ভয়ত লোকৰ অট্টালিকাত সোমাবলৈ লৰি নাযাওঁ। মোৰ এই পৰ্ণকুটীৰতে থাকিম। অশ্ৰু-নীৰ ওলাই যেতিয়া মোৰ বুকুত ক্ৰন্দনৰ ৰাগিনী বাজি উঠে, তেতিয়াও যেন তাৰ শব্দ মুখেৰে নোলায়।

জীৱন মোৰ ৰঙা হৈ উঠিছে। ৰক্তাক্ত কলেৱৰ লৈয়ো সমুখৰ যুদ্ধ-ক্ষেত্ৰত ধূলি ধূসৰিত হৈ হলেও মই আগবাঢ়ি যাম। হৃদয়ৰ অপূৰ্ণ বাসনা জীৱনৰ অতৃপ্ত অভিলাষ প্ৰাণৰ

ব্যাকুল আবেগ যেতিয়া আহি উপস্থিত হয়, মই তাক বন্ধ কৰিব নোৱাৰোঁ। তেজৰ নৈ বোৱাই হলেও মই যাম, নিশ্চয় যাম।

ব্যৰ্থতা আহিছে আহক, পৰোৱাই নকৰোঁ। বিশৃঙ্খল বিদ্ৰোহী জীৱনত ব্যৰ্থতাৰ পৰশ লাগিছে লাগক, সেয়ে মোৰ চুমা। হৃদয় চুৰমাৰ কৰি দিয়া পাৰিপাৰ্শ্বিকতা আৰু অৱস্থা আহিছে আহক, সেয়ে সৈনিকৰ উপযুক্ত সংগ্ৰামৰ ক্ষেত্ৰ। তৰুণ জীৱনৰ ব্যৰ্থ সঙ্গীত তৰুণ প্ৰাণত ঝঙ্কাৰি উঠিছে উঠক; সেই সঙ্গীতৰ ধ্বনিয়েই মোৰ যুদ্ধ ক্ষেত্ৰত "বেণু" আৰু সেই ধ্বনিতে মই আগবাঢ়ি যাব খুজিছোঁ।

সুদূৰত যি লক্ষ্যৰ সোণৰ কলচিয়ে দেখা দিছে, তাৰ প্ৰেৰণাই মোক সকলো শক্তি আৰু সকলো অস্ত্ৰ দিছে। দূৰত যি এটি ক্ষীণ কিৰণে দেখা দিছে, তাৰ সৌন্দৰ্য্যতে মই আত্মহাৰা। মইতো বহি থাকিব নোৱাৰোঁ। মই যাবই লাগিব আৰু মই যামেই।

“উত্তিষ্ঠত জাগ্রত প্রাপ্য বৰান্নিবোধত”

•

হে সৈনিক! সমুখলৈ আগবাঢ়ি যোৱা। সৌৱা বিজয়-কেতন মলয়—হিল্লোলত নৃত্য কৰি উঠিছে। শুনা, শঙ্খধ্বনিৰ গগন পৱন নিনাদিত গৰ্জ্জন। তোমাৰ যে সমুখত জীৱন যুদ্ধৰ মহান কৰ্ত্তব্য অপেক্ষা কৰি আছে! যুদ্ধ-ক্ষেত্ৰত অপৰিসীম বিক্ৰমেৰে জীৱন-যুদ্ধত জয়ী হৈ নিজৰ কৃতিত্ব লভা। তোমাৰ যুদ্ধৰ অস্ত্ৰ কত? সি যে পৰি আছে, তাত যে মামৰ লাগিছে! তাক বিচাৰি উলিয়াই চাফ্ কৰি তোমাৰ হাতত তুলি লোৱা।

তুমি উঠা, জাগা, প্ৰস্তুত হোৱা; আৰু তোমাৰ প্ৰাপ্যবস্তুক লাভ কৰিবলৈ বিপুল বেগেৰে অগ্ৰসৰ হোৱা। প্ৰাপ্য লাভ নোহোৱালৈকে তোমাৰ বিশ্ৰাম নাই। আগবাঢ়া। হৃদয়ত দুৰ্জ্জয় শক্তি আৰু বিশ্বাস লৈ তুমি আগবাঢ়া। সৈনিক! কি চাইছা? মুহূৰ্ত পলম হলেই সকলো ব্যৰ্থ হব। আগবাঢ়া।

“উদ্দেশ্য সাধন কিম্বা শৰীৰ পতন” এয়ে হৈছে ডেকাৰ দৃঢ় পণ; যৌৱনৰ জাগ্ৰত সঙ্গীত।—“মন্ত্ৰৰ সাধন কিম্বা পৃথিবীৰ গৰ্ভত লীন”—এয়ে ডেকাৰ জয়গীতি আৰু জীৱন বসন্তত জাগি উঠা সমৰ সঙ্গীত।

সৌৰা ! পূব গগনত সবিতাৰ সোণালি ৰথৰ শুভ্ৰ দীপ্তিময়ী ধ্বজাই দেখা দিছেহি। ৰাতি পুৱাল, সূৰ্য্যৰ কিৰণ নিমিষতে আগবাঢ়ি গৈছে—কত কোটি কোটি যোজন দূৰলৈ। কতা ? তোমালৈতো ক'তো অপেক্ষা কৰি থকা নাই ? দিন যে যায়, বৃদ্ধত্ব জড়তা যে আহিব লাগিছে, মৃত্যু যে ওচৰ চাপি আহিছে।

তোমাৰ চুলি পকিবৰ হল। আৰু তো সময় নাই। তেনেহলে কি চাই কি ভাবি নিৰ্জীৱৰ দৰে থিয় হৈ ৰৈ আছা ? বলা, বলা তুমি যে যুদ্ধৰ সৈনিক। সময়ৰ ঘোৰাক পৰাজিত কৰি বালিত তোমাৰ পদচিহ্নৰ "পিৰামিড্" স্থাপন কৰা, স্মৃতি সৌৰভৰ মহিমা মণ্ডিত তাজমহল গঢ়ি তোলা। গৱেষণাৰ সময় নাই, সমুখত পৰা কৰ্ত্তব্য আৰু হৃদয়ৰ অভিলাষ সাধন কৰি সিদ্ধি লাভ কৰিব লাগিব।

সৌৰা সূৰ্য্যৰ কিৰণেই তোমাক আগ জাননী দি প্ৰস্তুত হবৰ আদেশ দিছে সাজু হবৰ হ'ল। নহয়, নহয় ; যুদ্ধ আৰম্ভ কৰি কঠোৰ কৰ্ত্তব্য কৰিবৰেই হল। সৈনিক "উত্তিষ্ঠত জাগ্ৰত প্ৰাপ্য বৰান্নিবোধত।"

নৱবৰ্ষত

●

নিখিল বিশ্বৰ সভ্যতাৰ ক্ৰমবিকাশত বছৰবিলাক যিমানেই ক্ষুদ্ৰ নহওক, তথাপি সেইবিলাক এনেয়ে উৰি যোৱা নাই। আমাৰ যোৱা বছৰটো উৰি গল, আৰু উৰি যাবই, তাক আমি ধৰি বান্ধি ৰাখিব নোৱাৰোঁ। কিন্তু তাৰো এটা কাল প্ৰভাৱ বা এটা চিহ্ন ব্যক্তভাৱেই হওক বা অব্যক্ত ভাৱেই হওক ৰৈ গল। তদুপৰি মাত্ৰ কেইটামান বছৰে গঠিত মানৱ জীৱনত এটা বছৰৰ মূল্য বা দান একেবাৰেই কম বুলিব নোৱাৰো; বৰং বহুতো বেচি। এটা বছৰৰ প্ৰভাৱতেই হয়তো একোটা একোটা জীৱনত অদ্ভুত পৰিৱৰ্ত্তন ঘটিছে।

প্ৰতিদিনে যেতিয়া পূব আকাশত সবিতাৰ হিৰণ কিৰণে দেখা দিয়ে, তেতিয়া প্ৰভাতৰ লগে লগে আমি আমাৰ দৈনিক কৰ্ত্তব্যৰ আৰম্ভণ কৰোঁ, আৰু দিনৰ কৰ্মক্লান্তিৰ লগে লগেই সূৰ্য্যদেৱ পশ্চিম গগনত মাৰ যায় আৰু সেইদৰেই ৰাতিৰ আৰম্ভণ হয়। চিৰন্তণ ৰীতিৰ ধাৰাত দিন-ৰাতি ৰথৰ চকৰি ঘূৰাদি ঘূৰি আছে; কিন্তু এই প্ৰত্যেকটো দিনেই আৰু দিনৰ কাৰ্য্যই আমাক গঢ়িব

লাগিছে। এইদৰেই আমাৰ জীৱন-ৰথ চলিব লাগিছে আৰু এইদৰেই কেইটামান দিনৰ বা বছৰৰ সমষ্টিতেই জীৱনৰ পৰিসমাপ্তি ঘটিছে। আমি জ্ঞাত ভাৱেই হক, অজ্ঞাত ভাৱেই হক সময়ৰ গতিৰ লগে লগে আমাৰ জীৱনক পৰিসমাপ্তিৰ সাগৰলৈ আগবঢ়াই লৈ গৈছোঁ আৰু জীৱনক আমিয়ে ৰূপ দিব লাগিছোঁ।

পুৰণি এটা বছৰ গ'ল। এইটো একো অসাধাৰণ কথা নহয়, কিন্তু নতুন বছৰটো আমি কেনেকৈ বৰণ কৰিব পাৰোঁ, সেয়ে হৈছে আমাৰ সমস্যা। আজি নতুন বছৰৰ আৰম্ভণীত আমি যোৱা বছৰটোৰ কাৰ্য্যকলাপৰ হিচাব কৰি লাভ-লোকচান কৃতকাৰ্য্যতা, অকৃতকাৰ্য্যতা এইবোৰ ভাবি কৰ্মফলত আসক্ত হৈ পৰিলে বৰ ভুল কৰা হব। অকল সেয়ে নহয়, বছৰটোৰ অৱমাননাতকৈ নিজৰহে অৱমাননা হব বেচি। গোটেই বছৰটোত যি কৰিছিলোঁ সকলোখিনিয়ে আমাৰ আয়ত্ব বা কৃতকাৰ্য্যতাৰ কাৰণে। যদি কিবা ভুলভ্ৰান্তি কৰিছিলোঁ, যদি কিবা বিপদ ধুমুহাৰ মাজত পৰিছিলোঁ, সেইবোৰ আমাৰ শিক্ষাৰ কাৰণে আৰু অভিজ্ঞতাৰ কাৰণে। নতুন বছৰটোত যাতে ঠিক তেনেকুৱাবিলাক ভুল নকৰোঁ, সেই বাবেহে আমি বেচি সাৱধান হব লাগিব। যিসকলে ভুলভ্ৰান্তিহীন ভাৱেই গোটেই বছৰটো সুখে স্বচ্ছন্দে কটোৱা বুলি কব খোজে, তেওঁলোকেও ভবা অনুচিত যে, নতুন বছৰটোত সাৱধান হবলৈ একো নাই।

দিন কাৰো একে সমানে নাযায়, কিন্তু মানুহে সকলো অৱস্থাতে নিজক সংযত কৰি সন্তুষ্ট অৱস্থাত ৰখাটোতে মানুহৰ মহত্ত্ব বা বীৰত্ব। আমি ফলাফললৈ আসক্ত নহৈ কৰ্ত্তব্য কৰি যাব লাগিব। যদি আমি আমাৰ পৰিশ্ৰমত পৰিশ্ৰান্ত আৰু হতাশ হৈ পৰোঁ, সেইটো ভুল হব।

হৃদয়ৰ ক্ষুদ্ৰ দুৰ্বলতা ত্যাগ কৰি আমি সমুখৰ যুদ্ধলৈ প্ৰস্তুত হব লাগিব। আমাৰ দৈনিক জীৱনতেই আমি আমাৰ কৰ্মক্ষেত্ৰত সাংসাৰিক অনেক পৰীক্ষাত উত্তীৰ্ণ হব লাগিব।

আজি এটা যি নতুন বছৰৰ আৰম্ভণ হব, এই দিনটোত আমাৰ বৰ্তমান প্ৰগতি বা অৱস্থাটোও অলপ লক্ষ্য কৰি নিজক এবাৰ চোৱাটোও ভুল নহব। জগতত প্ৰকৃত ধৰ্মভাৱ বা ধাৰ্মিক নাই বুলি মই কবৰ সাহ নকৰোঁ, কিন্তু মই দৃঢ়স্বৰে ঘোষণা কৰিব পাৰোঁ যে মানৱ সমাজত আজি ৰাষ্ট্ৰ সমাজ আৰু ধৰ্মৰ যি প্ৰভাৱ আৰু ক্ষমতা বিস্তাৰ হৈ পৰিছে, বিশেষকৈ ৰাষ্ট্ৰৰ, তাৰ প্ৰকোপত ব্যক্তিগত জীৱন, আনকি, কোনো কোনো সমাজ বা জাতিও বিপন্ন আৰু নিৰ্য্যাতিত হৈছে। যি ব্যৱস্থা চলিছে, সি শ্ৰেণীবিৰোধ আৰু অসমাঞ্জস্যতাৰ সৃষ্টি কৰি সুবিধাগ্ৰহণকাৰী ভাগ্যবান কেইজনমান আৰু আনহাতে অভাৱ-অনাটনক্লিষ্ট দুৰ্ভগীয়া অলেখ জনসাধাৰণৰ সৃষ্টি মাথোন।

আজি আমি নতুন বছৰত কবিতা গালেই নহব, সেই মূক, নিৰ্য্যাতিত, নিপীড়িতসকলক অৱজ্ঞা কৰি থাকিলেই নহব; সিহঁতৰ ক্ষুধাৰ জ্বালাই যি বিদ্ৰোহ জ্বলাব, তাত মানৱ সভ্যতাৰ সকলো ভণ্ডামিৰ মুখা এদিন খহি পৰিব। সেই কাৰণে আমি এই বিষয়েও সচেতন হোৱাৰ সময় আহিল। ধৰ্মৰ নামত যিবিলাক বাহ্যিক আড়ম্বৰৰ কু-আচাৰ, কু-নীতি বা অন্ধবিশ্বাস চলি আছে, ভগৱানৰ নামত যিবিলাক ব্যৱসায় চলিছে, ৰাষ্ট্ৰৰ ৰক্ষণ আৰু পোষণৰ নামত যি শোষণ আৰু অত্যাচাৰ, সেইবিলাকৰ অন্ত নহলে আমি যিমানেই ধৰ্মসভা বা মানৱ সেৱাৰ নাম নকৰোঁ, সি জগতৰ মানৱ জাতিৰ একো শান্তি বা উপকাৰ আনিব নোৱাৰে।

সকলো দুখ-দৈন্য দূৰ হৈ পূবে-পশ্চিমে, উত্তৰে-দক্ষিণে চাৰিওফালে শান্তি আৰু সুখ স্থাপিত হওক। আমাৰ মনৰ পৰা সকলো মলি দূৰ হওক, সমাজৰ সকলো আৱৰ্জনা পৰিষ্কাৰ হৈ উঠক। ধৰ্ম আভিজাত্যৰ এটা ফেশ্বন বা পোছাক কিম্বা দুখীয়াৰ কৰুণ আৰ্তনাদেই নহয়, বৰং ই সকলো উচ্চতা আৰু নীচতা গুচাই মানৱৰ মাজত সাম্য-মৈত্ৰী আৰু ভ্ৰাতৃত্ব স্থাপন কৰি মানুহক জ্ঞানৰ পোহৰত উদ্ভাসিত কৰি তোলক।

সৌন্দৰ্য্য

•

মই যেতিয়া কৈশোৰৰ আৰম্ভণীত ভৰি দিছিলোঁ, তেতিয়া ভাবিছিলোঁ, সৌন্দৰ্য্যত বাস্তৱতা নাই আৰু ই একো নহয়, মাত্র মনৰ এটা ৰুচি আৰু বিলাস। কিন্তু আজি মোৰ সেই ভুল ভাগিছে, যেতিয়া মই মোৰ জীৱন বসন্তৰ আৰম্ভণীত ভৰি দিছোঁহি, মোৰ হিয়া নৱ ভাৱত আপ্লুত হৈ উঠিছে আৰু তাত সাৰ্বজনীন প্ৰেমৰ পৱিত্ৰ আবেগৰ কম্পন উঠিছে। আজি অনুভৱ কৰিব পাৰিছোঁ যে বাস্তৱতে সৌন্দৰ্য্য আছে,— যাৰ অনুপ্ৰেৰণাত, যাৰ উপাসনাত মানুহ সাধাৰণ স্তৰ পাৰ হৈ ওপৰত উঠিব পাৰে।

সৌন্দৰ্য্য এটা মনৰ কল্পনা নহয়; ইয়াত বাস্তৱতা আছে, ইয়াত সত্যতা আছে। সৌন্দৰ্য্য সত্য, সৌন্দৰ্য্য সুন্দৰ, সৌন্দৰ্য্য পৱিত্ৰ। সৌন্দৰ্য্য বিলাস নহয়, সৌন্দৰ্য্য অনিৰ্মল নহয় আৰু সৌন্দৰ্য্যত পাপ নাই। বিলাস এটা মনৰ কুৰুচি—যিহে মানুহক অৱাস্তৱতাৰ পথেদি টানি নি পাপ-মলিৰ নৰককুণ্ডলৈ নিয়ে। বিলাস সত্য নহয়। ইয়াত বাস্তৱতা নাই। ই কৃত্ৰিমতাৰে পূৰ্ণ। সৌন্দৰ্য্যই পোহৰলৈ আগ বঢ়াই নিয়ে। আনহাতে বিলাসে আন্ধাৰলৈ টানি লৈ যায়।

সৌন্দৰ্য্যৰ যি উপাসক, সৌন্দৰ্য্যৰ যি পূজাৰী, তেওঁ মানুহৰ সাধাৰণ স্তৰৰপৰা বহুত ওপৰত। তেওঁ নিৰ্মলৰ পূজাৰী, সত্যৰ উপাসক ; তেওঁ বাস্তৱতাৰ ভক্ত আৰু সুন্দৰতাৰ প্ৰেমিক। সৌন্দৰ্য্যক যি সৰ্বাঙ্গীনভাৱে উপলব্ধি কৰিব পাৰিছে, তেৱেঁই বাস্তৱতাক সম্যকৰূপে হৃদয়ঙ্গম কৰিব আৰু জানিব পাৰিছে। মানুহে সৌন্দৰ্য্যৰ স্বৰূপ উপলব্ধি কৰিব নোৱাৰি বিলাসিতাকে সৌন্দৰ্য্য বুলি ভাৱে আৰু তাতে ডুবি মৰে। সৌন্দৰ্য্য বিলাস-ভোগৰপৰা ইমান দূৰত যে, স্বৰ্গ-মৰ্ত্ত্যৰ বিভিন্নতা আৰু বিসাদৃশ্যতাৰ তুলনাত বহুতো কম।

সৌন্দৰ্য্য সাৰ্বজনীন আৰু সত্য। তাত ৰুচিৰ কথা কোনো মতেই আহিব নোৱাৰে ; কিন্তু বিলাসিতাত পূৰ্ণ মাত্ৰাই ৰুচি আছে। যি সৌন্দৰ্য্য, সি সত্য, সি অবিশেষে অনিৰ্বিশেষে চিৰপৱিত্ৰ, আৰু সুন্দৰ। তাত ব্যক্তিৰ ইচ্ছা বা নিৰ্বাচনৰ ছাঁ এটিও নাই। কোনোবাই মৰীচিকা ভ্ৰমত পৰি সৌন্দৰ্য্যক ভুল বুজিব পাৰে ; কিন্তু সেই বুলিয়ে সৌন্দৰ্য্যৰ পূৰ্ণ বিকাশ লোপ পাব নোৱাৰে।

যিমানেই সৌন্দৰ্য্যক উপলব্ধি কৰিবলৈ শিকিবা, সিমানেই সাধাৰণ স্তৰ পাৰ হৈ ওপৰলৈ যাবা। যিমানেই পোহৰলৈ যাবা, সিমানেই বাস্তৱতাৰ ফালে আগবাঢ়ি যাবা। কিন্তু সাৱধান, সৌন্দৰ্য্যক উপলব্ধি কৰিবলৈ যাওঁতে বাট ভুল কৰি যদি কৃত্ৰিম বিলাসক আন্ধাৰত আঁকোৱালি ধৰা, তেন্তে তাৰ ঠিক বিপৰীত ফল ফলিব।

প্ৰকৃতিৰ কোলাত সৌন্দৰ্য্য উপচি আছে। মাথোন চিনি উলিয়াব পাৰিব লাগে। বাহ্যিক আড়ম্বৰ বা আৱৰণেই সৌন্দৰ্য্য নহয়। সি মৰীচিকা। সৌন্দৰ্য্য অন্তৰৰ সত্য। বহিৰ্জগতৰ পাৰ্থিৱ শৰীৰী বস্তুৰেই যে সৌন্দৰ্য্য এনে নহয়। অন্তৰ্জগতৰ অপাৰ্থিৱ অশৰীৰী বস্তু হে আচল সৌন্দৰ্য্য। যিটো বস্তুত সৌন্দৰ্য্য দেখোঁ, সেই বস্তুটো সৌন্দৰ্য্য নহয়; মাত্ৰ সি সৌন্দৰ্য্যক প্ৰতিবিম্বিত কৰা দাপোণহে। সৌন্দৰ্য্য অশৰীৰী আৰু অপাৰ্থিৱ। অকল যে বহিৰ্জগতৰ পাৰ্থিৱ শৰীৰী বস্তুতে সৌন্দৰ্য্য আছে এনে নহয়, অন্তৰ্জগতৰ অপাৰ্থিৱ অশৰীৰী বস্তুতো সৌন্দৰ্য্য আছে; সি কবি আৰু দাৰ্শনিকৰ উপভোগ্য।

সৌন্দৰ্য্যক যি পূৰ্ণমাত্ৰাই আয়ত্ব কৰিব পাৰিছে, তেওঁৰ ওচৰত কল্পিত স্বৰ্গসুখভোগ অতি তুচ্ছ, অতি হীন। তেওঁক বেলেগে এখন স্বৰ্গ নালাগে, তেওঁৰ মনত সকলোতে স্বৰ্গ, তেওঁৰ মনত সকলো সুন্দৰ, সকলো মধুৰ, সকলো সুখকৰ, মনোমুগ্ধকৰ। তেওঁৰ অসন্তোষ নাই, তেওঁ সদানন্দ।

বাসন্তী জয়ন্তী

●

বৰ্ষ-শেষৰ বসন্তোৎসৱ উপলক্ষে আজি আমি ইয়াতে সমবেত হৈছোঁ। বসন্তৰ আগমনীৰ লগে লগেই আমি এক নৱানন্দাবেগত পুলকিত হৈ উঠিছোঁ। প্ৰকৃতিৰ গছ লতা, ফল-ফুলৰ যি অনুপম জাতিস্মাৰ নৱৰূপ হৈছে, সিয়ে আমাক বসন্তৰ হিল্লোল অনুভৱ কৰাইছে আৰু আমাৰ প্ৰাণত মাদকতা আৰু মাধুৰ্য্য আনি দিছে।

ফাগুনী বতাহ এছাটি যিদিনা কবিৰ গাত লাগে, তেতিয়াই তেওঁ বসন্তৰ নতুনত্বক অনুভৱ কৰিব পাৰে। আমৰ মল যেতিয়া ফুলি উঠিল, কেতেকীৰ যেতিয়া স্নিগ্ধ গন্ধৰ মলমলনি নাহৰ গছৰ কুমলীয়া পাত ওলাল, আৰু কুলিৰ কুহু

কুহু শব্দে কাণত মৌ বৰষিলে, তেতিয়াই আমি আমাৰ প্ৰিয়া বাসন্তীৰ সাদৰ সম্ভাষণক উপলব্ধি কৰিব পাৰোঁ ; তাৰ কাৰণে পঞ্জিকাৰ পাত চাব নালাগে। সিদিনা মাথোন হোলিখেলা হৈ গল। সেই ফাগুৱা উৎসৱ আন একো নহয়, কেৱল বসন্তোৎসৱ আৰু আমাৰ বিমল আনন্দৰ প্ৰকাশ মাথোন।

এই যে প্ৰকৃতিৰ অপৰূপ ৰূপ ফুটি উঠিছে, এই যে, স্বৰ্গৰ বৃষ্টিৰ টোপালৰ চুমা পৰশত গছ-লতাই সজীৱ হৈ আৰু নতুন সাজপাৰ লৈ আপোনাক বিকশিত কৰি তুলিছে, ইয়াৰ পৰাই আমি দুটা কথা শিকিব পাৰোঁ। এটা সৌন্দৰ্য্য, আনটি প্ৰেম। কিন্তু সৌন্দৰ্য্য আৰু প্ৰেমৰ ইমান ঘনিষ্ঠ সম্বন্ধ যে, দুইকো আমি দম্পতী বুলিব পাৰোঁ। সৌন্দৰ্য্যতে প্ৰেমৰ উৎপত্তি আৰু প্ৰেমতেই সৌন্দৰ্য্যৰ সৃষ্টি।

কিন্তু আজি নিখিল বিশ্বত যি ধনতান্ত্ৰিক সভ্যতাৰ প্ৰৱল প্ৰতিযোগিতা আৰু এই দানৱীয সভ্যতাৰ লেলিহমান গ্ৰাস চলিছে, তাৰ প্ৰকোপত পৰি আমাৰ অস্তিত্ব আমাৰ সংস্কৃতি ৰক্ষা কৰা টান হৈছে ; তেনে স্থলত প্ৰেম আৰু সৌন্দৰ্য্যবোধৰ বিকাশ আৰু সাহিত্য, বিজ্ঞান, শিল্পকলা আদিৰ চৰ্চ্চা একৰকম অসম্ভৱেই হৈছে। বুভুক্ষাৰ জ্বালাত, পৰাধীনতাৰ অসহ্য শৃঙ্খল বন্ধনত আৰু নিৰ্য্যাতনৰ পীড়ণত আমি আজি মৃতপ্ৰায় আৰু অন্ধকাৰতে বীভৎস পঙ্কিলত ডুবি আছোঁ। আমি

আগবাঢ়ি যাব খোজোঁ, কিন্তু আমি পদে পদে পদাহত আৰু লাঞ্ছিত হৈছোঁ। আমি বন্ধন-মুক্ত হবলৈ বিচাৰোঁ, কিন্তু প্ৰতিবাৰেই বিপন্ন হওঁ।

অতীত মিলি যাব সীমাহীন অন্ধকাৰত। সমুখত আহিছে ভৱিষ্যত। আজি এই ভবিষ্যতৰ অজান গিৰিশৃঙ্গকে অতিক্ৰম কৰিব লাগিব। অতীতত যদি আমি ব্যৰ্থ মনোৰথ হৈছিলোঁ, কোনো কথা নাই ; তথাপি নতুন উদ্যম লৈ আমি আগ বাঢ়িম। পথাৰৰ পিচত পথাৰ, নৈৰ পিচত নৈ, মৰুভূমিৰ পিচত মৰুভূমি, পৰ্বতৰ পিচত পৰ্বত পাৰ হৈ যাম, যৱনিকাৰ পিচত যৱনিকা পেলাম, তথাপি আমি ক্ষান্ত নহওঁ। পথ আমাৰ অনন্ত—যাত্ৰাও আমাৰ অনন্ত। ক্লান্তিত আমি বহি নপৰোঁ, আমি দেহৰ জড়তা, মনৰ জড়তা সকলো দূৰ কৰি আকৌ আগ বাঢ়িম।

আমি আজি সকলোৱে দৃঢ়প্ৰতিজ্ঞ হৈ ঐক্যতানত আমাৰ জয়যাত্ৰাৰ গীত গাই আগবাঢ়ি যাম। আমাৰ আজি বৰ্ষশেষৰ বসন্তোৎসৱত নতুন বছৰৰ কাৰণে জীৱনৰ মন্ত্ৰ হৈ পৰক —

“উত্তিষ্ঠত জাগ্ৰত প্ৰাপ্য বৰান্নিবোধত”।

অসম সাহিত্য সন্মিলনৰ সপ্তদশ বাৰ্ষিক অধিবেশনৰ সভাপতি, তেতিয়াৰ যোৰহাট কলেজৰ প্ৰিন্সিপাল আৰু বৰ্ত্তমানে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভাইচ্ চেন্সেলাৰ শ্ৰীযুত কৃষ্ণকান্ত সন্দিকৈ এম, এ, (অক্সফোৰ্ড) ডাঙৰীয়াৰ অভিমত :—

"ফিৰিঙতি"ত প্ৰবল অনুভূতি আৰু তেজী ভাষাৰ পৰিচয় পোৱা যায়। তৰুণ আদৰ্শবাদীসকলে এই কিতাপ পঢ়ি ভাল পাব। ৰচনা-ৰীতিৰ নতুনত্বও কম নহয়।"

কবি শ্ৰীযুত কমলেশ্বৰ চলিহা (কচ) ডাঙৰীয়াৰ অভিমত :—

"লেখাবোৰ পঢ়ি সন্তোষ পালোঁ। লেখকৰ মন সৰ্বহাৰাৰ দলৰ লগত মিহলি। বাহিৰৰ ঐশ্বৰ্য্যক যি প্ৰেমে স্বীকাৰ কৰে, তেনে প্ৰেমত তেওঁৰ কোনো লেখাই অৱগাহন কৰা নাই। অন্তৰ-ধনত ধনী হৈও যি নিজক দীনাত্মা বুলি ভাবে, তেওঁৰ প্ৰেমৰ প্ৰদীপেই যে সৰ্বোজ্জ্বল তাক আমি স্বীকাৰ কৰোঁ। এই দীপ হাতত লৈ তেওঁ এন্ধাৰ বাটেদি বিৰিনিৰ শিল পদদলিত কৰি যাব ওলাইছে, আশা কৰোঁ তেওঁ বাটত কঠোৰতা সহ্য কৰিবলৈ বল পাব। তেওঁৰ এই লেখাবোৰৰ দান—বিশ্ববন্ধুতা।"

তেতিয়াৰ যোৰহাট কলেজৰ ইংৰাজী সাহিত্যৰ প্ৰোফেচাৰ আৰু নগাওঁ কলেজৰ বৰ্ত্তমান প্ৰিন্সিপাল শ্ৰীযুত যজ্ঞেশ্বৰ শৰ্মা এম, এ ডাঙৰীয়াৰ অভিমত :—

"There are two phases in the history of life and letters—convention and revolt. These little pieces in spirit and form decidedly belong to the latter. This youthful writer makes his first appearance in literature and it is, therefore, quite natural that both in ideas and expressions he leaves much to be achieved. But the sincerity and freshness are unmistakable.

—o:o—

অসম সাহিত্য সন্মিলনৰ সঙ্গীত শাখাৰ মঙ্গলদৈ অধিবেশনৰ সভাপতি, "ফুলনি", "অমৰ-লীলা", "শৰাই", "গীত-লহৰী", "নিমন্ত্ৰণ আদিৰ গ্ৰন্থকাৰ, সাহিত্যিক শ্ৰীযুত পদ্মধৰ চলিহা এম, এ ; বি, এল ডাঙৰীয়াৰ অভিমত :—

"ফিৰিঙতি" অসমীয়া সাহিত্যলৈ শ্ৰীমান প্ৰফুল্ল গোস্বামীৰ নৱ অৱদান। অসমৰ ছাত্ৰ-আন্দোলন আৰু জাতীয় সংগ্ৰামৰ তেওঁ এজন নিৰ্ভীক যুজাৰু আৰু অক্লান্ত তৰুণ-কৰ্ম্মী বুলি জনাজাত। শ্ৰীমানৰ প্ৰত্যেকটি ৰচনাও তেওঁৰ অন্তৰত জ্বলি থকা জুইকুৰাৰ একোটি ফিৰিঙতি। ৰচনা-বিলাকত স্বদেশানুৰাগ আৰু মানৱ প্ৰেমৰ গভীৰ আৱেগ সুন্দৰকৈ ফুটি উঠিছে। পুথিখনিৰ ভাষাও কথা-কৱিতাৰ উপযোগী হৈছে। মাতৃভাষাৰ বেদীত শ্ৰীমানে এনেকৈ সততে অৰ্ঘ্য আগবঢ়াই থাকিব বুলি ভাৰসা ৰাখিলোঁ। ফিৰিঙতি অসমৰ গাৱেঁ ভূঞেঁ, হাবিয়ে বননিয়ে, পৰ্বতে-কন্দৰে সিৰ্চৰতি হৈ পৰক।"

"ডেকা অসম"ৰ সম্পাদক, "তুমি" আৰু 'বীণা'ৰ কৱি সাহিত্যিক শ্ৰীযুত অম্বিকাগিৰী ৰায়চৌধুৰী ডাঙৰীয়াৰ অভিমত :—

"বিদ্ৰোহ আৰু বিপ্লৱৰ মুহূৰ্ত্তবিলাকৰ দ্বাৰা মোৰ জীৱন সংগঠিত। ইয়াৰ লক্ষ্য কি কোৱাৰ সকাম নাই। কিন্তু এই বিদ্ৰোহ আৰু বিপ্লৱত যে মোৰ অন্তৰাত্মাত আনন্দৰ ঢ'উ উঠে, সেইখিনি কোৱাৰ সকাম আছে। এই বাবে মই সদায় এনে উপাদানবিলাক বিচাৰি ফুৰোঁ, য'ত হাত দিয়া মাত্ৰেই বিদ্ৰোহ-শিখাৰ আগ্নেয়—উদ্গীৰণ কিবা এটা ৰূপত মূৰ্ত্ত হৈ উঠিবলৈ মূৰ দাঙি উঠে। শ্ৰীমান প্ৰফুল্ল গোস্বামী তেনে এটা বিদ্ৰোহ-বিপ্লৱৰ জীৱন্ত উপাদান। সেইবাবে মোৰো আজি আনন্দ যে,

যোৰ বিদ্ৰোহ আৰু বিপ্লৱ যি এটা কল্পনাৰ বস্তু আছিল, সেইটো শ্ৰীমান প্ৰফুল্লৰ ভিতৰেদি সঞ্জীৱনীৰ নতুন ৰূপ লৈ মূৰ্ত হৈ উঠিব। তেওঁৰ এই ক্ষুদ্ৰ "ফিৰিঙতি"ত তাৰ চিন স্পষ্টকৈ ফুটি ওলাইছে। ই অকল ফিৰিঙতিয়েই নহয়, ই আমাৰ স্থৱিৰ মনোজগতত বিপ্লৱৰ পূৰ্ব্বৰ সূচনা, লেপেটখোৱা জঠৰতা ভাঙি প্ৰকৃত জীৱনৰ প্ৰস্ফুৰণ জগোৱা প্ৰদীপ্ত অগ্নিশিখা। ফিৰিঙতিৰ প্ৰত্যেকটো প্ৰবন্ধৰ প্ৰত্যেকটো শাৰীয়ে স্থৱিৰ জগতৰ সকলোবিলাক পঙ্গুতা ভাঙি গুড়ি কৰা বিদ্ৰোহৰ প্ৰচণ্ড হাতুৰীৰ কোব। হয় চিৰকাললৈ গুড়ি হৈ উৰি যাওক, নতুবা এই ভগ্ন-স্তূপৰ ওপৰত গজি উঠক ব্ৰহ্মাণ্ডলক্ষ্মী—স্বাধীন চিন্তাৰ আকাশী মাধুৰী। মই শ্ৰীমান প্ৰফুল্লৰ এই ফিৰিঙতিত ঠিক ইয়াৰ আভাষ পাই আনন্দ পাইছোঁ।

—— :*: ——

অসমৰ প্ৰথম দৈনিক খবৰৰ কাগজ ভূতপূৰ্ব "দৈনিক বাতৰি"ৰ সম্পাদক "জ্যোতি-কণা"ৰ কবি, সাহিত্যিক শ্ৰীযুত নীলমণি ফুকন বি, এ, ডাঙৰীয়াৰ অভিমত :—

"ফিৰিঙতি"—লিখকৰ "বিপ্লৱৰ দাবানলত" দিয়া "ধ্বংস-যজ্ঞৰ প্ৰথম আহুতি" তেওঁৰ "যৌৱনৰ তীব্ৰ অনুভূতিত" এফালে ধ্বংস আনফালে সৃষ্টিৰ বাবে ব্যাকুল হৈ উঠা উচ্ছ্বাসৰ অগ্নিস্ফুলিঙ্গ। ইয়াৰে তেওঁ "বহুযুগৰ পুঞ্জীভূত অত্যাচাৰী দানৱৰ যি সমাজ ব্যৱস্থা, ৰাষ্ট্ৰৰ যি শোষণ-যন্ত্ৰ, ধৰ্মৰ যি ভণ্ডামি" সকলোখিনি ভস্মীভূত কৰি সেই "ধ্বংসৰ ভেটিতেই" নিজৰ "বাঙলি সৃষ্টি" কৰিবৰ পৰিকল্পনা কৰিছে। এই কামত তেওঁক সহায় কৰিব কোনে?—"সংসাৰ যুদ্ধত যি সকল সৰ্বহাৰা।" তেওঁৰ "লক্ষ্যপথত" তেওঁক বিচলিত কৰিবপৰা প্ৰতিকূল

অন্তৰাত্মাৰ ঠাই তেওঁৰ কল্পনাত নাই। "উদ্দেশ্য সাধন কিম্বা শৰীৰ পতন" এয়ে তেওঁৰ "যৌৱনৰ জাগ্ৰত সঙ্গীত।"

মনোৰাজ্যত "বিপ্লৱী" হলেও, লিখকৰ "বাহিৰৰ বিশৃঙ্খল বিদ্ৰোহী কঠিন জীৱন ধাৰা" দেখি কোনেও ওচৰ চাপিব নুখুজিলেও, তেওঁৰ অন্তৰৰ ভিতৰত যে শুকান বালিৰ তলে তলে বৈ থকা ফল্গু নদীৰ ধাৰৰ নিচিনা "প্ৰেমৰ নিজৰা বৈ আছে" এই কথা "কেওঁৰ বুকুত বুকুৰ পৰশ দি নাচালে" বুজা টান হব। লিখকে নিজেই কৈছে "মই পথিক!" "মোৰ যাত্ৰাৰ শেষ নহয় কাৰণেই মই পথিক।" তেওঁ কৈছে "মায়াৰ বন্ধনত অন্ধ হৈ মই কেতিয়াবা বাট ভুল কৰোঁ আৰু পিচত অনুতাপত সেই ভুল ভাগে।" কিন্তু তেওঁৰ বিশ্বাস "ভুল, ভুল কৰিয়েই জীৱনৰ পিৰামিড, সাজিম—ভুল, ভুল কৰিয়েই জীৱনৰ শিক্ষা লাভ কৰিম।" এইটো ওখ থাপৰ আত্ম-বিশ্বাস।

লিখকৰ সকলো ৰকম বিপ্লৱী চিন্তাৰ ধাৰা বৈ গৈ এক প্ৰকাণ্ড সাগৰত পৰি "সকলো উচ্চ-নীচ গুচাই মানৱৰ মাজত সাম্য-মৈত্ৰী ভ্ৰাতৃত্ব স্থাপন কৰি মানুহক জ্ঞানৰ পোহৰত উদ্ভাসিত" কৰি যাতে তোলে, তাৰেহে স্বপ্ন দেখিছে। ইয়াৰ দিঠকতাতেই জগতৰ মুক্তি বুলি তেওঁ বিশ্বাস কৰিছে।

"ফিৰিঙতি"ৰ দাবানলৰ উত্তাপৰ মাজতো লিখকে "সৌন্দৰ্য্য-সত্য, সৌন্দৰ্য্য-সুন্দৰ, সৌন্দৰ্য্য-পৱিত্ৰ" এই মহান সত্যত নিজক প্ৰতিষ্ঠা কৰিব পাৰিছে। "ফিৰিঙতি"য়ে পুৰি দেই ছাই কৰা প্ৰাণতো এয়ে এদিন তেওঁক আত্ম-দৰ্শনৰ তৃপ্তি দিব পাৰিব। লিখকৰ জ্বালাময়ী লিখনিৰ মুখত আৰু উচ্ছ্বাসৰ কথা মনত নিশ্চয় আছে। শুনিবলৈ বাট চাই থাকিলোঁ।"—

Please handle the book carefully.

লব্ধপ্ৰতিষ্ঠ প্ৰবীনতম সাহিত্যিক অসম সাহিত্য সন্মিলনৰ ভূতপূৰ্ব সভাপতি শ্ৰীচন্দ্ৰধৰ বৰুৱাৰ অভিমত ঃ—

৭৮ পিঠীৰা সৰু কিতাপ। লিখক শ্ৰীমান প্ৰফুল্ল গোস্বামী। [গদ্যত লিখা যদিও গোটেই কিতাপখনিয়েই কবিতা। এনে গদ্য কবিতাৰ কিতাপ অসমীয়া ভাষাত তাকৰ। সেই গুণে এই শ্ৰেণীৰ কিতাপৰ আমাৰ বৰ প্ৰয়োজন। শ্ৰীমান গোস্বামীৰ লগত মোৰ ঘনিষ্ঠতা নাই। মই তেওঁৰ বিষয়ে যি অলপ দেখিছোঁ, শুনিছোঁ, তাৰপৰা তেওঁক উদ্যোগী, যথাৰ্থবাদী আৰু স্বাধীনচিন্তীয়া ডেকা বুলি বিশ্বাস কৰোঁ। সাহিত্য ক্ষেত্ৰত তেওঁৰ এই উদ্যম দেখি মই সন্তোষ পাইছোঁ, আৰু তেওঁৰ লিখনীৰপৰা আমাৰ সাহিত্য সম্পদ বৃদ্ধি হব বুলি আশা কৰিছোঁ।] ঈশ্বৰে তেওঁক দীৰ্ঘজীৱী কৰক, আৰু সাহিত্য সেৱাত ৰতি বঢ়াওক, এয়ে মোৰ আন্তৰিক কামনা। লৰালৰিকৈ ছপোৱা বাবে মাজে মাজে দুটা এটা বাক্যত অলপ দোষ দেখা যায় যদিও কিতাপখনি ভাল হৈছে। পাচৰ সংস্কৰণত সামান্য দোষো নেথাকিব বুলি আশা কৰিলোঁ।

— —

সাপ্তাহিক কাগজ 'ডেকা-অসম'ৰ অভিমত ঃ—

অৰ্থাৎ শ্ৰীমান প্ৰফুল্ল গোস্বামী নামে জনাজাত ডেকা জনৰ সামাজিক আৰু ৰাজনৈতিক ক্ষেত্ৰত বিদ্ৰোহৰ স্ফুলিঙ্গ। ৰক্ষণশীল বিজ্ঞতাই ইয়াত উশৃঙ্খলতাৰ অপবাদ সানিবলৈ যত্ন নকৰিব বুলি আমি কোৱা নাই,—কাৰণ তাৰ স্থিতিশীল মনোবৃত্তিৰ ভিত্তিটোতেই ই আঘাত কৰিছে। কিন্তু ইয়াত যে বিৰাট কালৰ ইঙ্গিত পৰি-পালন কৰা প্ৰয়োজনৰ জ্বালাময়ী দাবী উদ্গীৰিত হৈছে, সেইটো

Please handle the book carefully

স্বীকাৰ নকৰিলে অন্যায় হব। [ই কালৰ দাবী, বিশ্ব মৈত্ৰী, মহা-মিলনৰ দাবী। ই ফিৰিঙতি যদিও তাত অদূৰ ভবিষ্যতত পুৰণি পজুতাৰ পেলা-পঁচা নিৰাময় কৰি "সত্যম্ শিৱম্ সুন্দৰম্"ৰ নতুন পৰিকল্পনা মূৰ্ত্ত কৰি তোলা লেৰবেটৰীত প্ৰচণ্ড দাবানল জগোৱাৰ স্পষ্ট আভাষ পোৱা যায়।] আমি শ্ৰীমান প্ৰযুল্লক সাহিত্য ক্ষেত্ৰলৈ সম্বৰ্দ্ধনা জনালোঁ।

মাহেকীয়া আলোচনী **আৱাহনৰ** অভিমত—(১২ শ বছৰ, ৩য় সংখ্যা, পৃঃ ৩৪৩) :—

ফিৰিঙতি—শ্ৰীমান প্ৰফুল্ল গোস্বামী লিখিত কথা-কৱিতাৰ পুথি। আমাৰ ভাষাত কথা-কৱিতা বা সেই সম্বন্ধীয় পুথি বৰ অভাৱ। শ্ৰীমান গোস্বামীয়ে তালৈ লক্ষ্য কৰাটো সুখৰ বিষয় হৈছে। আমাৰ ভাষাৰ আখৰ জোঁটনিৰ সংস্কাৰ কৰা ফিৰিঙতিৰ আন এটা উদ্দেশ্য। বহুদিন আগৰেপৰা বানান সংস্কাৰ পৃথিবীৰ প্ৰায় সকলো দেশতে আৰম্ভ হৈ আছিছে। কিন্তু কোনো কোনো দেশত বানান সংস্কাৰ-পন্থী সংখ্যা লঘিষ্ঠ। সেই দেখি সেইবোৰ দেশত ই সাহিত্যৰ বেচি ঠাই দখল কৰিব পৰা নাই। অসমতো বানান-সংস্কাৰ পন্থী—সংখ্যাত নিচেই তাকৰীয়া হোৱাত এই আন্দোলনে ইয়াত গা কৰি উঠিব পৰা নাই। বোধহয় ফিৰিঙতিৰ জৰীয়তে বানান সংস্কাৰ আন্দোলনৰ কিছু শক্তি বঢ়াবৰ চেষ্টা কৰিছে।

ফিৰিঙতি লিখকৰ অন্তৰৰ প্ৰবল অনুভূতিৰ বিকাশ। বিপ্লবী ডেকাসকলে ফিৰিঙতিৰপৰা অনুপ্ৰেৰণা পাব বুলি আশা কৰা যায়।

—— × ——

Please handle the book carefully.

তিনদিনীয়া অসমীয়া (২ আগষ্ট, ১৯৪০):—

"এই কিতাপখনি অসমীয়া সাহিত্য ক্ষেত্রত এখনি নতুন ধৰণৰ কিতাপ। অভাৱ, অব্যক্তসুৰ, কুসুম, ব্যৰ্থতা আৰু আশা, পথিক, এটিফুল, অতিথিলৈ, আজি ৰাতি, উতলা তেজ, লক্ষ্য পথত আৰু আন দুটিমান প্ৰবন্ধ আমি বিশেষৰূপে ভাল পাইছোঁ আৰু সাৰুৱা সাৰ্থকতাপূৰ্ণ বোধ কৰিছোঁ। লিখকৰ ভাষা তেজী, ৰসাল আৰু স্বচ্ছপ্ৰবাহমান। সাহিত্য সৃষ্টিৰ কাৰণে যি ভাষা আৰু অভিজ্ঞতাৰ আৱশ্যক, সেই দুযোতাই লিখকৰ আছে, গতিকে তেওঁৰ এই গ্ৰন্থ বহু পৰিমাণে কৃতকাৰ্য্য হৈছে।"

"জনমভূমি" সাপ্তাহিক কাগজ (১২ ফাগুন, ১৮৭৬ শক) ২য় সংস্কৰণ প্ৰকাশ হোৱাত দিয়া অভিমত:—

"ফিৰিঙতি এখন গদ্য কবিতামূলক ৭৮ পৃষ্ঠাৰ কিতাপ। আমাৰ ভাষাত গদ্য কবিতাৰ অভাৱ; গতিকে এনে কিতাপৰ আমাৰ ভাষাত প্ৰযোজন যথেষ্ট আছে। ৰচয়িতা শ্ৰীমান প্ৰফুল্ল গোস্বামীৰ এই প্ৰচেষ্টা প্ৰশংসনীয়। ফিৰিঙতিত তৰুণ লিখকৰ বিপ্লৱী মনটোৰ তীব্ৰ অনুভূতিবোৰ স্পষ্টভাৱে প্ৰকাশ পাইছে। সৰ্বহাৰাসকলৰ লগত লিখকে একাত্মবোধ উপলব্ধি কৰিছে। ধ্বংসৰ মাজেদি নতুনৰ সৃষ্টি, সাম্যবাদ আৰু শান্তিপ্ৰতিষ্ঠা ইয়াকেই কবিয়ে বিচাৰে। ৰচয়িতাৰ শক্তিশালী ভাষা আৰু তীব্ৰ অনুভূতিয়ে প্ৰতি পাঠকৰে বিশেষকৈ আদৰ্শবাদী ধৰণ কৰণৰ অন্তৰ স্পৰ্শ নকৰি নোৱাৰে।

ধ্বংস আৰু সৃষ্টিৰ কঠোৰ কৰ্ত্তব্যৰ মাজতো কবিৰ অন্তৰৰ প্ৰেম আৰু সৌন্দৰ্য্য তৃষ্ণাৰ ধাৰাটি কুলু কুলু স্বৰে প্ৰবাহমান। ইয়াৰ

প্ৰকাশভঙ্গীও স্পষ্ট। ভাষা আৰু প্ৰকাশ ভঙ্গীৰ গঢ়ৰ উন্নত সমন্বয়ত এনে ধৰণৰ কিতাপ ৰচোঁতাৰপৰা আশা কৰিলোঁ।

ৰচয়িতাৰ বানান সংস্কাৰ চেষ্টাও লক্ষ্য কৰিবলগীয়া। বেটুপাতৰে সৈতে কিতাপখনিৰ বান্ধোন সুন্দৰ হৈছে। মূল্য—(কেচাবন্ধা) পাঁচমহা বেছি বুলিব নোৱাৰি।"

"নতুন অসমীয়া" (১৪ নবেম্বৰ, ১৯৫৪) দৈনিক কাগজ ২য় সংস্কৰণত দিয়া অভিমত :—

"চৈধ্য বছৰ পিচত শ্ৰীমান প্ৰফুল্ল গোস্বামীৰ ফিৰিঙতি দ্বিতীয় বাৰ প্ৰকাশিত হৈছে। চৈধ্য বছৰৰ ব্যৱধান বৰ উৎসাহপ্ৰদ নহলেও কিতাপখনৰ দ্বিতীয় সংস্কৰণ প্ৰকাশ হোৱাটো আনন্দৰ কথা। প্ৰথম বাৰ প্ৰকাশ হওঁতেই কিতাপখনে বেচ জনপ্ৰিয়তা অৰ্জ্জন কৰিছিল আৰু সেই সময়ত পোৱা প্ৰশংসাখিনিও এই সংস্কৰণত সন্নিবিষ্ট কৰি দিয়া হৈছে। শ্ৰী প্ৰবোধচন্দ্ৰ গোস্বামীয়ে সুদীৰ্ঘ ২৮ পৃষ্ঠাৰ সুচিন্তিত সুদীৰ্ঘ ভূমিকাত সাহিত্য সম্পৰ্কে দীঘলীয়া আলোচনা কৰিছে আৰু লগতে 'ফিৰিঙতি"ৰ অন্তৰ্নিহিত সত্য এইদৰে নিৰ্ণয় কৰিছে, "লিখকৰ সকলো কথিকাতে আছে এটা বিদ্ৰোহৰ ৰাগিণী। এই বিদ্ৰোহৰ কাৰণ দিবলৈ গলে ভাৰতৰ বৰ্ত্তমান পৰিস্থিতিৰ কথালৈ আৰু লিখকৰ ৰাজনৈতিক জীৱনলৈ আঙুলিয়াব লাগিব।"

শ্ৰীমান গোস্বামী ৰাজনীতিত জড়িত আৰু ৰাজনীতিজ্ঞৰ কাৰ্য্য-কলাপে দেশ আৰু সমাজৰ উত্থান-পতনত বহুতো ৰঙণি যোগায় বাবে তেওঁৰ অন্তৰৰ কথাবোৰ এইদৰে কবিতা আৰু কথা-কবিতা বা গদ্য-কবিতাৰ মাজেদি প্ৰকাশ কৰাত অনেকেই তেওঁক বুজিবলৈ

সুচল পোৱা স্বাভাৱিক। মাজে সময়ে আলোচনীত দুই-এটা এনে ৰচনা আজিকালি দেখা গলেও কথাত কবিতাৰ ধৰ্ম্ম থকা কিতাপ আমাৰ সাহিত্যত শ্ৰীদুৰ্বাৰ "কথা-কবিতা" আৰু বৰ্ত্তমান লিখকৰ "ফিৰিঙতি"ৰ বাহিৰে লেখত লবলগীয়া কিতাপ নাই।

কিতাপখনৰ দুটা কবিতা 'তৃষ্ণা' আৰু 'কুসুম' নামৰ কবিতাতে লিখকৰ বক্তব্য ভালদৰে ফুটি উঠিছে বুলি আমাৰ ধাৰণা। তেওঁ "শৈশৱত···সোণৰ সপোন ৰচনা কৰি" জীৱন আৰম্ভ কৰিছিল, কিন্তু বাস্তৱৰ সংঘাতত সেই সপোন ভগাত তেওঁ দেখিলে "মানুহৰ ভণ্ডামি, প্ৰবঞ্চনা, চাল-বাজিৰ জুৱাখেল··· ।" (কুসুম) সম্ভৱতঃ সেই কাৰণেই তেওঁ কেতিয়াবা মেঘৰ আৰালৈ উৰা মাৰিব খোজে—"যত কৰিছে তৰাবিলাকে খেদাখেদি।"

যাৰ খোজোঁ অৰূপ ৰূপৰ সন্ধানত, হৈ অশান্ত, অতৃপ্ত। "তথাপি দেখোন" শ্ৰীমান গোস্বামীৰ "একো একো বাৰ জীৱনক বৰ ভাল লাগে।" আঘাত পালেও নিৰাশ নহৈ থকাটো বৰ ভাল লক্ষণ। মুঠতে "ফিৰিঙতি" লিখকৰ কল্পনা আৰু বাহিৰ জগতৰ নিষ্ঠুৰতাৰ মাজত হোৱা সংঘৰ্ষত ই ৰবা ভাবৰ ফিৰিঙতি।"

THE NABIN BARDOLAI HALL & LIBRARY
-2 DEC 1958
G.HATI